অধ্যায় ১ ঃ বৈদিক শিক্ষা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ বৈদিক যুগৰ শিক্ষা ব্যৱস্থা

- ১.৩.১ বৈদিক শিক্ষাৰ অর্থ
- ১.৩.২ শিক্ষাৰ লক্ষ্য
- ১.৩.৩ শিক্ষণ পদ্ধতি
- ১.৩.৪ পাঠ্যক্রম
- ১.৩.৫ শৃংখলাবদ্ধতা বা অনুশাসন
- ১.৩.৬ শিক্ষকৰ ভূমিকা

১.৪ উত্তৰ বৈদিক যুগৰ শিক্ষা

- ১.৪.১ উত্তৰ বৈদিক শিক্ষাৰ অর্থ
- ১.৪.২ শিক্ষাৰ লক্ষ্য
- ১.৪.৩ শিক্ষণ পদ্ধতি
- ১.৪.৪ পাঠ্যক্রম
- ১.৪.৫ শৃংখলাবদ্ধতা বা অনুশাসন
- ১.৪.৬ শিক্ষকৰ ভূমিকা

১.৫ অতীতৰ শিক্ষা ব্যৱস্থাৰ (বৈদিক আৰু উত্তৰ বৈদিক) বৈশিষ্ট্যসমূহ

১.৬ বৈদিক শিক্ষাৰ সুফল আৰু কুফলসমূহ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৈদিক আৰু উত্তৰ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ ধাৰণাৰ সংজ্ঞা দিব পাৰিব।
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য সম্পর্কে জানিব পাৰিব।
- বৈদিক যুগৰ শিক্ষণ পদ্ধতি, পাঠ্যক্রম, শৃংখলাবদ্ধতা আৰু শিক্ষকৰ ভূমিকা সম্পর্কে বর্ণনা কৰিব পাৰিব।

- বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব।
- বৈদিক যুগৰ শিক্ষাৰ সুফল আৰু কুফলসমূহ চিনাক্ত কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টোৰ জৰিয়তে আমি বৈদিক যুগৰ কিছুমান ধাৰণা যেনে ইয়াৰ লক্ষ্য, পাঠ্যক্রম, শিক্ষণ পদ্ধতি, শিক্ষকৰ ভূমিকা আদিৰ সম্পর্কে জ্ঞাত হ'ব পাৰো। এই অধ্যায়টোৱে আমাক অতীতৰ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আৰু লগতে ইয়াৰ সুফল আৰু কুফলসমূহ জানিবলৈ দিব। তদুপৰি, বৈদিক শিক্ষা ব্যৱস্থাৰ অর্থ জনাৰ আগতে, আমি ভাৰতত এই শিক্ষা ব্যৱস্থা কেতিয়া আৰম্ভ হৈছিল তাক জানিব লাগিব। আমি সকলোৱে জানোঁ যে পুৰণি ভাৰতীয় সমাজ সংস্কৃতি আৰু ইয়াৰ ব্যৱহাৰৰ দিশত অতি চহকী আছিল। অতীত ভাৰতীয় সমাজৰ সংস্কৃতি অতি উচ্চ ভাৱধাৰা আৰু মূলবোধৰ দ্বাৰা প্রভাৱান্বিত আছিল। সেই সময়ত ধর্মই সমাজত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। উদাহৰণ স্বৰূপে, সেই সময়ছোৱাত হিন্দু ধর্ম প্রৱর্তিত আছিল আৰু মানুহৰ সংস্কৃতি আৰু পৰম্পৰাত তাৰ প্রভাৱ পৰিছিল।

অতীত ভাৰতৰ শিক্ষা ব্যৱস্থা সমগ্র পৃথিৱীতে বিখ্যাত আছিল। এই শিক্ষা ব্যৱস্থাই পৃথিৱীৰ অন্য দেশৰ লোকক আকর্ষিত কৰিছিল আৰু সেইবাবে ইয়াত শিক্ষা গ্রহণ কৰিবলৈ অন্য দেশৰ পৰা বহুতো লোক আহিছিল। অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাক বৈদিক শিক্ষা বুলি জনা যায়। খ্রীষ্টপূর্ব ১৫০০ শতিকাৰ পৰা ১০০০ শতিকালৈ— এইসময়ছোৱাক বৈদিক যুগ বুলি কোৱা হয় আৰু খ্রী.পূ. ১৪০০ ৰ পৰা ৬০০ শতিকালৈ এই সময়ছোৱাক উত্তৰ বৈদিক যুগ বুলি কোৱা হয়। বৈদিক যুগৰ শিক্ষা ব্যৱস্থাত সাধাৰণতে চাৰিখন বেদ যেনে - ঋক্‌বেদ, সামবেদ, যজুর্বেদ আৰু অথর্ব বেদৰ জ্ঞান প্রদান কৰা হৈছিল। এই বেদসমূহে হয়তো পৃথিৱীৰ আটাইতকৈ পুৰণি লিপি আৰু বিশ্বাস কৰা হয় যে এইসমূহ মন্ত্রদ্রষ্ট ঋষি বা মুনিসকলে বিভিন্ন সময়ত উলিয়াইছিল। প্রত্যেকখন বেদৰে চাৰিটা অংশ আছে - সংহিতা (মন্ত্র), ব্রাহ্মণ (পার্বণ), অৰণ্যক আৰু উপনিষদ (দর্শন)। মন্ত্রৰ সংগ্রহ সংহিতাৰ সৈতে জড়িত। ব্রাহ্মণত উৎসৱ-পার্বণ সম্পর্কীয় কথা আৰু ব্যক্তিৰ ধর্মীয় কর্তব্য সন্নিবিষ্ট থাকে। প্রত্যেক বেদতে ব্রাহ্মণৰ কিছু অংশ সন্নিবিষ্ট থাকে। বেদৰ শেষৰ অংশবোৰ হৈছে উপনিষদ আৰু সেইবাবে সেইবোৰক বেদান্ত বুলি কোৱা হয় বা সাধাৰণ ভাষাত বেদৰ শেষ অংশই বৈদিক শিক্ষণক অন্তর্ভুক্ত কৰে। অৰণ্যক হৈছে অৰণ্যত থকা সাধু সকলৰ ধ্যানৰ সৈতে জড়িত কৃচ্ছ সাধনকাৰী, যিবোৰৰ লক্ষ্য হৈছে ৰহস্য উদ্‌ঘাটন কৰা।

'বেদ' শব্দটোৰ উৎপত্তি সংস্কৃত শব্দ 'বিদ্' পৰা, যাৰ অর্থ হৈছে 'জ্ঞান'। এই জ্ঞান মন্ত্রৰ আকাৰত থাকে আৰু প্রত্যেক ব্যক্তিকে সুন্দৰ আৰু সুখী জীৱন যাপনৰ বাবে ইয়াৰ আৱশ্যক। প্রত্যেকখন বেদৰে নিজস্ব বৈশিষ্ট্য আছে আৰু এইবোৰ জ্ঞানৰ বিভিন্ন শাখাৰ সৈতে জড়িত, তলত সেইসমূহ চমুকৈ দাঙি ধৰা হ'ল।

ঋক্‌বেদ — বেদৰ ভিতৰত আটাইতকৈ পুৰণি আৰু ইয়াত ১০০০ টা মন্ত্র সন্নিবিষ্ট হৈ আছে।

এই মন্ত্র সমূহে ঋগ্ বেদৰ সময়ছোৱাৰ সংস্কৃতি, পৰম্পৰা আৰু তথ্যপাতি দাঙি ধৰে।

সামবেদ - এইখন হৈছে সুমধুৰ মন্ত্রৰ সংগ্রহ। ইয়াৰ মন্ত্রসমূহ সংগীতত ব্যৱহাৰ কৰা হয়।

যজুর্বেদ বেদ - ই হৈছে সমাজৰ বিভিন্ন ধর্মীয় উৎসৱ পার্বণৰ মন্ত্রৰ সংগ্রহ।

অথর্ব বেদ - এইখন বেদত সেইসময়ৰ মন্ত্র উচ্চাৰণ বিষয়ে আছে। ইয়াৰ উপৰিও ই চিকিৎসা বিজ্ঞানৰ এক পুথি।

চমুকৈ ক'বলৈ হ'লে বৈদিক শিক্ষাৰ সমগ্র ধাৰণা বেদ সমূহৰ জ্ঞানৰ সৈতে জড়িত। এই জ্ঞান এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ মৌখিকভাৱে প্রবাহিত হয় আৰু শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়া হয়।

১.৩ বৈদিক যুগৰ শিক্ষা ব্যৱস্থা

এইটো শাখাত আমি বৈদিক শিক্ষাৰ অর্থ, ইয়াৰ লক্ষ্য, পদ্ধতি, পাঠ্যক্রম, শৃংখলাবদ্ধতা আৰু শিক্ষকৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

১.৩.১ বৈদিক শিক্ষাৰ অর্থ

যি শিক্ষা ব্যৱস্থা বেদৰ পৰা আৰম্ভ হৈছে আৰু বেদৰ নীতিৰ ওপৰত প্রতিষ্ঠিত তাক আমি বৈদিক শিক্ষা ব্যৱস্থা বুলি পাৰোঁ। ই প্রধানকৈ শিক্ষক আৰু শিক্ষার্থীৰ সম্পর্কৰ কথা দাঙি ধৰে। বৈদিক শিক্ষাৰ প্রধান বৈশিষ্ট্য হৈছে এয়ে যে প্রত্যেক ব্যক্তিয়ে জীৱনৰ সকলো পদক্ষেপতে উজ্জ্বলতা স্বাক্ষৰ দেখুৱাব পাৰে। এই ব্যৱস্থাত বিশ্বাস কৰা হয় যে সত্য আৰু জ্ঞানৰ দ্বাৰা শিক্ষা লাভ কৰিব পাৰি। এই শিক্ষা ব্যৱস্থাত জ্ঞান প্রদানৰ ওপৰতেই প্রধানকৈ গুৰুত্ব দিয়া হয় যাতে ব্যক্তিয়ে উপযুক্তভাৱে জীৱন যাপন কৰিব পাৰে। অলটেকাৰৰ মতে "বৈদিক যুগৰ শিক্ষাৰ উদ্দেশ্য, য'ত ভগৱানৰ উপাসনা, জনসাধাৰণৰ ধর্মীয় অনুভূতি সম্পূর্ণ কৰা, সামাজিক সামর্থ্য বৃদ্ধি আৰু জাতীয় সংস্কৃতি সংৰক্ষণ আৰু প্রচাৰ কৰা। (Dr. AS. Alteker 1965: Education in Ancient India)

এনেদৰে বৈদিক যুগত শিক্ষাক পোহৰৰ উৎস হিচাপে ধৰা হৈছিল, যিয়ে ব্যক্তিৰ আধ্যাত্মিক, সামাজিক, আবেগিক আৰু বৌদ্ধ দিশসমূহ আগবঢ়াই নিব পাৰে। সেইবাবে, সেইসময়ত শিক্ষকসকলে ভগৱানৰ ধ্যান, ধর্ম, আধ্যাত্মিকতা, চৰিত্র গঠন, ব্যক্তিত্বৰ বিকাশ, সংস্কৃতি, ৰাষ্ট্র আৰু সমাজ আদিৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। ই এক পবিত্র ব্যৱস্থা আছিল আৰু প্রধানকৈ বেদৰ শিক্ষা আৰু অনুশীলনৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। ছাত্রৰ উপনয়ন অনুষ্ঠান সম্পন্ন হোৱাৰ পিছত গুৰুকুলত শিক্ষা আৰম্ভ কৰা হয়। এই উপনয়ন অনুষ্ঠানৰ পিছত, ছাত্রই গৃহ ত্যাগ কৰি গুৰুকুলত কঠোৰ নীতি নিয়ম মানি গুৰুৰ সৈতে বাস কৰিব লাগে।

১.৩.২ শিক্ষাৰ লক্ষ্য

বৈদিক শিক্ষা প্রধানকৈ বেদৰ নীতি সমূহৰ ওপৰত প্রতিষ্ঠিত, যিবোৰ উচ্চ ভাবধাৰাৰ আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। সেইবাবে সেইসময়ত শিক্ষাৰ লক্ষ্য আছিল জীৱনৰ উচ্চ ভাবধাৰা আৰু মূল্যবোধ আয়ত্ত কৰা। শিক্ষাৰ প্রধান লক্ষ্য আছিল মুক্তি বা আত্ম উপলব্ধি। বৈদিক শিক্ষাৰ লক্ষ্য আদর্শবাদ দর্শনৰ ওপৰত প্রতিষ্ঠিত। শিক্ষাৰ লক্ষ্য আছিল শিক্ষার্থীসকলক সুখী আৰু উপযুক্ত জীৱন যাপনত সহায় কৰা। বৈদিক শিক্ষাই প্রধানকৈ শিক্ষার্থীৰ শাৰীৰিক, আধ্যাত্মিক, ধর্মীয়, সামাজিক আৰু আবেগিক বিকাশত গুৰুত্ব দিছিল। এইবোৰৰ উপৰিও, ই শিক্ষার্থীৰ চৰিত্র আৰু ব্যক্তিত্ব গঠনত গুৰুত্ব প্রদান কৰিছিল। এই সময়ছোৱাৰ শিক্ষাৰ আন এক লক্ষ্য হৈছে শিক্ষার্থীৰ সামাজিক আৰু সাংস্কৃতিক বিকাশ সাধন কৰা। বৈদিক শিক্ষাই শিক্ষার্থীক সামাজিকভাৱে সচেতন আৰু দায়িত্বশীল হোৱাৰ উপৰিও দেশৰ কর্তব্যপৰায়ণ আৰু নৈতিকভাৱে সবল নাগৰিক হ'বলৈ শিক্ষা দিছিল। এনেদৰে বৈদিক শিক্ষা ব্যৱস্থাই শিক্ষার্থীৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক আদি সর্বোত দিশৰ বিকাশৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰিছিল।



জানি থোৱা ভাল

- বেদৰ পৰা নির্গত হোৱা শিক্ষা আৰু বেদৰ নীতিৰ ওপৰত প্রতিষ্ঠিত শিক্ষাই হৈছে বৈদিক শিক্ষা।
- বৈদিক যুগত শিক্ষাক পোহৰৰ উৎস হিচাপে ধৰা হৈছিল, যিয়ে ব্যক্তিৰ আধ্যাত্মিক, সামাজিক, আবেগিক আৰু বৌদ্ধিক দিশৰ বিকাশ সাধন কৰে।
- উপনয়ন অনুষ্ঠান উদ্‌যাপনৰ পিছত গুৰুকুলত শিক্ষার্থীসকলক শিক্ষা দিয়া হয়।
- বৈদিক যুগৰ শিক্ষাৰ লক্ষ্য আছিল জীৱনৰ উচ্চ ভাৱধাৰা আৰু মূল্যবোধত উপনীত হোৱা। শিক্ষাৰ প্রধান লক্ষ্য আছিল মুক্তি বা আত্ম উপলব্ধি লাভ কৰা।
- বৈদিক শিক্ষাই শিক্ষার্থীৰ শাৰীৰিক, আধ্যাত্মিক, ধর্মীয়, সামাজিক আৰু আবেগিক বিকাশত গুৰুত্ব দিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বৈদিক শিক্ষা বুলিলে কি বুজে?

.....

.....

প্রশ্ন ২ ঃ বৈদিক শিক্ষাৰ এটা মূল উদ্দেশ্য লিখক।

.....

.....

প্রশ্ন ৩ ঃ বেদ কেইখন আৰু কি কি?

.....

.....

১.৩.৩ শিক্ষণ পদ্ধতি

শিক্ষণ পদ্ধতিসমূহ হৈছে এক আহিলাস্বৰূপ যাৰ জৰিয়তে শিক্ষা প্রদান কৰা হয়। বৈদিক যুগত, শিক্ষণ পদ্ধতি প্রধানকৈ মৌখিক আছিল। সেইসময়ত লিখিত বা পাঠ্যপুথিৰ ব্যৱস্থা নাছিল। আবৃতিৰ দ্বাৰা মন্ত্রসমূহৰ জ্ঞান দিয়া হৈছিল। বৈদিক মন্ত্রসমূহৰ অর্থ বুজি পোৱা, উপযুক্ত শুদ্ধ উচ্চাৰণ আৰু হুবহু মনত ৰখাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। মৌখিক পদ্ধতিৰ ওপৰিও শিক্ষা ব্যৱস্থাত চিন্তা (চিন্তন) আৰু মনত ৰখা (মনন) ওপৰত গুৰুত্ব দিয়া হৈছিল। শিক্ষকে মন্ত্র বা শ্লোকসমূহৰ শুদ্ধ উচ্চাৰণ কৰিছিল আৰু শিক্ষার্থীসকলে পুনৰাবৃত্তি কৰি গৈছিল। শুদ্ধভাৱে শুনাটো গুৰুত্বপূর্ণ আছিল, কাৰণ বেদক শ্রুতি বুলিও জনা যায় (যাক শুনা যায়)। শুনাৰ পিছত শিক্ষার্থীসকলে সেইবোৰ চিন্তা কৰি মনত ৰাখিব লাগিছিল। এনেদৰে মৌখিক পদ্ধতিৰে বৌদিক যুগত শিক্ষা প্রদান কৰা হৈছিল।

১.৩.৪ পাঠ্যক্রম

বৈদিক যুগৰ পাঠ্যক্রম প্রধানকৈ বেদৰ তাত্ত্বিক আৰু ব্যৱহাৰিক নীতিৰ ওপৰত প্রতিষ্ঠিত আছিল। বেদৰ অধ্যয়ন বাধ্যতামূলক আছিল; কিন্তু কলা আৰু কৌশলৰ জ্ঞানো প্রদান কৰা হৈছিল। চাৰিখন বেদৰ পৰা আহৰণ কৰা বিভিন্ন শাখাবোৰ হৈছে — ধর্মীয় অনুশীলন, সংস্কৃতি আৰু পৰম্পৰা, বিজ্ঞান (তন্ত্র বিদ্যা)। চিকিৎসা, কৃষি, সামাজিক অনুশীলন, দর্শন, জ্যোতির্বিদ্যা, কলা আৰু ভাস্কর্য্য, জীৱ জন্তু পোহা ইত্যাদিবোৰৰ জ্ঞান শিক্ষার্থীক প্রদান কৰা হৈছিল। শিক্ষার্থীৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ বাবে যোগ আৰু ধ্যানৰ নিয়মিতভাৱে অনুশীলন কৰা হৈছিল যাতে তেওঁলোকে নিজৰ লগতে দেশ ৰক্ষা কৰিব পাৰে। শিক্ষার্থীৰ যুক্তিৰ ক্ষমতা বৃদ্ধি কৰিবলৈ, দর্শন আৰু তর্কবিদ্যাত গুৰুত্ব আৰোপ কৰা হৈছিল। এনেদৰে বিত্তীয় আৰু প্রযুক্তিৰ বিকাশ, চিকিৎসা আৰু শৈল্যবিদ্যা, জ্যোতির্বিদ্যা, অর্থনীতি আৰু গণিত আদি বিষয় সমূহ পাঠ্যক্রমত সন্নিবিষ্ট কৰা হৈছিল। তদুপৰি ধর্মৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশত জ্ঞান দান কৰাটো বৈদিক শিক্ষা ব্যৱস্থাৰ এক প্রধান দিশ আছিল।

১.৩.৫ শৃংখলাবদ্ধতা বা অনুশাসন ঃ

বৈদিক শিক্ষা ব্যৱস্থাত, জ্ঞান আহৰণৰ বাবে শৃংখলাবদ্ধতাক গুৰুত্ব প্রদান কৰা হৈছিল। ধনী-দুখীয়া নির্বিশেষে প্রত্যেক শিক্ষার্থীয়ে গুৰুৰ ঘৰত থাকিব লাগিছিল। শিক্ষা আৰু জ্ঞান আহৰণৰ বাবে শিক্ষার্থীসকলে গুৰুৰ ঘৰত থাকিছিল, যাক গুৰুকুল নামে জনা যায়। গুৰুকূল প্রথাত, শৃংখলাবদ্ধতা হৈছে এক গুৰুত্বপূর্ণ দিশ। গুৰুকুলত শিক্ষার্থীসকলে কঠোৰ নীতি নিয়ম মানি চলিব লাগিছিল। গুৰুৰ নীতি-নিয়ম ভংগ কৰাৰ সাহস কাৰো নাছিল। শিক্ষার্থীসকলে নিজৰ আত্ম-বিশ্বাস আৰু শৃংখলা বৃদ্ধি কৰিবলৈ দিনটোত তিনিবাৰ প্রার্থনা কৰিব লাগিছিল (ৰাতিপুৱা, দুপৰীয়া আৰু গধূলি)। আত্ম নিয়ন্ত্রণৰ দ্বাৰা আত্ম-শৃংখলা আৰু ব্রহ্মচার্য্য আশ্রম নীতি পালনত গুৰুত্ব দিয়া হৈছিল। এই ব্যৱস্থাত উচ্চ চিন্তা আৰু সহজ-সৰল জীৱন-যাপনৰ দর্শনক প্রাধান্য দিয়া হৈছিল।

১.৩.৬ শিক্ষকৰ ভূমিকা

বৈদিক যুগত, গুৰু-শিষ্যৰ সম্পর্ক (গুৰু শিষ্য পৰম্পৰা) অতি নিবিড় আছিল। শিষ্যসকলে গুৰুৰ তত্ত্বাৱধানত গুৰুগৃহত বাৰ বছৰ কাল অতিবাহিত কৰিব লাগিছিল। গুৰুৱে শিষ্যসকলক নিজৰ সন্তানৰ দৰে আৰু শিষ্যসকলেও গুৰুক নিজৰ পিতৃৰ দৰে জ্ঞান কৰিছিল। শিষ্য সকলে গুৰুক সকলোধৰণৰ গৃহকার্য্য যেনে খৰি গোটোৱা, পোহনীয়া জীৱ জন্তু চোৱা, ঘৰ-চোতাল চাফা কৰা, গৰু চৰোৱা ইত্যাদিবোৰত সহায় কৰিব লাগিছিল। শিক্ষকে ছাত্রক জ্ঞান প্রদানৰ উপৰিও থকা খোৱাৰ ব্যৱস্থা কৰিব লাগিছিল। বৈদিক যুগত গুৰু এক মাধ্যম সদৃশ আছিল, যাৰ জৰিয়তে এজন ব্যক্তিয়ে মুক্তিৰ পথ দেখা পাইছিল। এনেদৰে তেওঁক ভগৱানৰ দূত হিচাপে বিশ্বাস কৰা হৈছিল। তলত সংস্কৃত শ্লোকটিৰ দ্বাৰা আমি এই দিশটোৰ ধাৰণা কৰিব পাৰোঁ।

গুৰুৰ ব্রহ্মা গুৰুৰ বিষ্ণু
গুৰু দেৱা মহেশ্বৰা
গুৰু সাক্ষাত পৰম ব্রহ্ম
তস্মৈ শ্রী গুৰুৱে নমঃ।।

১.৪ উত্তৰ বৈদিক কালৰ শিক্ষা

এই অধ্যায়ত, আমি উত্তৰ বৈদিক কালৰ শিক্ষাৰ লক্ষ্য, পদ্ধতি পাঠ্যক্রম, শৃংখলা আৰু শিক্ষকৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

১.৪.১ উত্তৰ বৈদিক যুগৰ শিক্ষা

উত্তৰ বৈদিক যুগৰ সময়ছোৱা খ্ৰী.পূ. ১৪০০ চনৰ পৰা ৬০০ খ্ৰী. ভিতৰত ধৰা হয় বা আমি ক'ব পাৰোঁ যে এই সময়ছোৱা হৈছে বৌদ্ধ আৰু জৈন যুগৰ আৰম্ভণিৰ সময়। এই সময়ছোৱাক ব্ৰাহ্মণিক বা উপনিষদৰ সময় বুলিও কোৱা হয়। উত্তৰ বৈদিক কালছোৱাত কঠোৰতা আৰু ত্যাগৰ পৰম্পৰা দেখিবলৈ পোৱা যায়। ধৰ্মীয় অনুষ্ঠান আৰু কাৰ্য্যাৱলী বিষয়ৰ লগতে ব্যৱহাৰিক জ্ঞানৰ প্ৰয়োজনীয় আৰু কঠোৰতা আঁতৰাই ধ্যান আদি বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ই জ্ঞানৰ ন-অন্বেষণত গুৰুত্ব দিছিল, যেন জ্যামিতি, শাৰীৰিক বিজ্ঞান, চিকিৎসা, জ্যোতিৰ্বিদ্যা ইত্যাদি। ব্ৰাহ্মণিক বা উত্তৰ বৈদিক যুগৰ বৈশিষ্ট্য হৈছে ব্যৱহাৰিক বিষয়ৰ উপকাৰিতা আৰু জনপ্ৰিয়তা। উল্লেখযোগ্য যে ব্ৰাহ্মণক আৰণ্যক আৰু উপনিষদসমূহৰ এই সময়ছোৱাত বিকাশ হৈছিল— যাৰ প্ৰভাৱ উত্তৰ বৈদিক কালত দেখা যায়। আমি লক্ষ্য কৰিছো যে উত্তৰ বৈদিক কালত যজ্ঞ উদ্‌যাপনত প্ৰাধান্য দিছিল, শাস্তিৰ ক্ষেত্ৰত নহয়। ই জীৱনৰ সত্যতা ক্ৰমান্বয়ে উপলব্ধিত গুৰুত্ব দিছিল।

১.৪.২ শিক্ষাৰ লক্ষ্য

উত্তৰ বৈদিক কালত শিক্ষাৰ লক্ষ্য আছিল জ্ঞানৰ সত্যতা অনুভৱ কৰা ব্ৰহ্ম প্ৰাপ্তিক উপলব্ধি কৰা। প্ৰকৃত জ্ঞানে আত্ম উপলব্ধিত সহায় কৰে আৰু পৃথিৱীৰ পৰম সত্য অনুভৱ কৰায়। এই সময়ত বিশ্বাস কৰা হৈছিল যে বহিঃ জগতৰ পদাৰ্থসমূহৰ প্ৰকৃত জ্ঞান সংবেদনৰ দ্বাৰা লাভ কৰিব নোৱাৰি, ইয়াক চূড়ান্ত জ্ঞান আত্মঃসচেতনতাৰ দ্বাৰাহে পাব পাৰি। এই যুগৰ শিক্ষা জীৱনৰ লগত সংগতি আছিল। এই অৰ্থত মাণ্ডুক্য উপনিষদত কোৱা হৈছিল — "প্ৰকৃত জ্ঞান লাভ কৰাৰ পিছত, সকলো সন্দেহ নোহোৱা হৈ যায় আৰু এনেদৰে ই পৰম ব্ৰহ্মাক অনুভৱ কৰায় আৰু মানৱজীৱনৰ পৰম সত্য উপলব্ধিত উপনীত কৰায়।" এনেদৰে উত্তৰ বৈদিক যুগত, কেৱল মাত্ৰ বেদৰ অধ্যয়নৰ দ্বাৰাই নহয়, ব্ৰাহ্মণক, উপনিষদ, আৰণ্যক ইত্যাদিৰ জৰিয়তে প্ৰকৃত জ্ঞান পোৱা যায়। বেদৰ অধ্যয়নক কেইবাটাও শাখাত বিভক্ত কৰা হৈছিল আৰু ইয়াক কিছুমান দিশত ভাঙি লোৱা হৈছিল। সেইসময়ত লিংগভেদ কৰা হোৱা নাছিল, গুৰুৱে ল'ৰা আৰু ছোৱালীক একে দৃষ্টিৰে চাই, কোনো বিভেদ নাৰাখি শিক্ষা প্ৰদান কৰিছিল। অতীত ভাৰতৰ শিক্ষাৰ লক্ষ্য আছিল বৰ্তমান তথা ভৱিষ্যতৰ বাবে জীৱনৰ আত্ম মুক্তি সম্পূৰ্ণ অনুভৱ কৰা।

উত্তৰ বৈদিক কালৰ শিক্ষাৰ লক্ষ্য বৈদিক যুগৰ দৰে আছিল। আত্ম নিৰ্বাণ আছিল দুয়োটা যুগৰে শিক্ষাৰ লক্ষ্য, কিন্তু ইয়াক লাভ কৰাৰ পদ্ধতি উত্তৰ বৈদিক কালত সলনি হৈছিল, উত্তৰ বৈদিক কালত যজ্ঞ সম্পাদনত অধিক গুৰুত্ব দিয়া

হৈছিল। ইয়াৰ বাবে যজ্ঞ সম্পাদনৰ বাবে পুৰোহিতৰ প্ৰয়োজন হৈছিল আৰু সেইবাবে বিভিন্ন ধৰণৰ পুৰোহিতৰ সৃষ্টি হৈছিল। তেওঁলোকক ব্ৰহ্মা, উদগতা, হোতা আৰু অডভৰ্য্য স্বৰূপে জনা গৈছিল। উপনিষদৰ মতে, কেৱল সত্যই জ্ঞান, আন জ্ঞানবোৰ অসত্য। বৈষয়িক জ্ঞান হৈছে অজ্ঞতা আৰু বৈষয়িক জ্ঞানৰ দ্বাৰা নিৰ্বাণ লাভ কৰিব নোৱাৰি। এনেদৰে উত্তৰ বৈদিক যুগত শিক্ষাৰ লক্ষ্যই চৰিত্ৰ গঠন, ধৰ্মীয় আধাৰ, ব্যক্তিত্ব বিকাশ, আত্ম-বিশ্বাস জগোৱা, শক্তি আৰু ন্যায়ৰ বিকাশ, সামাজিক আৰু নাগৰিকৰ কৰ্তব্য, সামাজিক সমৰ্থ আৰু সুখৰ বিকাশ, কলা আৰু সংস্কৃতিৰ সংৰক্ষণ ইত্যাদিবোৰত গুৰুত্ব প্ৰদান কৰিছিল।

১.৪.৩ শিক্ষা পদ্ধতি

ভাৰতীয় দৰ্শনৰ 'গুৰু' শব্দটোৰ এক উল্লেখযোগ্য স্থান আছে। গুৰু-শিষ্যৰ পৰম্পৰাৰ মাধ্যমেৰে ভাৰতীয় দৰ্শন চহকী হৈছে, আৰু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞানৰ প্ৰসাৰণ ঘটে। এই সময়ৰ শিক্ষাৰ পদ্ধতি হৈছে আবৃত্তি কৰণ, শিক্ষাৰ্থীসকলে গুৰুয়ে কোৱা সাধু, তৰ্ক আৰু আলোচনাৰ দ্বাৰা ব্যাখ্যাকৰণ আদিবোৰ মনত ৰাখিব লাগিছিল। বৈদিক যুগৰ দৰে এই সময়তো 'চিন্তন' আৰু 'মনন' ওপৰত গুৰুত্ব আৰোপ কৰিছিল, তদুপৰি শুদ্ধভাৱে মন্ত্ৰ মনত ৰাখিব লাগিছিল। শিক্ষাৰ মাধ্যম প্ৰধানকৈ মৌখিক আছিল আৰু সংস্কৃত ভাষাত শিক্ষা দিয়া হৈছিল। বেদসমূহৰ উপৰিও, গুৰুকুলত ব্যৱহাৰিক বিষয়ৰ জ্ঞান দিয়া হৈছিল। বহিঃজগতৰ সৈতে শিক্ষাৰ্থীসকলৰ কোনো ধৰণৰ সম্পৰ্ক নাছিল আৰু শিক্ষাৰ্থীসকল বহিঃ পৃথিৱীৰ পৰা পৃথক হৈ আছিল।যেতিয়ালৈকে গুৰুকুল শিক্ষা সমাপ্ত নহৈছিল, শিক্ষাৰ্থী সকল কেৱল সিক্ষাৰ সৈতে জড়িত হৈ থাকিছিল। গুৰুকুলৰ উপৰিও সেই সময়ত বহল পৰিসৰৰ শৈক্ষিক অনুষ্ঠান পৰিষদ আছিল, য'ত বহুতো শিক্ষকে বিভিন্ন বিষয়ত শিক্ষাদান কৰিছিল।

১.৪.৪ পাঠ্যক্ৰম

উত্তৰ বৈদিক যুগৰ পাঠ্যক্ৰম প্ৰধানকৈ বেদৰ তাত্ত্বিক আৰু ব্যৱহাৰিক নীতি আৰু ব্ৰাহ্মণক, আৰণ্যক তথা উপনিষদ আদিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। বেদৰ অধ্যয়ন বাধ্যতামূলক আছিল; কিন্তু বিভিন্ন কলা আৰু হস্ত বিদ্যাবো জ্ঞান দিয়া হৈছিল। বেদৰ জ্ঞান আৰু বিশেষকৈ তিনিখন বেদৰ জ্ঞান, সংস্কৃতি আৰু পৰম্পৰা, অতি প্ৰাকৃত বিজ্ঞান (তন্ত্ৰ/মন্ত্ৰ), চিকিৎসা, জ্যোতিৰ্বিদ্যা, তত্ত্ব, অৰ্থনীতি-জ্ঞান, আত্মাৰ বিজ্ঞান, ভূতত্ত্ব, ব্ৰহ্মাবিদ্যা, নিৰুক্তি, নৃত্য, সংগীত, গণিত সামৰিক বিজ্ঞান ইত্যাদিবোৰক সামৰি সুখী জীৱন যাপনৰ বাবে শিক্ষা দিয়া হৈছিল। শিক্ষাৰ্থীসকলক যুদ্ধৰ মৌলিক জ্ঞান' দিছিল যাতে তেওঁলোকে নিজক তথা মাতৃভূমিক ৰক্ষা কৰিব

পাৰে। এনেবোৰ বিষয়ৰ উপৰিও বাণিজ্যিক আৰু গণিতৰ শিক্ষাতো গুৰুত্ব দিছিল। শূন্য (০) উদ্ভাৱন আৰু জ্যামিতিৰ তত্ত্ব উদ্ভাৱন এই সময়তে হৈছিল। এই যুগতে কিছুমান ধর্মীয় উৎসৱ যেনে যজ্ঞ আদিৰ আৰম্ভণি হৈছিল, যিবোৰ বিভিন্ন প্ৰকাৰৰ আছিল। ইয়াৰ ফলত কার্মকাণ্ড ব্ৰাহ্মণৰ গুৰুত্ব বাঢ়িছিল আৰু কর্মকাণ্ড বিলাকৰ লগতে জীৱনত ধর্মীয় উৎসৱৰ প্ৰভাৱ বাঢ়ি গৈছিল। — ৰাজ্য ক্ষেত্ৰত, শৈক্ষিক ব্যৱস্থা, সামাজিক জীৱন, অর্থনৈতিক ইত্যাদিবোৰ দিশৰ।

১.৪.৫ শৃংখলাবদ্ধতা বা অনুশাসন

গুৰুকুল বা পৰিষদত নামভর্তি কৰি শিক্ষা আহৰণ কৰাৰ বাবে প্ৰধান গুণ আছিল শৃংখলাবদ্ধতা। উপনয়ন অনুষ্ঠানৰ পিছত, যিটো ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু এটা পর্য্যায়লৈ মহিলাসকলৰ ভিতৰত আৱদ্ধ আছিল, তেওঁলোক গুৰুৰ ছত্ৰছায়াত গুৰুকুলত নামভর্তি কৰোৱা হৈছিল। ধর্মসূত্ৰত শিক্ষক আৰু শিক্ষার্থীৰ বাবে কঠোৰ নীতি নিয়ম আছিল। যদিও কঠোৰ অনুশাসন আছিল তথাপিও গুৰু শিষ্যৰ সম্পর্কত স্নেহ সন্মান আৰু ভালপোৱা আছিল। গুৰুৱে তেওঁৰ শিষ্যসকলক শাৰীৰিক, বৈষয়িক আৰু আধ্যাত্মিক জ্ঞান প্ৰদান কৰিছিল, তেওঁ শিষ্যৰ বাবে পিতৃ সদৃশ আছিল। শিক্ষার্থীসকলে গুৰুৰ কঠোৰ অনুশাসনত থাকিব লাগিছিল। কঠোৰ ব্ৰহ্মচার্য্যব্ৰত পালনে শিক্ষার্থীসকলৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ বিকাশ সাধন কৰিছিল। দুখীয়া, অভাৰী আৰু তলৰ শিক্ষার্থীৰ প্ৰতি সহানুভূতিশীলতা, গুৰু আৰু গুৰুমাতাৰ প্ৰতি সন্মান, আৰু প্ৰকৃতিৰ প্ৰতি ভালপোৱা আদিবোৰ গুৰুকুলত প্ৰচলিত আছিল। কঠোৰ অনুশাসনৰ দ্বাৰা নাগৰিকতাৰ দায়িত্ব আৰু সামাজিক মূল্যবোধ শিক্ষার্থীসকলৰ মাজত গঢ়ি উঠে। গুৰুকুল ব্যৱস্থাৰ এক বিশেষ বৈশিষ্ট্য আছিল ভিক্ষা কৰা, ইয়াৰ দ্বাৰা সমাজৰ লগত শিক্ষার্থীৰ সম্পর্ক গঢ়ি উঠিছিল। গুৰুকুলৰ শিক্ষার্থীসকলে উচ্চ চিন্তা আৰু সহজ-সৰল জীৱন যাপনত বিশ্বাস ৰাখিছিল (ধনী আৰু দুখীয়া সকলোৱে), যাতে উপযুক্তভাৱে শিক্ষা সমাপ্তিৰ পিছত সমাজলৈ সেৱা আগবঢ়াব পাৰে।

১.৪.৬ শিক্ষকৰ ভূমিকা

ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰুৱে সকলো জ্ঞানৰ ভাণ্ডাৰ আছিল, কাৰণ শিক্ষা প্ৰক্ৰিয়া শিক্ষক কেন্দ্ৰিক আছিল। শিক্ষার্থীৰ পিতৃ-মাতৃতকৈও গুৰুৰ আসন ওপৰত আছিল। শিক্ষার্থীৰ বাবে শিক্ষক আধ্যাত্মিক গুৰু আছিল। তেওঁলোকক বৌদ্ধিক জ্ঞান দিয়াৰ উপৰিও শিক্ষকৰ শিক্ষার্থীৰ প্ৰতি নৈতিক দায়বদ্ধতা আছিল। তেওঁ শিক্ষার্থীসকলক ভাল বস্তু আহৰণৰ বাবে পৰামর্শ দিছিল আৰু বেয়াখিনি আঁতৰাইছিল। মৌখিক নির্দেশনা আছিল প্ৰধান শিক্ষণ পদ্ধতি আৰু শিক্ষকে শিক্ষার্থীৰ

জীৱনৰ প্ৰতিটো স্তৰতে নিৰ্দেশনা প্ৰদান কৰে। উপযুক্ত আৰু শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, গুৰুৱে শিক্ষাৰ্থীৰ নাম ভৰ্তিকৰণ আৰু শিক্ষা সমাপ্তিৰ বিষয়ে সিদ্ধান্ত লৈছিল।



জানি থোৱা ভাল

- বৈদিক যুগৰ শিক্ষাৰ পদ্ধতি প্ৰধানকৈ মৌখিক আছিল। লিখিত পদ্ধতিৰে শিক্ষা দিয়াৰ ব্যৱস্থা নাছিল। বেদৰ মন্ত্ৰ উচ্চাৰণেৰে জ্ঞান দিয়া হৈছিল।
- মৌখিক পদ্ধতিৰ উপৰিও, শিক্ষা ব্যৱস্থাত চিন্তা (চিন্তন) আৰু মননৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।
- বৈদিক যুগৰ পাঠ্যক্ৰম বেদৰ তাত্ত্বিক আৰু ব্যৱহাৰিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত।
- বৈদিক যুগত শিক্ষা ব্যৱস্থাত জ্ঞান আহৰণৰ বাবে অনুশাসনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ধনী-দুখীয়া নিৰ্বিশেষে সকলো শিক্ষাৰ্থীয়ে গুৰুগৃহত থাকি জ্ঞান অৰ্জন কৰিছিল।
- বৈদিক যুগত গুৰু শিষ্যৰ সম্পৰ্ক অতি নিবিড় আছিল (গুৰু শিষ্য পৰম্পৰা) শিক্ষাৰ্থীসকলে গুৰুৰ মৰম আৰু ছত্ৰ-ছায়াত ১২ বছৰ কাল গুৰুগৃহত থাকি অধ্যয়ন কৰিছিল।
- উত্তৰ বৈদিক যুগৰ সময়ছোৱা খ্ৰী.পূ. ১৪০০ চনৰ পৰা ৬০০ খ্ৰী. পূ. ভিতৰত ধৰা হয় বা আমি ক'ব পাৰো যে এই সময়ছোৱা হৈছে বৌদ্ধ আৰু জৈন ধৰ্মৰ আৰম্ভণিৰ সময়।
- উত্তৰ বৈদিক কালত শিক্ষাৰ লক্ষ্য আছিল জ্ঞানৰ সত্যতা অনুভৱ কৰা আৰু ব্ৰহ্ম প্ৰাপ্তি (ব্ৰহ্মা) কৰা । প্ৰকৃত এনে জ্ঞানে আত্ম উপলব্ধিত সহায় কৰে আৰু পৃথিৱীৰ পৰম সত্য অনুভৱ কৰায়।
- গুৰু শিষ্যৰ পৰম্পৰা হৈছে এই দৰ্শনৰ মূল মাধ্যম আৰু ইয়াৰ জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞান ধাৰমান হয়।
- উত্তৰ বৈদিক কালৰ পাঠ্যক্ৰম প্ৰধানকৈ পিছৰ তিনিখন বেদৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল আৰু লগতে আন কিছুমান পুথি যেনে ব্ৰাহ্মণক, আৰণ্যক, উপনিষদ ইত্যাদিৰ সৈতে জড়িত আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ উত্তৰ বৈদিক কালৰ শিক্ষা বুলিলে কি বুজে?

.....

.....

প্রশ্ন ৫ ঃ গুৰুকুল প্রথা কি?

.....

.....

প্রশ্ন ৬ ঃ উত্তৰ বৈদিক কালত ব্যৱহাৰ হোৱা এটা শিক্ষণ পদ্ধতি উল্লেখ কৰক।

.....

.....

১.৫ অতীতৰ শিক্ষা ব্যৱস্থাৰ (বৈদিক আৰু উত্তৰ বৈদিক) বৈশিষ্ট্যসমূহ

এইটো শাখাত আমি অতীতৰ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে শিকিম। ইয়াৰ কিছুমান বৈশিষ্ট্য হ'ল —

- **মুক্ততাৰ বাবে শিক্ষা ঃ** বৈদিক আৰু উত্তৰ বৈদিক যুগৰ শিক্ষাৰ মূল ভেটি আছিল জীৱনৰ প্রকৃত অনুভৱ। 'বিদ্যাধন' বা শিক্ষাৰ উপহাৰ আছিল ধর্মীয় উপহাৰ, সেইসময়ৰ শিক্ষকসকল অতিকৈ অধ্যাত্মিক আছিল, শিক্ষা প্রদান কৰাটো তেওঁলোকে পবিত্র কর্তব্য বুলি ধৰিছিল আৰু ইয়াৰ বাবে আত্ম বলিদান দিছিল। সেইসময়ৰ গুৰুৰ প্রকৃতি দৃষ্টান্তমূলক আছিল।
- **ৰাজনৈতিক নিয়ন্ত্রণ নথকা ঃ** শিক্ষার্থীৰ নাম ভর্তিকৰণৰ ক্ষমতা গুৰুৰ হাতত আছিল আৰু ৰজাসকলে গুৰুসকলৰ কার্য্যত হস্তক্ষেপ নকৰিছিল।
- **শিক্ষকৰ উচ্চস্থান ঃ** সেইসময়ত সমাজত গুৰুৰ স্থান উচ্চ আছিল আৰু ৰজাসকলেও তেওঁলোকক সন্মান দিছিল। পিতৃ-মাতৃ স্বৰূপে শিক্ষক — বর্তমানৰ নিচিনা সেই সময়ত শিক্ষকসকলক শিক্ষার্থীৰ আধ্যাত্মিক গুৰু হিচাপে ভবা হৈছিল আৰু শিক্ষক সকলেও শিক্ষার্থীসকলৰ নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল।
- **শিক্ষাৰ মাধ্যম ঃ** বৈদিক আৰু উত্তৰ বৈদিক যুগৰ শিক্ষা প্রদানৰ প্রধান মাধ্যম আছিল মৌখিক।
- **আত্ম অধ্যয়ন ঃ** বৈদিক যুগত শিক্ষার্থীসকলক আত্ম অধ্যয়ন আৰু আত্ম পৰীক্ষণৰ সুবিধা দিয়া হৈছিল। তেওঁলোকে আত্ম অধ্যয়নৰ ব্রহ্ম যজ্ঞ কৰিছিল। আত্ম অধ্যয়নে শিক্ষার্থী সকলৰ স্বনির্ভৰশীলতা আৰু আত্ম বিশ্বাস বঢ়াই তুলিছিল।
- **পাঠ্যক্রম ঃ** ব্রাহ্মণসকলক বেদ আৰু বেদাংগ শিকোৱা হৈছিল, ক্ষত্রিয়সকলক যুদ্ধ বিদ্যা, কৃষিৰ জ্ঞান, বেহা বেপাৰ, কলা-হস্ত বিদ্যা আদি বৈশ্য সকলক শিকোৱা হৈছিল।
- **অনুশাসন ঃ** গুৰুকুলত থকাৰ সময়ত আত্ম-নিয়ন্ত্রণ আৰু আত্ম-অনুশাসন অতি প্রয়োজনীয় আছিল। চৰিত্র গঠন আৰু ব্যক্তিত্বৰ বিকাশ অতি গুৰুত্বপূর্ণ আছিল।
- **ভাল-জীৱন ধাৰা ঃ** গুৰুকুলৰ ছাত্রসকলে কঠোৰ ব্রহ্মচার্য্য মানি এক নিয়মানুবর্তিতা সম্পন্ন জীৱন যাপন কৰিছিল।
- **আত্ম উপলব্ধিৰ চৰম লক্ষ্য ঃ** শিক্ষাৰ চৰম লক্ষ্য আছিল আত্ম উপলব্ধি আৰু ইয়াৰ

লক্ষ্য আছিল চৰম বাস্তৱতা।

- **সর্বোতমুখী বিকাশ ঃ** বৈদিক যুগৰ শিক্ষাৰ উদ্দেশ্য আছিল শিক্ষার্থীৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আধ্যাত্মিক আদিৰ সর্বতোমুখী বিকাশ।

১.৬ বৈদিক শিক্ষাৰ সুফল আৰু কুফলসমূহঃ

প্রত্যেক শিক্ষা ব্যৱস্থাৰ সুফল আৰু কুফল থাকে। বৈদিক শিক্ষাও ইয়াৰ পৰা পৃথক নহয়। তলত ইয়াৰ কিছুমান সুফল আৰু কুফল দাঙি ধৰা হ'ল।

সুফলসমূহ —

- শিক্ষার্থীৰ ব্যক্তিত্বৰ সর্বোতমুখী বিকাশৰ ক্ষেত্রত বৈদিক যুগৰ শিক্ষা যথেষ্ট ফলবতী হৈছিল। ই জীৱনৰ সকলো দিশকে চুই গৈছিল।
- শিক্ষার্থীৰ চৰিত্র আৰু আচৰণৰ বিকাশত বৈদিক শিক্ষাত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। গুৰুকুল ব্যৱস্থাত, ছাত্রৰ চৰিত্র গঠনৰ বাবে কঠোৰ অনুশাসন মানি চলা হৈছিল।
- তাত্ত্বিক দিশতকৈ ব্যৱহাৰিক দিশত অধিক গুৰুত্ব দিয়া হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে শিক্ষার্থীসকলে সুস্থ-সুন্দৰ জীৱন যাপন কৰিবলৈ সক্ষম হৈছিল।
- বৈদিক শিক্ষাই সমাজৰ সকলো লোকৰ মাজত সাংস্কৃতিক বান্ধোন সৃষ্টি কৰিছিল, যিটোৰ প্রভাৱ বর্তমানো ভাৰতৰ নাগৰিকসকলৰ সৈতে জড়িত হৈ আছে।
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থাত ছাত্র-শিক্ষকৰ মাজত এক নিবিড় সম্পর্ক গঢ়ি উঠিছিল। শিক্ষকে শিক্ষার্থীসকলক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল। শিক্ষার্থীসকলেও শিক্ষকক তেওঁলোকৰ আধ্যাত্মিক গুৰু হিচাপে বিবেচনা কৰিছিল। গুৰুৱে কেৱল শিষ্যৰ পৰাই নহয় গোটেই সমাজখনৰ পৰা সন্মান পাইছিল।

কুফলসমূহ —

- বৈদিক যুগত শিক্ষা ধর্মৰ দ্বাৰা দমন হৈ আছিল। শিক্ষাৰ ক্ষেত্রত ধর্মৰ ওপৰত যথেষ্ট হেঁচা দিয়া হৈছিল।
- বৈদিক যুগৰ পিছৰ সময়ছোৱাত, উৎসৱ পার্বণৰ উদ্‌যাপন বৃদ্ধি পাইছিল, পুৰোহিতৰ সংখ্যা বৃদ্ধি পাইছিল, উৎসৱৰ সৈতে এক শ্রেণীৰ মানুহ জড়িত হৈ থাকিছিল, যিবোৰৰ শিক্ষাৰ লক্ষ্য নির্ধাৰণত এক নেতিবাচক প্রভাৱ পৰিছিল।
- বৈদিক ব্যৱস্থাত ক্ষুদ্রসকলৰ সহযোগ কম আছিল। ব্রাহ্মণ, কায়স্থ, বৈশ্য আৰু কম পৰিমাণে মহিলাসকলক শিক্ষা প্রদান কৰা হৈছিল। জাতিগত প্রথাৰ দ্বাৰাই প্রধানকৈ শিক্ষা ব্যৱস্থা নিয়ন্ত্রিত হৈছিল।
- বৈদিক শিক্ষা ব্যৱস্থা কঠোৰ নীতি নিয়মৰ আছিল। পবিত্র পুথি সমূহত যিবোৰ কথা লিখিত আছিল মানুহে তাকে বিশ্বাস কৰিছিল, কোনো যুক্তি তর্কৰে বিবেচনা কৰা নাছিল।
- বৈদিক যুগত শিক্ষণৰ বিভিন্ন শাখাৰ মাজত সম্বন্ধৰ অভাৱ আছিল।



জানি থোৱা ভাল

- বৈদিক যুগৰ শিক্ষাৰ কিছুমান বৈশিষ্ট্য হৈছে — মুক্ত শিক্ষা, ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ, শিক্ষকৰ উচ্চ আসন, পিতৃ-মাতৃ সদৃশ শিক্ষক, মৌখিক শিক্ষাৰ মাধ্যম, আত্ম অধ্যয়ন, নিয়মানুবর্তিতাৰ জীৱন আৰু ব্যক্তিৰ সর্বোতমুখী বিকাশ।
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ কিছুমান সুফল হৈছে — শিক্ষার্থীৰ ব্যক্তিত্বৰ সর্বোতমুখী বিকাশ, শিক্ষার্থীৰ চৰিত্ৰ গঠন, তাত্ত্বিক জ্ঞানতকৈ ব্যৱহাৰিক জ্ঞানত অধিক গুৰুত্ব, সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সাংস্কৃতিক বন্ধন আৰু শিক্ষক-শিক্ষার্থীৰ মাজত নিবিড় সম্পর্ক।
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ কুফলসমূহ — শিক্ষা ধর্মৰ দ্বাৰা প্ৰভাৱিত, ক্ষুদ্ৰলোকসকলৰ সহযোগ নথকা, কঠোৰ বিশ্বাস আদি।



চিন্তা-চর্চা কৰক—১.১

বৈদিক যুগৰ শিক্ষা ব্যৱস্থা আৰু বর্তমান সময়ৰ শিক্ষা ব্যৱস্থাৰ মাজত কিদৰে পার্থক্য নির্ণয় কৰিব? আপোনাৰ মতামত আৰু যুক্তি দিয়ক।

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৈদিক যুগৰ শিক্ষা প্ৰধানকৈ চাৰিখন বেদ যেনে ঋগ বেদ, সাম বেদ, যজুৰ বেদ আৰু অর্থব বেদৰ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত আছিল।
- বেদ শব্দটো সংস্কৃত শব্দৰ "বিদ" পৰা উদ্ভৱ হৈছে, যাৰ অর্থ হৈছে 'জ্ঞান'। এই জ্ঞান মন্ত্ৰৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল, যিবোৰ প্ৰত্যেক ব্যক্তিৰ সুখী জীৱন যাপনৰ বাবে প্ৰয়োজনীয়।
- শিক্ষা ব্যৱস্থা বেদৰ ওপৰত আৰু ইয়াৰ নীতিবোৰৰ ওপৰত ভিত্তি কৰি গঢ় লৈছিল বাবে ইয়াক বৈদিক শিক্ষা বুলি কোৱা হয়। ই শিক্ষক আৰু শিক্ষার্থীৰ বাবে এক অধিসূচনা সদৃশ। বৈদিক শিক্ষাৰ প্ৰধান বৈশিষ্ট্য আছিল ব্যক্তিয়ে যাতে জীৱনৰ সকলো দিশতে আগবাঢ়ি যাব পাৰে।
- বৈদিক যুগত শিক্ষাৰ লক্ষ্য আছিল জীৱনৰ উচ্চ ভাৱধাৰা আৰু মূল্যবোধ প্ৰাপ্তি

হোৱা। শিক্ষাৰ মূল লক্ষ্য হৈছে আত্ম অনুভৱ বা নির্বাণ লাভ কৰা।

- বৈদিক শিক্ষাৰ লক্ষ্যসমূহ আদর্শবাদ দর্শনৰ ওপৰত প্রতিষ্ঠিত আছিল। এই সময়ত শিক্ষণ পদ্ধতি প্রধানকৈ মৌখিক আছিল। সেই সময়ত কোনো ছপা বা লিখিত মাধ্যমেৰে শিক্ষা প্রদান কৰা হোৱা নাছিল। বৈদিক মন্ত্র উচ্চাৰণৰ দ্বাৰা শিক্ষা প্রদান কৰা হৈছিল।
- এই শিক্ষা ব্যৱস্থাত মৌখিক পদ্ধতিৰ উপৰিও, চিন্তা (চিন্তন) আৰু স্মৃতিৰ (মনন) ওপৰত গুৰুত্ব দিয়া হৈছিল। শিক্ষকে শুদ্ধভাৱে মন্ত্র উচ্চাৰণ কৰিছিল আৰু শিক্ষার্থীসকলে একে ধৰণেৰে মাতি যাব লাগিছিল।
- বৈদিক যুগৰ পাঠ্যক্রম প্রধানকৈ বেদৰ তাত্ত্বিক আৰু ব্যৱহাৰিক নীতিৰ ওপৰত প্রতিষ্ঠিত আছিল। বেদৰ অধ্যয়ন বাধ্যতামূলক আছিল যদিও কলা আৰু হস্তশিল্পৰো জ্ঞান দিয়া হৈছিল।
- বৈদিক শিক্ষা ব্যৱস্থাত জ্ঞান আহৰণৰ বাবে কঠোৰ অনুশাসনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ধনী আৰু দুখীয়া নির্বিশেষে সকলো ছাত্রই গুৰুগৃহ গুৰুকুলত থাকি জ্ঞান আৰু শিক্ষা আহৰণ কৰিছিল। এই সময়ত গুৰু শিষ্যৰ সম্পর্ক অতি নিবিড় আছিল।
- উত্তৰ বৈদিক কাল খ্রী.পূ ১৪০০ চনৰ পৰা ৬০০ খ্রী.পূ. লৈ বা ঋগ বৈদিক সময়ৰ শেষৰ ছোৱাত আৰু বৌদ্ধিক আৰু জৈন যুগৰ আৰম্ভণিৰ সময়ছোৱাক ধৰা হয়। এই সময়ছোৱাক ব্রাহ্মণিক বা উপনিষদৰ কাল বুলি কোৱা হয়। উত্তৰ বৈদিক কালত কঠোৰতা আৰু উৎসর্গৰ পৰা ধর্মীয় উৎসৱলৈ পৰিবর্তন হোৱা দেখা যায়।
- উত্তৰ বৈদিক কালত শিক্ষাৰ প্রধান লক্ষ্য আছিল সঁচা জ্ঞান আহৰণ কৰা আৰু পৰম ব্রহ্মক লাভ কৰা। প্রকৃত জ্ঞান হৈছে আত্মাৰ চৰম অনুভৱ, পৰম ব্রহ্ম আৰু পৃথিৱী।
- উত্তৰ বৈদিক কালৰ পাঠ্যক্রম পিছৰ বেদসমূহৰ তাত্ত্বিক আৰু ব্যৱহাৰিক নীতি তথা ব্রাহ্মণক, আৰণ্যক, উপনিষদ আদিৰ ওপৰত প্রতিষ্ঠিত আছিল।
- গুৰুকুল বা পৰিষদত নাম ভর্তিকৰণ আৰু শিক্ষা আহৰণৰ প্রধান গুণ আছিল শৃংখলাবদ্ধতা। উপনয়ন অনুষ্ঠান সমাপ্তিৰ পিছত ব্রাহ্মণ, ক্ষত্রিয় আৰু মহিলা সকলে গুৰুৰ তত্ত্বাৱধানত গুৰু গৃহত শিক্ষা লাভ কৰিছিল।
- বৈদিক যুগৰ কিছুমান বৈশিষ্ট্য হৈছে — মুক্ত শিক্ষা, ৰাষ্ট্রৰ নিয়ন্ত্রণ নথকা, শিক্ষকৰ উচ্চ আসন, পিতৃ-মাতৃ সদৃশ শিক্ষক, মৌখিক শিক্ষণ পদ্ধতি, আত্ম অধ্যয়ন নিয়মৰ মাজেৰে জীৱন আৰু ব্যক্তিৰ সর্বোতমুখী বিকাশ।
- বৈদিক যুগৰ শিক্ষাৰ সুফলবোৰ হৈছে - শিক্ষার্থীৰ সর্বোতমুখী বিকাশ, উপযুক্ত চৰিত্র গঠনৰ বাবে অনুশাসন তাত্ত্বিক দিশতকৈ ব্যৱহাৰিক দিশত গুৰুত্ব, সমাজৰ সকলো শ্রেণীৰ লোকৰ মাজত সাংস্কৃতিক বন্ধন, শিক্ষক-শিক্ষার্থীৰ নিবিড় সম্পর্ক। ইয়াৰ কুফলসমূহ হৈছে শিক্ষা সম্পূর্ণৰূপে ধর্মৰ দ্বাৰা প্রভাৱিত, শিক্ষাত ক্ষুদ্র সকলৰ সহযোগ নাছিল, কঠোৰ বিশ্বাস আদি আছিল।



১.৮ অধিক জানিবলৈ

১) দাস, ডঃ লক্ষ্যহীৰা ঃ *সম্পূর্ণ শিক্ষা*

২) ডেকা, ডঃ বীৰেন্দ্র ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী

৩) বৰদলৈ, ডঃ অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

৪) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যি শিক্ষা ব্যৱস্থা বেদৰ পৰা আৰম্ভ হৈছে আৰু বেদৰ নীতিৰ ওপৰত প্রতিষ্ঠিত তাক আমি বৈদিক শিক্ষা ব্যৱস্থা বুলিব পাৰোঁ। এই শিক্ষাই শিক্ষক শিক্ষার্থীৰ অধিসূচনাৰ ওপৰত গুৰুত্ব দিছিল। এই শিক্ষা ব্যৱস্থাৰ প্রধান লক্ষ্য আছিল ব্যক্তিক জীৱনৰ সকলো দিশতে উন্নতি কৰোৱা।

২ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাৰ প্রধান উদ্দেশ্য আছিল নির্বাণ বা আত্ম উপলব্ধি লাভ কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ বেদ চাৰিখন হৈছে ঋগ বেদ, সামবেদ, যর্জুৰ বেদ আৰু অথর্ব বেদ।

৪ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ বৈদিক কালৰ আৰম্ভণি হৈছে খ্রী.পূ. ১৪০০ চনৰ পৰা খ্রী.পূ ৬০০ চনলৈ বা ঋগ বৈদিক কালৰ সমাপ্তিৰ কালছোৱা আৰু বৌদ্ধ আৰু জৈন যুগৰ আৰম্ভণিৰ কালছোৱা। এই সময়ছোৱাক ব্রাহ্মণিক বা উপনিষদৰ কাল বুলি কোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ গুৰুকুল হৈছে অতীতৰ শৈক্ষিক অনুষ্ঠান য'ত শিক্ষার্থীসকলে গুৰুৰ ঘৰত থাকি শিক্ষা গ্রহণ কৰে। সাধাৰণতে, বৈদিক যুগৰ শিক্ষাৰ মূল পদ্ধতি আছিল মৌখিক।



১.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন শাখাবোৰ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু পদ্ধতি উল্লেখ কৰক।

প্রশ্ন ৩ ঃ বৈদিক কালৰ পাঠ্যক্রমৰ সংগঠন সম্পর্কে ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৈদিক আৰু উত্তৰ বৈদিক কালৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বৈদিক শিক্ষাৰ সুফল আৰু কুফলসমূহ লিখক।

প্রশ্ন ৩ ঃ বৈদিক যুগৰ শিক্ষাৰ শিক্ষণ পদ্ধতি ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যবোৰ চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৫ ঃ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা বর্ণনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ বৌদ্ধ ধর্মীয় শিক্ষা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ বৌদ্ধধর্মীয় যুগৰ শিক্ষা

- ২.৩.১ বৌদ্ধধর্মীয় শিক্ষাৰ অর্থ
- ২.৩.২ বৌদ্ধধর্মীয় শিক্ষাৰ লক্ষ্য
- ২.৩.৩ বৌদ্ধধর্মীয় শিক্ষাৰ পদ্ধতি
- ২.৩.৪ বৌদ্ধধর্মীয় শিক্ষাৰ পাঠ্যক্রম
- ২.৩.৫ বৌদ্ধধর্মীয় শিক্ষাৰ অনুশাসন
- ২.৩.৬ বৌদ্ধধর্মীয় শিক্ষাৰ ভূমিকা

২.৪ বৌদ্ধধর্মীয় শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

২.৫ বৌদ্ধধর্মীয় শিক্ষাৰ সুফল আৰু কুফলসমূহ

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৌদ্ধধর্মীয় শিক্ষা ব্যৱস্থাৰ অর্থ উলিয়াব পাৰিব।
- বৌদ্ধধর্মীয় যুগৰ শিক্ষাৰ লক্ষ্য জানিব পাৰিব।
- বৌদ্ধধর্মীয় যুগৰ শিক্ষণ পদ্ধতি, পাঠ্যক্রম, অনুশাসন, শিক্ষকৰ ভূমিকা বর্ণনা কৰিব পাৰিব।
- বৌদ্ধধর্মীয় শিক্ষাৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰিব পাৰিব।
- বৌদ্ধধর্মীয় শিক্ষাৰ সুফল আৰু কুফলসমূহ চিনাক্ত কৰিব পাৰিব।

২.২ পৰিচয়

বৌদ্ধধর্মীয় শিক্ষা হৈছে শিক্ষাৰ এটা গুৰুত্বপূর্ণ ব্যৱস্থা, যিটো ব্যৱস্থা খ্রীঃ পূঃ ৬০০ শতিকাৰ পৰা আৰম্ভ হৈ প্রায় ১২ শ বছৰকাল ৬০০ খ্রীঃ লৈ বর্তি আছিল। ব্রাহ্মণিক বা বৈদিক শিক্ষা ব্যৱস্থাৰ বিভিন্ন কেৰোণৰ ফলত এই শিক্ষা ব্যবস্থাই গা কৰি উঠিছিল, বৌদ্ধ

দর্শন আছিল শক্তিশালী আৰু ই ৰাজকীয় পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছিল, তদুপৰি ই ভাৰতীয় সমাজ তথা শিক্ষাৰ ক্ষেত্ৰত নিজৰ স্থান উলিয়াবলৈ সক্ষম হৈছিল। আমি যদি বৈদিক যুগৰ দুৰ্বলতা সমূহ লক্ষ্য কৰো, আমি দেখিবলৈ পাওঁ যে জাতিগত প্ৰথা যেনে পুৰোহিত সকলে উচ্চ স্থানত আছিল, কঠোৰ শাস্তি প্ৰৰ্বতিত আছিল, পালি ভাষাৰ দৰে অন্যান্য ভাষাৰ তুলনাত সংস্কৃত ভাষাক প্ৰাধান্য দিয়া হৈছিল। বৌদ্ধ শিক্ষা ব্যৱস্থা প্ৰৰ্তিত হোৱাৰ মূলতে আছিল গৌতম বুদ্ধই বৈদিক শিক্ষাৰ দুৰ্বলতাসমূহ উদ্দেশ্যহীন জ্ঞান কৰিছিল। তেওঁ ধৰ্ম আৰু জীৱনৰ মৌলিক সমস্যাৰ সৈতে জড়িত কিছুমান নতুন নীতি উদ্ভাৱন কৰিছিল। তেওঁ ধৰ্মক এটা নতুন ৰূপত গঢ় দিছিল, যাক সেই সময়ত জনসাধাৰণে আন্তৰিকতাৰে গ্ৰহণ কৰিছিল।

বৌদ্ধ শিক্ষা ব্যৱস্থা গৌতম বুদ্ধৰ শিকনিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সেই শিকনিবোৰ ইমানেই গুৰুত্বপূৰ্ণ আছিল যে ভাৰতৰ ব্যক্তি আৰু সমাজৰ বিকাশৰ ক্ষেত্ৰত প্ৰেৰণা যোগাইছিল। হিন্দু ধৰ্মৰ নিচিনা বৌদ্ধ ধৰ্মক এক দৰ্শন, এক ধৰ্ম, এক শিক্ষা ব্যৱস্থা আৰু জীৱনৰ পথ হিচাপে বিবেচনা কৰা হয়।

নিৰ্বাণ লাভৰ পিছত গৌতম বুদ্ধই অনুভৱ কৰিছিল যে মানৱ জীৱন দুখ-কষ্টৰে ভৰপূৰ, সেইবাবে মানৱ জীৱনৰ উদ্দেশ্য "নিৰ্বাণ" প্ৰাপ্তি হোৱা উচিত। যদিও আমি বাহ্যিক দিশত বৈদিক আৰু বৌদ্ধ যুগৰ মাজত পাৰ্থক্য দেখিবলৈ পাওঁ, কিন্তু কিছুমান দিশত যেনে আত্মাৰ সংজ্ঞা, দুখ, মুক্তি লাভ, কৰ্ম আৰু পদাৰ্থ আদিৰ ক্ষেত্ৰৰ দুয়োটাৰ মাজত সাদৃশ্য আছে। বৌদ্ধ শিক্ষাৰ আকৰ্ষণীয় বৈশিষ্ট্য হৈছে সোণালী অৰ্থৰ মতবাদক গুৰুত্ব দিয়া বা অধ্যবৰ্তী পথ, যিয়ে সকলোৰে অতিমাত্ৰা পৰিহাৰ কৰে। ইয়াৰ ফলতেই ভাৰতীয় সমাজত এই নতুন ব্যৱস্থাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছিল।

বৈদিক যুগৰ গুৰুকুলৰ নিচিনা, বৌদ্ধ শিক্ষা বিহাৰ বা সংঘত (মঠ) আৰম্ভ হৈছিল। সমগ্ৰ শিক্ষা ব্যৱস্থাটো ভিক্ষুসকলে চোৱাচিতা কৰিছিল। বৌদ্ধ শিক্ষাত ধৰ্ম আৰু ধৰ্ম নিৰপেক্ষতা দুয়োপ্ৰকাৰৰ শিক্ষা দিয়া হৈছিল। বৈদিক শিক্ষা ব্যৱস্থাৰ দৰে, বৌদ্ধ শিক্ষাৰ আৰম্ভণিতো এটা উৎসৱ উদ্‌যাপন কৰা হৈছিল। এই অধ্যায়ত আমি বৌদ্ধ শিক্ষাৰ অৰ্থ, ইয়াৰ লক্ষ্য আৰু বৈশিষ্ট্যসমূহ, শিক্ষণ পদ্ধতি, পাঠ্যক্ৰম, অনুশাসন, সবলতা আৰু দুৰ্বলতাসমূহৰ বিষয়ে জানিব পাৰিম।

২.৩ বৌদ্ধধৰ্মীয় যুগৰ শিক্ষা ব্যৱস্থা

ভাৰতবৰ্ষত বৌদ্ধ যুগত কি ধৰণৰ শিক্ষা প্ৰৰ্তিত আছিল তাক আমি জনা উচিত। তলত বৌদ্ধ শিক্ষাৰ ধাৰণা, ইয়াৰ লক্ষ্য আৰু পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি আৰু শিক্ষকৰ ভূমিকা সম্পৰ্কে বৰ্ণনা কৰা হৈছে।

২.৩.১ বৌদ্ধধৰ্মীয় শিক্ষাৰ অৰ্থ

বৌদ্ধধর্মীয় শিক্ষা ব্যৱস্থা প্রধানকৈ গৌতম বুদ্ধৰ নীতিবোৰৰ ওপৰত প্রতিষ্ঠিত আছিল। তেওঁ মানুহক দুখ-কষ্টৰ পৰা মুক্তি দিব বিচাৰিছিল, মানৱ জীৱনৰ দুখৰ কাৰণ নির্ণয় কৰিছিল আৰু আত্মাৰ মোক্ষ প্রাপ্তি হোৱাটো বিচাৰিছিল। বৌদ্ধ দর্শনে কর্মৰ নীতিত বিশ্বাস কৰিছিল, য'ত কোৱা হৈছিল যে মানুহৰ অতীত কর্মৰ ফলাফলে তেওঁৰ অস্তিত্ব নির্ধাৰণ কৰে। বৌদ্ধ দর্শনক ত্রিপিটক হিচাপে জনা যায়। এই ত্রিপিটক বোৰ হৈছে —

- বিনয়াপিটকা (Vinayapitaka) (নীতিসমূহ)
- সুতপিটকা (Suttapitaka) (বুদ্ধৰ উপদেশ)
- অভিধমপিটকা (Abhidhammapitaka) (দর্শনৰ তত্ত্বৰ প্রকাশ)

বৌদ্ধ ধর্মই শিক্ষাৰ নতুন পথ উলিয়াইছিল, যিয়ে সৎ জীৱনৰ পথ দেখুৱায়। সমগ্র বৌদ্ধ শিক্ষা ব্যৱস্থা চাৰিটা মহৎ সত্যৰ ওপৰত প্রতিষ্ঠিত আছিল।

- দুখ-কষ্টৰ সত্য (কুটাই) (Kurai) — পৃথিৱীখন দুখ আৰু কষ্টৰে ভৰপূৰ।
- দুখ-কষ্টৰ কাৰণৰ সত্য (জুটাই) (Jutai) — কষ্টৰ অন্তৰালৰ কাৰণ হৈছে কর্মৰ অজ্ঞতা।
- দুখৰ পৰিসমাপ্তিৰ সত্য (মেটাই) (Mettai) — নির্বাণৰ দ্বাৰা সকলো দুখ কষ্টৰ অন্ত পেলোৱা।
- কষ্টৰ অন্ত পেলোৱা পথৰ সত্য - (দুটাই) (Dotai) — সকলো কষ্টৰ পৰা মুক্ত হ'বলৈ অষ্টমার্গ সত্যৰ পথ লোৱা বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মূল খুটি আছিল।

অষ্ট মার্গবোৰ হৈছে —

- *শুদ্ধ মত ঃ* অন্ধ বিশ্বাস, বিপথে পৰিচালিত হোৱাৰ পৰা নিজকে মুক্ত ৰাখি জীৱনৰ সত্য পথ চোৱা।
- *শুদ্ধ চিন্তা ঃ* পৃথিৱীৰ বেয়া দিশৰ পৰা নিজকে মুক্ত ৰাখি সত্যৰ পথত ধাৱমান হোৱা।
- *শুদ্ধ কথা ঃ* বেয়া আৰু হানিকাৰক কথা কোৱাৰ পৰা বিৰত থাকি সকলোৰে সৈতে মধুৰ ব্যৱহাৰ কৰা।
- *শুদ্ধ কর্ম ঃ* আমাৰ কর্মবোৰ যাতে শান্তিপূর্ণ, নম্র আৰু পবিত্র হয় আৰু বুদ্ধৰ শিকনি সদায় প্রচাৰ কৰা।
- *শুদ্ধ বৃত্তি অৱলম্বন ঃ* জীয়াই থাকিবৰ বাবে শুদ্ধবৃত্তি নির্বাচন কৰা।
- *শুদ্ধ চেষ্টা ঃ* অজ্ঞতা আৰু আত্মকেন্দ্রিক কার্যবোৰ পৰিহাৰ কৰি ভাল কামৰ চেষ্টা কৰা।
- *শুদ্ধ মন ঃ* শুদ্ধ আৰু পবিত্র চিন্তা কৰি মন পবিত্র ৰখা।
- *শুদ্ধ ধ্যান ঃ* আমাৰ ইচ্ছা বুদ্ধ, তেওঁৰ জীৱন আৰু শিকনৰ ওপৰত মনোনিবেশ কৰা।

এই অষ্ট মার্গসমূহে অনুশাসন, ধ্যান আৰু জ্ঞান, শিক্ষণৰ তিনিটা ধাৰা আদিক সামৰি লৈছে। অনুশাসন বা শৃংখলাবদ্ধতাৰ দ্বাৰা শৰীৰ আৰু মন নিয়ন্ত্রণত ৰাখে, ধ্যানৰ মনক ঐক্যবদ্ধ কৰিবলৈ শিকে, কঠোৰ অনুশীলন, শৃংখলাবদ্ধতা আৰু ধ্যানৰ দ্বাৰা ব্যক্তিয়ে জ্ঞান অর্জন কৰে যাৰ দ্বাৰা অজ্ঞান আন্ধাৰ দূৰ হয় আৰু সঁচা জ্ঞান লাভ কৰে।

বৌদ্ধ শিক্ষা ব্যৱস্থাত, শিক্ষাৰ সময়ছোৱাত দুটা গুৰুত্বপূর্ণ উৎসৱ পতা হয়। এই কেইটা হৈছে পব্বজা (Pabbaja) আৰু উপসম্পদা (Upasampada) উৎসৱ। পব্বজা উৎসৱটো হৈছে বৌদ্ধ ভিক্ষুসকলৰ আৰম্ভণিৰ পর্ব। 'পব্বজা' অর্থ হৈছে — "বাহিৰলৈ অহা"। এই অনুষ্ঠানটোৰ অর্থ হৈছে ছাত্রৰ বৈষয়িক আৰু পৰিয়ালৰ সম্পর্ক এৰি সংঘত প্রৱেশ কৰা। সংঘত নামভর্তিৰ পিছত ছাত্রক শ্রমণ বুলি জনা যায়। ১২ বছৰ কাল শিক্ষা গ্রহণৰ পিছত উপসম্পদা অনুষ্ঠান সম্পন্ন কৰা হয়। ইয়াৰ পিছত শ্রমণ সকল সংঘৰ পূর্ণাংগ সদস্য হৈ পৰে। বৌদ্ধ শিক্ষাই জাতি, ধর্ম, বর্ণ, স্থান নির্বিশেষে সকলোকে সমানে গুৰুত্ব দিছিল। শিক্ষা সকলোৰে বাবে মুক্ত আছিল আৰু প্রত্যেকে আত্ম বিকাশ আৰু বৃদ্ধিৰ সুযোগ পাইছিল।

২.৩.২ শিক্ষাৰ লক্ষ্য

বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মতে, শিক্ষাৰ প্রধান লক্ষ্য হৈছে সমাজৰ নতুন প্রজন্মক বৌদ্ধ নীতিৰ দ্বাৰা প্রভাৱিত কৰা। তদুপৰি, অন্য এক লক্ষ্য হৈছে সাধাৰণ মানুহৰ মাজত বৌদ্ধ শিক্ষা প্রচাৰৰ বাবে ভিক্ষু সকলক প্রশিক্ষণ দিয়া। যিহওক, এই শিক্ষাৰ অন্য কিছুমান লক্ষ্য তলত দাঙি ধৰা হ'ল —

- ব্যক্তিত্বৰ সর্বোতমুখী বিকাশ — বৌদ্ধ শিক্ষাৰ প্রধান লক্ষ্য আছিল ব্যক্তিত্বৰ সর্বোতমুখী বিকাশ, যিয়ে শাৰীৰিক, মানসিক, নৈতিক আৰু বৌদ্ধিক বিকাশৰ অন্তর্ভুক্ত কৰে।
- চৰিত্র গঠন — বৌদ্ধ শিক্ষাই ছাত্রৰ চৰিত্র গঠনত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ বাবে ছাত্রসকলে কঠিন আৰু কঠোৰ জীৱন যাপন আৰু ব্রহ্মচার্য্য ব্রত পালন কৰিছিল।
- ধর্মীয় বিকাশ — বৌদ্ধ শিক্ষাত ধর্মক আগস্থান দিয়া হৈছিল। শিক্ষাৰ প্রধান লক্ষ্য আছিল ধর্মৰ বিকাশ আৰু ধর্মীয় অনুভূতিৰ প্রসাৰ, যাক নির্বাণ লাভৰ উপায় হিচাপে গণ্য কৰা হয়।
- জীৱনৰ প্রস্তুতি — বৌদ্ধ শিক্ষাই কেৱল ধর্মৰ ওপৰতে গুৰুত্ব দিয়া নাছিল, ই শিক্ষার্থীক ব্যৱহাৰিক জ্ঞানো দিছিল যাতে যেতিয়া ছাত্রই সাধাৰণ জীৱনলৈ ঘূৰি যায়, তেতিয়া যাতে জীৱনৰ প্রতি খোজতে খাপ খাব পাৰে।

- সামাজিক সমতা — বৌদ্ধ শিক্ষাই সমাজৰ সকলো লোকে জাতি, ধর্ম, বর্ণ, স্থান নির্বিশেষে শিক্ষাৰ সমান অধিকাৰ পোৱাটো বিচাৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বৌদ্ধ শিক্ষাৰ আৰম্ভণি কেতিয়া হৈছিল?

.....

.....

প্রশ্ন ২ ঃ বৌদ্ধ শিক্ষাৰ এটা গুৰুত্বপূর্ণ লক্ষ্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনত অষ্ট মার্গসমূহ কি আছিল?

.....

.....

২.৩.৩ শিক্ষণ পদ্ধতি

বৌদ্ধ শিক্ষা ব্যৱস্থাত সৎ চৰিত্র বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। 'বোধিসত্ব' লাভ কৰাৰ বাবে উপযুক্ত মানসিক আৰু নৈতিক বিকাশৰ গুৰুত্ব দিয়া হৈছিল। ইয়াৰ বাবে বিভিন্ন শিক্ষণ পদ্ধতিত গুৰুত্ব দিয়া হৈছিল, সেইবোৰ হৈছে — **মৌখিক শিক্ষা** — যদিও বৌদ্ধ যুগত লিখিত সামগ্রীৰ বিকাশ ঘটিছিল, তথাপিও শিক্ষা প্রদানৰ মূল পদ্ধতি আছিল মৌখিক। শিক্ষকে বিভিন্ন কিতাপৰ পৰা প্রশ্ন সুধিছিল আৰু ছাত্রই তাক মৌখিকভাৱে শিকিব লাগিছিল।

- *আলোচনা ঃ* জনসাধাৰণক প্রভাৱিত কৰিবলৈ, আলোচনাত জয় লাভ কৰিবলৈ, আলোচনাক গুৰুত্বপূর্ণ হিচাপে বিবেচনা কৰা হৈছিল। সেইবাবে আলোচনা হৈছে বৌদ্ধ শিক্ষাৰ গুৰুত্বপূর্ণ শিক্ষণ পদ্ধতি।
- *যুক্তিৰ তর্কৰ গুৰুত্ব ঃ* বৌদ্ধ যুগত, মানসিক শক্তি আৰু জ্ঞান বৃদ্ধিৰ বাবে তর্কক গুৰুত্ব দিয়া হৈছিল। বিতর্কিত বিষয়সমূহ যুক্তি, তর্কৰ দ্বাৰা সমাধান কৰা হৈছিল।
- *আলোচনা চক্র ঃ* প্রত্যেক পূর্ণিমা আৰু মাহৰ প্রথম দিনত বৌদ্ধ সংঘত আলোচনা চক্র অনুষ্ঠিত কৰা হয়। বিভিন্ন সংঘৰ ভিক্ষুসকল একগোট হয় আৰু নিজৰ সন্দেহবোৰ দূৰ কৰে আৰু বিভিন্ন বিষয়ত ইয়াত আলোচনা কৰা হয়।
- *ধ্যান ঃ* বৌদ্ধ শিক্ষা ব্যৱস্থাত, প্রকৃত জ্ঞান আহৰণত ধ্যানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তেওঁলোকে দৈনন্দিন জীৱনত সদায় ধ্যানক প্রাধান্য দিছিল।

২.৩.৪ পাঠ্যক্রম

বৌদ্ধিক শিক্ষা ব্যৱস্থাত, পাঠ্যক্রমত সাধাৰণতে ধর্মৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। শিক্ষাৰ প্রধান লক্ষ্য হৈছে নির্বাণ বা মুক্তি লাভ কৰা। সেইবাবে, তেওঁলোকে ধর্মীয় কিতাপৰ অধ্যয়ন কৰাটো জীৱনৰ এক অংশ হিচাবে বিবেচনা কৰিছিল। এনেধৰণৰ পাঠ্যক্রমে কেৱল ভিক্ষুসকলৰ বাবে আছিল। তদুপৰি, বৌদ্ধ শিক্ষাৰ আন বিষয়বোৰ হৈছে চিলাই, ছবি আঁকা, কাপোৰ চিলোৱা, বাণিজ্য, চিকিৎসা, শল্য চিকিৎসা ইত্যাদি। শিক্ষাৰ প্রাথমিক স্তৰত, 3R's শিক্ষাত (পঢ়া, লিখা আৰু গণিত) গুৰুত্ব দিয়া হৈছিল। উচ্চ স্তৰত, ধর্ম, দর্শন, সেনা, বিজ্ঞান, চিকিৎসা, যুক্তিতর্ক, বুদ্ধৰ আগৰ জীৱনৰ অধ্যয়ন ইত্যাদি শিকোৱা হৈছিল। চমুকৈ ক'ব পাৰো যে, বৈদিক শিক্ষা সুতন্ত্র, বিনয় আৰু ধর্মক কেন্দ্র কৰি ঘূৰি আছিল।

২.৩.৫ অনুশাসন

বৌদ্ধ শিক্ষা ব্যৱস্থাত বিভিন্ন নীতিৰ দ্বাৰা অনুশাসন প্রবর্তিত হয়। ছাত্র সকলক বেয়া কার্য্যৰ পৰা বিৰত ৰখা হয়। অধার্মিক কার্য্য ত্যাগ কৰি নৈতিকতা বজাই ৰখাটো হৈছে বৌদ্ধ শিক্ষাৰ মূল অনুশাসনৰ নীতি। কিছুমান কার্য্য যেনে চুৰি কৰা, মৰা, বেয়া কথা কোৱা, এলেহুৱাভাবে কথাপাতি থকা, মিছা কথা কোৱা, অসৎ কার্য্য কৰা ইত্যাদিবোৰক বেয়া কার্য্য হিচাবে বিবেচনা কৰা হয় আৰু যিসকলে এনেবোৰ কার্য্য কৰে তেওঁলোকক শাস্তি দিয়া হয়। বিভিন্ন সুত্রত বুদ্ধই কৈছে যে বেয়া কাম কৰাতকৈ মৃত্যুৱে শ্রেয়, যিবোৰে নির্বাণৰ চৰম লক্ষ্যত উপনীত হোৱাত আৰু পুনর্জন্মৰ দুখ কষ্টৰ পৰা মুক্ত হোৱাৰ ক্ষেত্রত বাধা জন্মায়। বুদ্ধ বিহাৰত থকাৰ সময়ত ছাত্রসকলে এক শৃংখলাবদ্ধ জীৱন যাপন কৰিছিল। ছাত্রসকলে বেয়া কামত লিপ্ত হ'লে শিক্ষকে তেওঁলোকক বহিষ্কাৰ কৰিব পাৰিছিল।

২.৩.৬ শিক্ষকৰ ভূমিকা

বৌদ্ধ শিক্ষা ব্যৱস্থাত, শিক্ষকৰ ভূমিকা যথেষ্ট গুৰুত্বপূর্ণ আছিল। ছাত্র আৰু শিক্ষকৰ মাজৰ সম্পর্ক পৰস্পৰ বুজাবুজি আৰু মৰমৰ আছিল। বৈদিক যুগৰ নিচিনা ছাত্রই ইয়াত সকলো ঘৰুৱা কাম কাজৰ দায়িত্ব লৈছিল। শিক্ষকে নিজৰ সন্তানৰ দৰে ছাত্র সকলক চোৱাচিতা কৰিছিল। শিক্ষকে য'লৈ গৈছিল লগত ছাত্রসকলো গৈছিল। শিক্ষকে ছাত্রক আচৰণ, শৃংখলা, সৰলতা আৰু নিচা এৰাৰ পাঠ শিকাইছিল। তেওঁ এনে গুণবোৰ কেৱল মৌখিকভাবে শিকোৱা নাছিল, বাস্তৱ ক্ষেত্রত প্রয়োগ কৰিও শিকাইছিল। ছাত্রৰ উন্নতিৰ কাৰণে শিক্ষকে নিজৰ জীৱনো উৎসর্গিত কৰিছিল। কোনো ধৰণৰ স্বার্থ নোহোৱাকৈ শিক্ষক সকলে নিজকে আজীৱন শিক্ষার্থী হিচাবে বিবেচনা কৰিছিল। এনেদৰে বৌদ্ধ শিক্ষা ব্যৱস্থাত, শিক্ষকে ছাত্রসকলক অন্তৰৰ পৰা অনুশাসিত হৈ পবিত্র জীৱন যাপনৰ বাবে উৎসাহিত কৰিছিল।



জানি থওঁ আহক

- বৌদ্ধ শিক্ষা ব্যৱস্থা চাৰিটা মহৎ সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছিল যেনে - দুখ কষ্টৰ সত্য (কুটাই), দুখ কষ্টৰ কাৰণৰ সত্য (জুতাই), দুখৰ পৰিসমাপ্তিৰ সত্য (মোটাই) আৰু কষ্ট অন্ত পেলোৱা পথৰ সত্য (দুটাই)।
- বৌদ্ধ শিক্ষা ব্যৱস্থাৰ অষ্ট মাৰ্গ হৈছে — শুদ্ধ মত, শুদ্ধ চিন্তা, শুদ্ধ কথা, শুদ্ধ কৰ্ম, শুদ্ধ বৃত্তি অবলম্বন, শুদ্ধ চেষ্টা, শুদ্ধ মন আৰু শুদ্ধ ধ্যান।
- বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষাৰ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হৈছিল — মৌখিক শিক্ষা, আলোচনা, যুক্তি তৰ্ক, আলোচনা চক্ৰ আৰু ধ্যান।

২.৪ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্যসমূহ

বৌদ্ধ শিক্ষা ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্যসমূহ হৈছে —

- এই শিক্ষা ব্যৱস্থাত বিহাৰ বা সংঘসমূহত শিক্ষা প্ৰদান কৰা হৈছিল।
- এই ব্যৱস্থাত পাৰ্থিৱ সুখ, লাহ-বিলাসক ত্যাগ কৰিব লাগিছিল।
- পব্বজা অনুষ্ঠান সম্পন্ন কৰাৰ পিছত তেওঁলোকে সংঘত প্ৰৱেশ কৰিছিল আৰু তাত ভিক্ষুসকলৰ লগত ১২ বছৰ কাল শিক্ষা গ্ৰহণ কৰিছিল।
- ছাত্ৰ সকলে ভিক্ষুসকলৰ তত্ত্বাৱধান আৰু মৰমত সুশৃংখল জীৱন যাপন কৰি নিজকে বেয়া কামৰ পৰা আঁতৰাই ৰাখিছিল।
- শিক্ষাৰ শেষত দ্বিতীয় পৰ্য্যায়ৰ অনুষ্ঠান উপসম্পদা পালন কৰা হৈছিল, যেতিয়া ছাত্ৰ সকলে পূৰ্ণ পৰ্য্যায়ৰ ভিক্ষুৰ গুণ আয়ত্ত কৰিছিল।
- বৌদ্ধ শিক্ষা ব্যৱস্থাত পৰম লক্ষ্য আছিল মুক্তি লাভ বা নিৰ্বাণ।
- শিক্ষা প্ৰাকৃতিক পৰিবেশত আনন্দেৰে দান কৰা হৈছিল।
- এই শিক্ষা ব্যৱস্থাত, ছাত্ৰই কঠোৰ জীৱন যাপন কৰিব লাগিছিল আৰু কঠোৰ নৈতিকতা মানি চলিছিল। চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল।
- জাতি, ধৰ্ম, বৰ্ণ, অৰ্থনৈতিক অবস্থা নিৰ্বিশেষে সকলোৱে শিক্ষাৰ সমান সুবিধা লাভ কৰিছিল; ই হৈছে - বৌদ্ধ শিক্ষা ব্যৱস্থাৰ এক বিশেষ বৈশিষ্ট্য।
- পৃথিৱীৰ সকলো ঠাইতে বৌদ্ধ দৰ্শন আৰু ভাৱধাৰা বিকাশ কৰিবলৈ ভিক্ষুসকলে ঐক্যবদ্ধ হৈ কাম কৰিছিল।

২.৫ বৌদ্ধ শিক্ষাৰ সবলতা আৰু দুৰ্বলতাসমূহ

বৌদ্ধ শিক্ষাৰ কিছুমান সবলতা হৈছে এনে ধৰণৰ —

- এই শিক্ষা ব্যৱস্থাই অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাত বিপ্লৱ আনিছিল আৰু ভাৰতৰ শিক্ষা

ব্যৱস্থাত এক শক্তিশালী শিক্ষা ব্যৱস্থা ৰোপণ কৰিছিল।

- এই ব্যৱস্থাটো ঠেক ধর্মীয় আৰু জাতিভেদৰ পৰা আঁতৰত আছিল আৰু সমাজৰ সকলো শ্রেণীৰ লোকৰ বাবে শিক্ষা মুক্ত আছিল।
- বৌদ্ধ শিক্ষা সুপৰিচালিত বিহাৰ আৰু সংঘসমূহত প্রদান কৰা হৈছিল— যিবোৰ ভিক্ষুসকলৰ দ্বাৰা পৰিচালিত হৈছিল।
- শিক্ষক আৰু ছাত্রৰ মাজত আন্তৰিকতাপূর্ণ সম্পর্ক আছিল, শিক্ষকে ছাত্রক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল আৰু ছাত্রসকলেও শিক্ষকক নিজৰ অভিভাৱক হিচাবে মানি চলিছিল।
- বিহাৰ আৰু সংঘসমূহত ছাত্রসকলে শৃংখলাবদ্ধ জীৱন যাপন কৰিছিল আৰু চৰিত্র গঠন তথা ব্যক্তিত্ব বিকাশ প্রধানকৈ গুৰুত্ব আৰোপ কৰা হৈছিল।

বৌদ্ধ যুগৰ কিছুমান দুর্বলতা —

- বৌদ্ধ শিক্ষা বিহাৰ আৰু সংঘ সমূহত প্রদান কৰা হৈছিল; কিন্তু সাধাৰণ মানুহৰ বাবে শিক্ষা ব্যৱস্থা নাছিল।
- ব্যৱহাৰিক জগতত উপযুক্ত সুখ প্রাপ্ত জীৱন কটোৱাটো সম্ভৱপৰ নহয়।
- ই চমৎকাৰ, মহৎ বাণী, যাদু, ভৰিষ্যত বাণী আৰু অন্য অন্ধবিশ্বাসবোৰত অতি মাত্রা গুৰুত্ব দিছিল।
- ভগৱান সচেতনতাৰ অভাৱ, পৃথিৱীৰ দুখ-কষ্ট আঁতৰাই বৈষয়িক দিশৰ সুখ-আনন্দ ত্যাগ কৰিছিল।
- বৌদ্ধ শিক্ষাৰ অন্য এক দুর্বলতা হৈছে— বাস্তৱ জীৱনত ধর্মৰ প্রয়োগতকৈ বুদ্ধক পূজা কৰা।



জানি থোৱা ভাল

- বৌদ্ধ শিক্ষা পার্থিৱ সুখ আনন্দ, লাহ-বিলাস আদি পৰিত্যাগ কৰা হৈছিল।
- ছাত্রসকলে পব্বজা অনুষ্ঠান সম্পন্ন কৰি সংঘত প্রৱেশ কৰিছিল য'ত তেওঁলোকে ১২ বছৰ কাল শিক্ষা গ্রহণ কৰিছিল।
- বৌদ্ধ ভিক্ষুসকলৰ তত্ত্বাৱধানত ছাত্রসকলে শৃংখলাবদ্ধ জীৱন যাপন কৰিছিল আৰু বেয়া কাম কাজৰ পৰা আঁতৰত আছিল।
- শিক্ষাৰ শেষত তেওঁলোকৰ দ্বিতীয় উৎসৱ উপসম্পদা অনুষ্ঠিত কৰা হৈছিল, সেইসময়ত ছাত্রসকলে পূর্ণ ভিক্ষু হোৱাৰ যোগ্যতা অর্জন কৰিছিল।
- এই ব্যৱস্থাত চৰম লক্ষ্য হৈছে মুক্তি বা নির্বাণ লাভ কৰা।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰধানকৈ কি পদ্ধতি অৱলম্বন কৰা হৈছিল?

.....

.....

প্ৰশ্ন ৫ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ দুটা সবলতা লিখক।

.....

.....

প্ৰশ্ন ৬ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাত ছাত্ৰ-শিক্ষকৰ সম্বন্ধ কেনে আছিল?

.....

.....



চিন্তা-চৰ্চা কৰক — ২.১

আধুনিক শিক্ষা ব্যৱস্থা আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মাজত পাৰ্থক্য উলিয়াই লিখক। আপোনাৰ মতামত আৰু যুক্তি দৰ্শাওক।

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধ শিক্ষা হৈছে এক গুৰুত্বপূৰ্ণ শিক্ষা ব্যৱস্থা, যি শিক্ষা খ্ৰীঃ পূঃ ৬০০ চনৰ পৰা প্ৰায় ১২ শ বছৰ কাল ৬০০ খ্ৰীঃ লৈ বৰ্তি আছিল।
- বৈদিক আৰু ব্ৰাহ্মণিক শিক্ষাত থকা কিছুমান কেৰোণৰ ফলত এই শিক্ষা ব্যৱস্থা গা কৰি উঠিছিল। এই শিক্ষা ব্যৱস্থা ৰাজকীয় পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছিল, তাৰোপৰি ই ভাৰতীয় সমাজ তথা শিক্ষাৰ ক্ষেত্ৰত নিজৰ স্থান উলিয়াবলৈ সক্ষম হৈছিল।
- বৌদ্ধ শিক্ষাৰ আটাইতকৈ আকৰ্ষণীয় বৈশিষ্ট্য হৈছে ই সোণালী অৰ্থৰ মতবাদক গুৰুত্ব দিয়ে বা মধ্যবৰ্তী পথক গুৰুত্ব দিয়ে, যিয়ে সকলোৰে অতিমাত্ৰ পৰিহাৰ কৰে।
- ইয়াৰ ফলতেই ভাৰতীয় সমাজত এই নতুন ব্যৱস্থাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছিল।
- বৈদিক শিক্ষাৰ গুৰুকুল ব্যৱস্থাৰ দৰে, বৌদ্ধ শিক্ষা মঠ বা বিহাৰ আৰম্ভ কৰিছিল। সমগ্ৰ শিক্ষা ব্যৱস্থা পৰিচালনা কৰিছিল মঠ বা সংঘ থকা ভিক্ষুসকলে।
- বৌদ্ধ শিক্ষা ব্যৱস্থা প্ৰধানকৈ গৌতম বুদ্ধৰ নীতি সমূহৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

তেওঁ মানুহক পার্থিৱ দুখ কষ্টৰ পৰা মুক্তি দিয়াৰ পথ নির্ণয় কৰিছিল, পার্থিৱ সুখ-শান্তিৰ পৰা বিৰত থাকি মুক্তিৰ পথ (নির্বাণ) দেখুৱাইছিল।

- বৌদ্ধ দর্শনে 'ধর্ম'ৰ নীতি বিশ্বাস কৰিছিল যাক "ত্রিপিটক" বুলি জনা যায়। চাৰিটা মহৎ সত্য যেনে কুটাই, জুটাই, মেটাই আৰু দুটাই আৰু অষ্ট মার্গৰ ওপৰত ভিত্তি কৰি বৌদ্ধ শিক্ষাই সকলো দুখ কষ্টৰ পৰা মুক্ত হৈ চৰম বাস্তৱতা লাভ কৰিছিল।
- বৌদ্ধ শিক্ষা ব্যৱস্থাত, শিক্ষাৰ সময়ছোৱাত দুটা গুৰুত্বপূর্ণ উৎসৱ পালন কৰা হয়। এই দুটা হৈছে - পব্বজা আৰু উপসম্পদা অনুষ্ঠান। বৌদ্ধ শিক্ষা জাতি, ধর্ম, বর্ণ, স্থান ইত্যাদি নির্বিশেষে সকলোৰে শিক্ষাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰিছিল। শিক্ষা সকলোৰে বাবে মুক্ত আছিল আৰু প্রত্যেকে আত্ম-বিকাশ আৰু বৃদ্ধিৰ সুযোগ পাইছিল।
- বৌদ্ধ শিক্ষাৰ কিছুমান লক্ষ্য হৈছে - ব্যক্তিত্বৰ সর্বোতমুখী বিকাশ, চৰিত্র গঠন, ধর্মীয় বিকাশ, জীৱনৰ প্রস্তুতি আৰু সমতা।
- ইয়াত ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিসমূহ হৈছে — মৌখিক শিক্ষা, আলোচনা, আলোচনা চক্র আৰু ধ্যান।
- পাঠ্যক্রমত প্রধানকৈ ধর্মৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু শিক্ষাৰ মুখ্য লক্ষ্য আছিল মুক্তি (নির্বাণ) লাভ কৰা। ইয়াৰ উপৰিও, চিলাই, বোৱা কটা, কাপোৰত ছবি আঁকা, চিকিৎসা, শৈল্য চিকিৎসা, ইত্যাদিবোৰ হৈছে আন কিছুমান বৌদ্ধ শিক্ষাৰ বিষয়।
- বৌদ্ধ শিক্ষাত শিক্ষকৰ ভূমিকা যথেষ্ট গুৰুত্বপূর্ণ শিক্ষক আৰু ছাত্রৰ মাজত অতি নিবিড় সম্পর্ক আছিল।
- বৌদ্ধ শিক্ষাৰ কিছুমান বৈশিষ্ট্য হৈছে — শিক্ষা বিহাৰ বা মঠত প্রদান কৰা হয় আৰু পার্থিৱ সুখ-আনন্দ, লাহ-বিলাস আদি কঠোৰভাৱে পৰিত্যাগ কৰা হয়।
- বৌদ্ধ শিক্ষাৰ কিছুমান সবলতা হৈছে এনেধৰণৰ— ই অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাত বৈপ্লৱিক পৰিৱর্তন আনিছিল আৰু ভাৰতবর্ষত শিক্ষাৰ ক্ষেত্রত শক্তিশালী ব্যৱস্থাৰ ভেটি স্থাপন কৰিছিল। ঠেক জাতিগত প্রথাৰ আৰু ধর্মীয় বান্ধোনৰ পৰা মুক্ত আছিল আৰু সমাজৰ সকলো শ্রেণীলোকৰ বাবে মুক্ত আছিল।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Baruah, Srinath (2011): *"Education Beyond Barriers: Role of Open and Distance learning with special reference to Krishna Kanta Handiqui State Open University"*, Horizon, The Newsletter of KKHSOU, Vol-V, No II, July 2011

২) Kanwar, Asha (2011): *"Crisis in ODL: What is the response?"*, Lecture

২.৮ অগ্রগতিৰ খতিয়ান


১ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ শিক্ষা হৈছে এক গুৰুত্বপূর্ণ শিক্ষা ব্যৱস্থা, যি ব্যৱস্থা খ্রীঃ পূঃ ৬০০ চনৰ পৰা প্রায় ১২ শ বছৰ কাল ৬০০ খ্রীষ্টাব্দলৈ বর্তি আছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ শিক্ষাৰ এক প্রধান লক্ষ্য হৈছে ব্যক্তিত্বৰ সর্বোতমুখী বিকাশ, য'ত শাৰীৰিক, মানসিক, নৈতিক আৰু বৌদ্ধিক বিকাশ আদি অন্তর্ভুক্ত।

৩ নং প্রশ্নৰ উত্তৰ ঃ মহৎ অষ্টমার্গ হৈছে বৌদ্ধ শিক্ষাৰ খুটি স্বৰূপ আৰু সেইকেইটা হৈছে শুদ্ধ মতামত, শুদ্ধ চিন্তা, শুদ্ধ কথা, শুদ্ধ কর্ম, শুদ্ধ বৃত্তি, শুদ্ধ চেষ্টা, শুদ্ধ মন আৰু শুদ্ধ ধ্যান।

৪ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ শিক্ষাৰ কিছুমান পদ্ধতি হৈছে — মৌখিক শিক্ষা, আলোচনা, যুক্তিতর্ক, আলোচনা চক্র আৰু ধ্যান।

৫ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ শিক্ষাৰ দুটা সবলতা হৈছে অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাত ই বৈপ্লৱিক পৰিবর্তন আনিছিল আৰু ভাৰতৰ শিক্ষা ব্যৱস্থাত শক্তিশালী ভেটি স্থাপন কৰিছিল। ঠেক জাতিগত প্রথাৰ আৰু ধর্মীয় বান্ধোনৰ পৰা মুক্ত আছিল আৰু সমাজৰ সকলো শ্রেণীৰ লোকৰ বাবে শিক্ষা মুক্ত আছিল।





২.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ অন্তৰালত থকা প্রধান মূল্যবোধ কি?

প্রশ্ন ২ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাত কেনেধৰণৰ অনুশাসন মানি চলা হৈছিল।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ সবলতা আৰু দুর্বলতাসমূহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ বৌদ্ধ শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ইছলামীয় শিক্ষা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ইছলামীয় যুগৰ শিক্ষা-ব্যৱস্থা

- ৩.৩.১ ইছলামীয় শিক্ষাৰ অর্থ
- ৩.৩.২ শিক্ষাৰ উদ্দেশ্যসমূহ
- ৩.৩.৩ শিক্ষাৰ প্রণালীসমূহ
- ৩.৩.৪ পাঠ্যক্রম
- ৩.৩.৫ নিয়মানুৱর্তিতা
- ৩.৩.৬ শিক্ষকৰ ভূমিকা

৩.৪ ইছলামীয় শিক্ষাৰ মূল বৈশিষ্ট্যসমূহ

৩.৫ ইছলামীয় শিক্ষাৰ গুণ আৰু দোষসমূহ

৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইছলামীয় শিক্ষা পদ্ধতিৰ অর্থ চিনাক্ত কৰিব পাৰিব
- ইছলামীয় যুগৰ শিক্ষাৰ উদ্দেশ্যসমূহ জানিব পাৰিব
- ইছলামীয় যুগৰ শিক্ষাৰ পদ্ধতি, পাঠ্যক্রম, নিয়মানুৱর্তিতা, শিক্ষকৰ ভূমিকা আৰু সেই সময়ৰ শিক্ষানুষ্ঠানসমূহৰ বিষয়ে জানিব পাৰিব
- ইছলামীয় শিক্ষাৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- ইছলামীয় শিক্ষাৰ গুণ আৰু দোষসমূহ চিনাক্ত কৰিব পাৰিব

৩.২ পৰিচয়

খ্রীষ্টীয় অষ্টম শতিকাত ভাৰতবর্ষত মুছলমানসকলৰ আগমনৰ লগতে ইছলামীয় শিক্ষা পদ্ধতিৰো সূচনা হয় বুলি ক'ব পাৰি। বৃটিছ শাসনৰ পূর্ব্বৱর্তী কালত অর্থাৎ খ্রীষ্টীয় দশম শতিকাৰপৰা খ্রীষ্টীয় ওঠৰশ শতিকাৰ মধ্যভাগলৈকে ইছলামীয় শিক্ষাই শিক্ষাৰ এক গুৰুত্বপূর্ণ

প্রকাৰ হিচাপে বিকাশ লাভ কৰে। ভাৰতত দাস বংশৰ কুটুবুদ্দিন আইবাকৰদ্বাৰা প্রথম মুছলমান শাসনৰ প্রতিষ্ঠা যদিও মহম্মদ গজনিৰ লুটৰ পাছতে মহম্মদ ঘোৰীয়ে উত্তৰ ভাৰতত মুছলমান শাসনৰ ভেঁটি সুদৃঢ় কৰে। তেওঁ অত্যন্ত গোড়া ব্যক্তি আছিল আৰু হিন্দু আৰু বৌদ্ধসকলে পূজা কৰা স্থান তথা শিক্ষাৰ কেন্দ্রসমূহ ধ্বংস কৰি কেৱল ইছলামিক শিক্ষা প্রচাৰ কৰাত ব্রতী আছিল। তদুপৰি সেই ধ্বংসাৱশেষসমূহত তেওঁ ইছলামীয় শিক্ষানুষ্ঠান স্থাপন আৰু ধর্ম চর্চাৰ বাবে মছজিদ নির্মাণ কৰোৱাইছিল। কুটুবুদ্দিনৰ পাছত বিভিন্ন বিভিন্ন শাসকসকল যেনে— ইলতুটমিছ, চুলতানা ৰাজিয়া, নাছিৰুদ্দিন আৰু বলবান আদিয়ে শিক্ষাবিদসকলক উৎসাহিত কৰি ভাৰতত ইছলামিক (মুছলমান) শিক্ষাৰ এক শক্তিশালী ভেঁটিৰ বাবে বাট মুকলি কৰে।

দাস বংশৰ পাছত খিলজী বংশ শাসনৰ ক্ষমতালৈ আহে। সেই বংশৰে জালালুদ্দিন খিলজী এজন বিদ্বান লোক আছিল আৰু তেওঁ ভাৰতবর্ষক শিক্ষাৰ ক্ষেত্রত আগবাঢ়ি যাবৰ বাবে অনুপ্রেৰণা যোগাইছিল। কিন্তু পৰৱর্তী সময়ত তেওঁৰ উত্তৰাধিকাৰী আলাউদ্দিন খিলজীয়ে ক্ষমতাৰ চূড়ান্ত সীমা অতিক্রম কৰি মক্তব আৰু মাদ্রাছাসমূহে ইতিমধ্যে অধিগ্রহণ কৰি থকা ভূমিসমূহ বাজেয়াপ্ত কৰে আৰু ভাৰতৰ শিক্ষা-প্রণালীত এক গভীৰ আঘাত সানে।

খিলজী বংশৰ পাছত টোগলক বংশই শিক্ষাৰ প্রচাৰ-কার্যত অগ্রসৰ হয় আৰু জনসাধাৰণৰ মাজত ইছলাম ধর্মৰ জ্ঞান প্রসাৰিত কৰি মক্তব আৰু মাদ্রাছাসমূহক উৎসাহিত কৰে। এই বংশৰ গিয়াছুদ্দিন টোগলক, মহম্মদ বিন টোগলক আৰু ফিৰোজ ছাহ টোগলকে ঘাইকৈ ইছলামীয় শিক্ষা প্রচাৰৰ ক্ষেত্রত অগ্রণী ভূমিকা পালন কৰে আৰু এই শিক্ষা-প্রণালীক সর্বোত্তম শিখৰত প্রতিষ্ঠা কৰাত নির্ণায়ক ভূমিকা পালন কৰে। যদিও টোগলক বংশই অঞ্চলটিত শিক্ষা প্রচাৰৰ ক্ষেত্রত বৃহৎ প্রচেষ্টা হাতত লৈছিল, কিন্তু পৰৱর্তী সময়ত তেওঁলোকৰ উত্তৰাধিকাৰী চৈয়দ বংশই দেশৰ শিক্ষা-প্রণালীত আগবঢ়োৱা বৰঙণি তেনেই নগণ্য।

লোডী বংশৰ শাসনৰ অধীনত শিক্ষা, সংস্কৃতি আৰু কলাক পুনর্জীৱিত কৰি এক বিশেষ পর্যায়লৈ উন্নীত কৰোৱা হৈছিল আৰু সেইসকল বিশিষ্ট শাসকৰ ভিতৰত বাহলুল লোডী আছিল অন্যতম। তেওঁ সাহিত্য-চর্চা কার্যটোক আৰু সাহিত্য-চর্চাকাৰীসকলক যথেষ্ট অনুপ্রেৰণা যোগাইছিল। তদুপৰি তেওঁৰ উত্তৰাধিকাৰী আছিল ক্রমে চিকন্দৰ লোডী আৰু ইব্রাহীম লোডী; যিসকলে কলা আৰু সংস্কৃতিক যথেষ্ট সন্মান কৰিছিল।

ভাৰতবর্ষত মোগল শাসনৰ সময়ত টার্কিছ আৰু পার্ছীয়ান সাহিত্যৰ মহান পণ্ডিত বাবৰৰ নেতৃত্বত ইছলামীয় শিক্ষাত এক নতুন যুগৰ সূচনা হয়। বাবৰে তেওঁৰ আত্মজীৱনী 'বাবৰ নামা' লিখি সাহিত্যৰ ক্ষেত্রত এক বৃহৎ বৰঙণি আগবঢ়াই থৈ যায়। তদুপৰি তেওঁৰ পুত্র হুমায়ুন এজন বিদ্বান আৰু সাহিত্যপ্রেমী আছিল, যিয়ে পৰৱর্তী সময়ত নাগৰিকসকলৰ সুবিধার্থে কেইবাটাও পুথিভঁৰাল স্থাপন কৰি মোগল সাম্রাজ্যৰ আটাইতকৈ সৃজনীশক্তিসম্পন্ন শাসকৰ পৰিচয় দিছিল। হুমায়ুনৰ পুত্র আকবৰে সকলো ধর্মৰ প্রতি সমান আৰু সহনশীল মনোভাব পোষণ কৰিছিল। তদুপৰি তেওঁ কলা আৰু সংস্কৃতিৰ মহান প্রেমিক আছিল আৰু হিন্দু আৰু ইছলাম ধর্মৰ ধনাত্মক দিশসমূহক সামৰি 'দিন-ই-ইলাহী' নামৰ এক নতুন ধর্মৰ প্রতিষ্ঠা কৰিছিল

আৰু নিজ শাসন কালত তেওঁ ভাৰতত প্ৰচলিত সকলো ধৰণৰ শিক্ষা-প্ৰণালীক অনুপ্ৰেৰণা যোগাইছিল। তেওঁৰ উত্তৰাধিকাৰী জাহাংগীৰ আৰু ছাহজাহানেও ভাৰতত শিক্ষাৰ ক্ষেত্ৰত উদাৰ নীতি পোষণ কৰিছিল; কিন্তু ছাহজাহানৰ উত্তৰাধিকাৰী ঔৰংগজেৱ এজন গোড়া আৰু সংৰক্ষণশীল মনোভাবৰ শাসক আছিল আৰু তেওঁ আকবৰৰ উদাৰ নীতিৰ অন্ত পেলাই কেৱল ইছলামীয় শিক্ষাৰহে পক্ষপাতিত্ব কৰিছিল।

ঔৰংগজেৱৰ মৃত্যুৰ পাছত মোগল সাম্ৰাজ্যত লেখত ল'বলগীয়া শক্তিশালী উত্তৰাধিকাৰীৰ অভাৱ ঘটে। সেই সময়ৰ মোগল সাম্ৰাজ্যৰ শাসকসকলে শিক্ষাৰ উন্নতিৰ বাবে বিশেষ আগ্ৰহ প্ৰদৰ্শন কৰা পৰিলক্ষিত নহয় আৰু ফলস্বৰূপে ভাৰতত ব্ৰিটিছৰ আগমনৰ লগে লগে মোগল সাম্ৰাজ্যৰ পতনৰ লক্ষণসমূহে দেখা দিবলৈ ধৰে। এই সময়ছোৱাত ইছলামীয় শিক্ষা এক বৃহৎ ক্ষতিৰ সন্মুখীন হ'ব লগা হৈছিল আৰু ঊনবিংশ শতিকাৰ পাছৰপৰা ব্ৰিটিছৰ পশ্চিমীয়া (আধুনিক) শিক্ষাই শিক্ষাৰ ক্ষেত্ৰখনক বশীভূত কৰি লৈছিল।

৩.৩ ইছলামীয় যুগৰ শিক্ষা-ব্যৱস্থা

ইছলামীয় যুগৰ শিক্ষাই ভাৰতৰ শৈক্ষিক প্ৰণালীত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। নিম্নলিখিত উপ-শিৰোনামসমূহত আমি ভাৰতত মুছলামানসকলৰ শাসনৰ সময়ত বৰ্তি থকা শিক্ষাৰ সম্পূৰ্ণ প্ৰণালীৰ বিষয়ে আলোচন কৰিম।

৩.৩.১ ইছলামীয় শিক্ষাৰ অৰ্থ

ইছলামীয় শিক্ষা গঢ় লৈ উঠে মূলতঃ ধৰ্মপ্ৰচাৰক মহম্মদ আৰু পৱিত্ৰ গ্ৰন্থ কোৰাণৰ শিক্ষা-নীতিৰ ওপৰত ভিত্তি কৰি। বুৰঞ্জীৰ ইতিবৃত্তৰপৰা জনা যায় যে, খ্ৰীষ্টীয় অষ্টম শতিকাৰ আৰম্ভণিৰপৰা ভাৰতত ইছলামীয় শিক্ষাই পাতনি মেলে। ভাৰতত মুছলমান শাসন আৰম্ভ হোৱাৰপৰা শাসকসকলে কোৰাণ আৰু চৰিয়ত আদি ধৰ্মগ্ৰন্থৰ ওপৰত ভিত্তি কৰি শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰে। যদিও এই শিক্ষাৰ মূল ধৰ্ম প্ৰচাৰ, তথাপি ইছলামীয় শিক্ষাই ধৰ্মৰ লগতে চিকিৎসা বিজ্ঞান, বৃত্তিমূলক শিক্ষা ইত্যাদিৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে। ইছলামীয় শিক্ষা প্ৰধানকৈ মক্তব (প্ৰাথমিক শিক্ষা) আৰু মাদ্ৰাছা (মাধ্যমিক বা উচ্চতৰ শিক্ষা)— এই দুই ভাগত বিভক্ত। মক্তবসমূহত আৰম্ভণিৰপৰাই কোৰাণৰ অধ্যয়ন কৰা হয় আৰু শিশুসকলক ইছলাম ধৰ্মৰ মৌলিক দিশসমূহৰ বিষয়ে অৱগত কৰোৱা হয়। মাদ্ৰাছাসমূহৰ ক্ষেত্ৰত, ইছলাম ধৰ্মৰ বিভিন্ন নীতি-নিয়ম আৰু নিৰ্দেশাৱলীসমূহ ইছলামীয় দৰ্শন, সাহিত্য আৰু বুৰঞ্জী অনুসৰি শিকোৱা হয়।

৩.৩.২ শিক্ষাৰ উদ্দেশ্যসমূহ

জনসাধাৰণৰ মাজত ইছলাম ধর্মৰ প্রচাৰ আৰু প্রসাৰৰ উপৰি মুছলমানসকলৰ মাজত জ্ঞানৰ পোহৰ ব্যাপ্ত কৰাৰ দৰে বহু ধৰণৰ উদ্দেশ্য ইছলামীয় শিক্ষাৰ মাজত বিৰাজমান। পৱিত্র ধর্ম প্রচাৰকৰ মতে, ইছলাম ধর্ম প্রচাৰ আৰু প্রসাৰ কৰা কার্যটি অনুসৰণকাৰীসকলৰ বাবে ধর্মীয় আৰু পৱিত্র দায়িত্ব বুলি বিবেচনা কৰা হয়।

ইছলামীয় শিক্ষাৰ এক গুৰুত্বপূর্ণ উদ্দেশ্য আছিল মুছলমানসকলৰ পৱিত্র ধর্মগ্রন্থসমূহত নির্ধাৰিত ইছলামীয় মতবাদ অনুসৰি শিক্ষার্থীসকলৰ নৈতিক চৰিত্রৰ উৎকর্ষ সাধন কৰা।

এই শিক্ষাই বৃত্তিমূলক প্রশিক্ষণসমূহৰ ওপৰতো গুৰুত্ব প্রদান কৰিছিল, যাতে শিক্ষার্থীসকলে তেওঁলোকৰ শিক্ষা সমাপ্ত কৰাৰ পাছত আত্মনির্ভৰশীল হ'বলৈ সক্ষম হয়।

ইছলামীয় শিক্ষাৰ অন্য এক উদ্দেশ্য আছিল, শিক্ষার্থীসকলক এনেভাৱে প্রস্তুত কৰা যাতে ভৱিষ্যতে তেওঁলোক একো একোজন দক্ষ প্রশাসক বা শাসক হ'বলৈ সক্ষম হয়। এই দৃষ্টিভংগী আকবৰৰ শৈক্ষিক নীতিত স্পষ্টৰূপে দেখা গৈছিল।

এইসমূহৰ উপৰি শিক্ষার্থীসকলৰ চৰিত্র আৰু ব্যক্তিত্ব শক্তিশালীকৈ গঢ় দিয়াৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰা হৈছিল যাতে ভৱিষ্যতে তেওঁলোকে এক ফলপ্রসূ জীৱন অতিবাহিত কৰিব পাৰে।

৩.৩.৩ শিক্ষাৰ প্রণালীসমূহ

শিক্ষাৰ প্রাথমিক পর্যায় তথা মক্তবসমূহত আবৃত্তিৰ ওপৰত জোৰ দি আৰু বিভিন্ন 'কালমা'সমূহ স্মৰণ কৰাই মৌখিক মাধ্যমৰ জৰিয়তে শিক্ষা প্রদান কৰা হৈছিল। মাদ্রাছাসমূহত ঘাইকৈ পঠন, লিখন আৰু গণিতৰ অনুশীলন কৰোৱা হৈছিল। আকবৰে যথাসম্ভৱ বৈজ্ঞানিক পদ্ধতিৰে শিক্ষা প্রদানৰ সূচনা কৰিছিল আৰু এই পদ্ধতিয়ে শিক্ষার্থীসকলৰ প্রায়োগিক জীৱনত ফলপ্রসূ জ্ঞান আয়ত্ব কৰাত সহায় কৰিছিল। প্রায়োগিক আৰু অভিজ্ঞতালব্ধ শিক্ষা-প্রণালীয়ে ভৌতিক শিক্ষা, চিকিৎসা-বিজ্ঞান, গাণিতিক শিক্ষা, জ্যোতিষশাস্ত্র, যান্ত্রিক বিদ্যা ইত্যাদি শিকিবলৈ অনুপ্রাণিত কৰিছিল।

মাদ্রাছাসমূহত উচ্চ শিক্ষাৰ বাবে বিশ্লেষণাত্মক আৰু আগমানাত্মক (Inductive) শিক্ষা-পদ্ধতি গ্রহণ কৰা হৈছিল। এনেধৰণৰ শিক্ষা-প্রণালীৰ জৰিয়তে শিক্ষার্থীসকলক আত্ম-অধ্যয়নৰ বাবেও অনুপ্রেৰিত কৰা হৈছিল। উল্লিখিত প্রণালীসমূহৰ উপৰি বিষয়বস্তু অধিক স্পষ্ট হ'বৰ বাবে আলোচনা-চক্রত অংশগ্রহণৰ বাবে শিক্ষার্থীসকলক উৎসাহিত কৰিছিল।

৩.৩.৪ পাঠ্যক্রম

ইছলামীয় শিক্ষাত শিক্ষার্থীসকলক ধর্মীয় তথা জীৱনৰ প্রায়োগিক জ্ঞান প্রদান কৰা মক্তব আৰু মাদ্রাছাসমূহ গুৰুত্বপূর্ণ প্রধান শিক্ষানুষ্ঠান। মক্তবসমূহ শিক্ষাৰ প্রাথমিক অনুষ্ঠান, য'ত প্রধানকৈ ধর্মীয় জ্ঞান প্রদান কৰা হয়। এইসমূহত পঢ়া, লিখা আৰু গণিতৰ শিক্ষা দিয়া হয়। তদুপৰি মক্তবসমূহত আৰৱী ভাষাৰ লগতে কোৰাণৰ কালমাসমূহ শিকোৱা হয় আৰু পৱিত্র কোৰাণৰ অর্থ উপলব্ধি কৰাত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি আৰৱী আৰু পার্ছীলিপিৰ লগতে ইবিলাকৰ ব্যাকৰণসমূহো মক্তবসমূহত শিকোৱা হয়। বাস্তৱ জীৱনৰ কিছুমান জ্ঞান প্রদান কৰাত মক্তবসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

মক্তবসমূহত শিক্ষা সমাপ্ত কৰাৰ পাছত শিক্ষার্থীসকলে উচ্চ শিক্ষাৰ বাবে মাদ্রাছাত নামভর্তি কৰিব পাৰে। মাদ্রাছাসমূহ উচ্চ শিক্ষাৰ অনুষ্ঠান, য'ত ধর্মীয় জ্ঞানৰ লগতে বাস্তৱ জীৱনৰ সৈতে সম্পর্কিত বিভিন্ন বিষয়সমূহ শিকোৱা হয়। মাদ্রাছাসমূহৰ পাঠ্যক্রমত ধর্ম অর্থাৎ ইছলাম ধর্ম, চুফী ধর্ম, ধর্মপ্রচাৰকসকলৰদ্বাৰা প্রদান কৰা ধর্মীয় উপদেশসমূহ, চিকিৎসা শাস্ত্র, বুৰঞ্জী, ভূগোল, অর্থনীতি, ৰাজনীতি বিজ্ঞান, আইন, গণিত আৰু সাহিত্য ইত্যাদি বিষয় সামৰি লোৱা হয়। কিছুমান মুছলমান শাসক কলা আৰু সঙ্গীতৰ প্রতি অধিক অনুৰাগী হেতুকে কলা, সঙ্গীত আৰু সংস্কৃতিৰ ওপৰত সম্পূর্ণভাৱে নিমজ্জিত বিভাগো মাদ্রাছাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত আছিল। এনেদৰে দেখা যায়, মাদ্রাছাসমূহত অনুশীলন কৰা পাঠ্যক্রমসমূহত শিক্ষার্থীসকলৰ সুবিধার্থে বিভিন্ন ধৰণৰ বিষয়ক অন্তর্ভুক্ত কৰি লোৱা হৈছিল।

৩.৩.৫ নিয়মানুৱর্তিতা

বৈদিক আৰু বৌদ্ধ যুগৰ দৰে ইছলামীয় যুগৰ শিক্ষানুষ্ঠানসমূহতো কঠোৰ নিয়মানুৱর্তিতা পালন কৰা হৈছিল। ছাত্র-ছাত্রীসকলক শিক্ষানুষ্ঠানৰ বাহিৰে-ভিতৰে নিয়মানুৱর্তিতা পালন কৰিবলৈ শিকোৱা হৈছিল। তেওঁলোকক তেওঁলোকৰ ব্যক্তিগত জীৱনতো আত্ম-অনুশাসন মানি চলিবলৈ শিকোৱা হৈছিল। যদিহে কোনোৱে অনুশাসন উলংঘা কৰে, তেন্তে তেনে লোকক কঠোৰ শাৰীৰিক শাস্তি প্রদান কৰাৰ ব্যৱস্থা আছিল। শিক্ষার্থীক প্রদান কৰিবলগীয়া শাস্তিৰ প্রকাৰৰ ওপৰত সিদ্ধান্ত গ্রহণৰ অধিকাৰ কেৱলমাত্র শিক্ষকৰ হাততহে আছিল। অনিয়মানুৱর্তিতাৰ বাবে প্রদান কৰা শাস্তিৰ প্রসঙ্গত শিক্ষকৰ অধিকাৰ সম্পর্কে কোনেও প্রশ্ন তোলা নাছিল। শিক্ষার্থীসকলো এনেধৰণৰ শাস্তিৰ প্রতি সজাগ আছিল আৰু সেইবাবে শিক্ষানুষ্ঠানৰ নিয়ম আৰু অনুশাসনসমূহ যৎপৰোনাস্তি মানি চলিবলৈ যত্ন কৰিছিল।

৩.৩.৬ শিক্ষকৰ ভূমিকা

ইছলামীয় যুগত শিক্ষার্থীসকলে প্রাথমিক পর্যায়ত তেওঁলোকৰ শিক্ষকসকলৰ সৈতে একেলগে থাকিবলগা নহৈছিল আৰু মক্তবসমূহত শিক্ষক আৰু শিক্ষার্থীসকলৰ মাজত কোনো বিশেষ সম্পর্ক নাছিল। মক্তবৰ শিক্ষা সমাপ্ত কৰাৰ পাছত মাদ্রাছাত নামভর্তি কৰা শিক্ষার্থীসকলে শিক্ষকৰ আবাস গৃহৰ লগত সংলগ্ন আবাসসমূহত থাকিবলগা হৈছিল। শিক্ষক-ছাত্রৰ সম্পর্ক অন্তৰঙ্গ আছিল আৰু শিক্ষার্থীসকলে শিক্ষকসকলক সন্মান প্রদর্শন কৰিছিল। বৈদিক আৰু বৌদ্ধ যুগৰ দৰে শিক্ষার্থীয়ে উৎসর্গিত মনোভাৱেৰে শিক্ষকৰ প্রতি সেৱা আগবঢ়াইছিল। তদানীন্তন সমাজেও শিক্ষকসকলক সম্ভ্রম আৰু সন্মানৰ চকুৰে চাইছিল। অনুৰূপ ধৰণেৰে শিক্ষকসকলেও তেওঁলোকৰ শিক্ষার্থীসকলক মৰমেৰে শিক্ষা দান কৰিছিল আৰু তেওঁলোকক উত্তম শিক্ষা প্রদান কৰিবলৈ চেষ্টা কৰিছিল। শিক্ষার্থীসকলৰ বিভিন্ন সমস্যাসমূহ বুজিবলৈ চেষ্টা কৰি তেওঁলোকৰ ব্যক্তিত্বৰ সর্বতোপ্রকাৰে উন্নতিৰ বাবে সথিক পথৰ নির্দেশনা দিছিল।



জানি থোৱা ভাল

- ইছলামীয় শিক্ষা মূলতঃ ধর্মপ্রচাৰক মহম্মদ আৰু পৱিত্র গ্রন্থ কোৰাণৰদ্বাৰা প্রতিষ্ঠিত নীতি-নির্দেশনাসমূহৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা।
- ইছলামীয় শিক্ষা প্রধানকৈ দুটা পর্যায়ত বিভক্ত; সেয়া হৈছে— মক্তব (প্রাথমিক শিক্ষা) আৰু মাদ্রাছা (মাধ্যমিক বা উচ্চতৰ শিক্ষা)।
- ইছলামীয় শিক্ষাৰ উদ্দেশ্য বহুমুখী। উদাহৰণস্বৰূপে— জনসাধাৰণৰ মাজত ইছলাম ধর্মৰ প্রসাৰ আৰু প্রচাৰ কৰাৰ উপৰি মুছলমানসকলৰ মাজত জ্ঞানৰ পোহৰ বিলোৱা।
- প্রাথমিক পর্যায় অর্থাৎ মক্তবসমূহত আবৃত্তিৰ ওপৰত জোৰ দি আৰু বিভিন্ন 'কালমা'সমূহ স্মৰণ কৰি মৌখিক মাধ্যমৰ জৰিয়তে শিক্ষা প্রদান কৰা হয়। আনহাতে, মাদ্রাছাসমূহত পঢ়া, লিখা আৰু গণিতৰ অনুশীলন কৰোৱা হয়।
- বৈদিক আৰু বৌদ্ধ যুগৰ শিক্ষা-ব্যৱস্থাত থকাৰ দৰেই ইছলামীয় শিক্ষানুষ্ঠানসমূহতো কঠোৰ নিয়মানুবর্তিতা পালন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইছলামীয় শিক্ষা বুলিলে কি বুজে?

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতবর্ষত কেতিয়াৰপৰা ইছলামীয় শিক্ষাৰ আৰম্ভ হয়?

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ কোনজন শাসকৰ দিনত ইছলামীয় শিক্ষা ইয়াৰ উচ্চতম শীর্ষত আছিল বুলি ক'ব পাৰি?

.....

.....

.....

.....

৩.৪ ইছলামীয় শিক্ষা প্রণালীৰ মূল বৈশিষ্ট্যসমূহ

এতিয়া আমি ইছলামীয় শিক্ষাৰ কিছুমান মূল বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিম। ইছলামীয় শিক্ষাৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণৰ—

- জনাসাধাৰণৰ মাজত ইছলাম ধর্মৰ শিক্ষানীতি প্রচাৰ আৰু প্রসাৰ কৰাই ইয়াৰ মূল উদ্দেশ্য। ইয়াত ইছলাম ধর্মৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা ইছলামীয় ৰীতি-নীতি, আইন-কানুন আৰু সামাজিক নিয়ম তথা পৰম্পৰাৰ প্রচাৰ সম্পর্কে গুৰুত্ব আৰোপ কৰা হয়।
- ভাৰতবর্ষৰ ইতিহাসত মধ্যযুগীয় বুলি চিহ্নিত কালছোৱাৰ অন্তর্গত বিভিন্ন সময়ত বিভিন্ন শাসকে ইছলামীয় শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল। শাসকসকলে শিক্ষাৰ পৃষ্ঠপোষকতা কৰাৰ বাবে ইছলামীয় পৰম্পৰা অনুসৰি বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰিছিল আৰু ইয়াৰ লগতে শিক্ষার্থীসকলক অনুদান আৰু জলপানি প্রদানৰ ব্যৱস্থা গ্রহণ কৰিছিল।
- মাদ্রাছাসমূহ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল আৰু অন্য কোনো অনুষ্ঠান বা বিশ্ববিদ্যালয়ে সেই যুগত উচ্চ শিক্ষা প্রদান কৰা নাছিল।
- মক্তব আৰু মাদ্রাছা দুয়ো ক্ষেত্রতে শিক্ষাৰ মাধ্যম প্রধানকৈ আৰৱী আৰু পার্ছী ভাষা আছিল।
- ইছলামীয় শৈক্ষিক অনুষ্ঠানসমূহত কঠোৰ অনুশাসন পালন কৰা হৈছিল আৰু অনিয়মানুৱর্তী শিক্ষার্থীক শিক্ষকৰদ্বাৰা কঠোৰ শাস্তি প্রদান কৰা হৈছিল।
- কেৱল প্রাথমিক পর্যায়লৈকেহে ছোৱালী আৰু ল'ৰাই একেলগে শিক্ষা গ্রহণ কৰিবপৰা ব্যৱস্থা আছিল। এই পর্যায় অতিক্রম কৰাৰ পাছত ছোৱালী শিক্ষার্থীসকলে ঘৰতে উচ্চ

শিক্ষা গ্রহণ কৰিবলগা হৈছিল আৰু তেওঁলোকক উচ্চস্তৰৰ শিক্ষা গ্রহণত ল'ৰাসমূহৰ সৈতে একেলগে পঢ়িবলৈ কোনোপধ্যে অনুমতি দিয়া নহৈছিল। তদুপৰি ছোৱালীৰ বাবে পর্দা-প্রথাৰো প্রচলন আছিল।

- ৰাজ্যৰ উত্তম প্রশাসনৰ বাবে পুৰুষ শিক্ষার্থীসকলক সামৰিক শিক্ষা প্রদান কৰা হৈছিল।
- এই যুগত কোনো ধৰণৰ পৰীক্ষা লোৱাৰ ব্যৱস্থা নাছিল আৰু শিক্ষার্থীসকলক শিক্ষকৰ ইচ্ছাত উচ্চ শ্রেণীলৈ উত্তীর্ণ কৰাৰ ব্যৱস্থা আছিল।

৩.৫ ইছলামীয় শিক্ষাৰ গুণ আৰু দোষসমূহ

ইছলামীয় শিক্ষাৰ কিছুমান গুণ হৈছে—

- শিক্ষাৰ প্রসাৰৰ ক্ষেত্রত সকলো শ্রেণীৰ জনসাধাৰণক গুৰুত্ব দিছিল আৰু পুৰুষৰ বাবে শিক্ষা গ্রহণ বাধ্যতামূলক আছিল।
- এই শিক্ষা-ব্যৱস্থাত ধর্মীয় আৰু প্রায়োগিক শিক্ষাৰ মাজত এক সঠিক সমন্বয় বজাই ৰখা হৈছিল।
- ইছলামীয় শিক্ষাত চৰিত্র গঠনৰ লগতে শিক্ষার্থীসকলৰ ব্যক্তিত্বৰ সর্বতোপ্রকাৰৰ উন্নয়নৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছিল।
- ইছলামীয় শিক্ষাত সাধাৰণ মানুহৰ মাজত জ্ঞানৰ প্রসাৰৰ বাবে শৈক্ষিক অনুষ্ঠান আৰু পুথিভঁৰাল স্থাপন কৰাৰ ক্ষেত্রত বিশেষ গুৰুত্ব দিয়া হৈছিল।
- এই শিক্ষাত বাস্তৱিক জীৱনৰ লগত সম্পর্কিত বিভিন্ন বিষয়সমূহ; যেনে— চিকিৎসা-বিজ্ঞান, আইন, অর্থনীতি, ৰাজনীতি-বিজ্ঞান ইত্যাদি ধৰণৰ জ্ঞান প্রদান কৰাত বিশেষ মনোযোগ প্রদান কৰা হৈছিল।

ইছলামীয় শিক্ষাৰ দোষসমূহ

- ইছলামীয় শিক্ষাত উচ্চস্তৰীয় বৌদ্ধিক বিকাশতকৈ পার্থিৱ আৰু ধর্মীয় উন্নয়নত অধিক গুৰুত্ব দিয়া হৈছিল।
- উচ্চ শিক্ষাৰ বাবে পুৰুষৰ সৈতে একেলগে নাৰীৰ শিক্ষা গ্রহণৰ কোনো ব্যৱস্থা নাছিল।
- উচ্চ শিক্ষাৰ উন্নতিৰ বাবে কোনোধৰণৰ বিশ্ববিদ্যালয় স্থাপন কৰা হোৱা নাছিল।
- অন্যান্য বিষয়তকৈ ঘাইকৈ আৰৱী আৰু পার্ছী ভাষা শিকাৰ ক্ষেত্রতহে বেছি গুৰুত্ব প্রদান কৰিছিল।
- ইছলামীয় শিক্ষা-ব্যৱস্থাত অন্তর্ভুক্ত শাৰীৰিক শাস্তি প্রদানৰ প্রক্রিয়াই শিক্ষার্থীসকলৰ ওপৰত ঋণাত্মক প্রভাৱ পেলাইছিল আৰু শিক্ষার্থীসকলৰ স্বাস্থ্য আৰু ব্যক্তিত্বৰ বিকাশতো ই বিৰূপ প্রভাৱ পেলাইছিল।



জানি থোৱা ভাল

- মাদ্ৰাছাসমূহ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল আৰু অন্য কোনো অনুষ্ঠান বা বিশ্ববিদ্যালয়ে মধ্য যুগত উচ্চ শিক্ষা প্ৰদান কৰা নাছিল।
- মক্তব আৰু মাদ্ৰাছা দুয়োটাতে শিক্ষাৰ মাধ্যম প্ৰধানকৈ আৰৱী আৰু পাৰ্ছী ভাষা আছিল।
- ছোৱালীক ল'ৰাৰ সৈতে একেলগে কেৱল প্ৰাথমিক স্তৰলৈকেহে পঢ়িবলৈ দিয়া হৈছিল। এই পৰ্যায়ৰ পিছত তেওঁলোকক ঘৰতে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ দিয়া হৈছিল আৰু তেওঁলোকক উচ্চ স্তৰৰ শিক্ষা গ্ৰহণত ল'ৰাসমূহৰ সৈতে একেলগে পঢ়িবলৈ কোনোপধ্যে অনুমতি দিয়া নহৈছিল। তদুপৰি ছোৱালীৰ বাবে পৰ্দা-প্ৰথাৰো প্ৰচলন আছিল।



অগ্ৰগতিৰ নীৰিক্ষণ

প্ৰশ্ন ১ ঃ ইছলামীয় শিক্ষাৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ২ ঃ ইছলামীয় শিক্ষাৰ দুটা গুণ লিখক।

.....

.....

.....



৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- খ্ৰীষ্টীয় অষ্টম শতিকাত ভাৰতবৰ্ষত মুছলমানসকলৰ আগমনৰ লগতে ইছলামীয় শিক্ষা পদ্ধতিৰো সূচনা হয় বুলি ক'ব পাৰি। বৃটিছ শাসনৰ পূৰ্বৱৰ্তী কালত অৰ্থাৎ খ্ৰীষ্টীয় দশম শতিকাৰপৰা খ্ৰীষ্টীয় ওঠৰশ শতিকাৰ মধ্যভাগলৈকে ইছলামীয় শিক্ষাই শিক্ষাৰ এক গুৰুত্বপূৰ্ণ প্ৰকাৰ হিচাপে বিকাশ লাভ কৰে।
- দাস বংশৰপৰা মোগল বংশৰ বিভিন্ন মুছলমান শাসকৰ শাসন কালত ইছলামীয় শিক্ষাৰ পৃষ্ঠপোষকতা কৰা হৈছিল। ধৰ্মপ্ৰচাৰক মহম্মদ আৰু পৱিত্ৰ গ্ৰন্থ কোৰাণৰদ্বাৰা প্ৰতিষ্ঠিত নীতি-নিৰ্দেশনাসমূহৰ ওপৰত ভিত্তি কৰি ইছলামীয় শিক্ষা গঢ় লৈ উঠিছিল।

- বুৰঞ্জীৰ তথ্যসমূহৰপৰা জনা যায় যে, ভাৰতত ইছলামীয় শিক্ষা খ্ৰীষ্টীয় অষ্টম শতিকাৰপৰা আৰম্ভ হয়। যদিও ইছলাম ধৰ্ম-সম্পৰ্কীয় শিক্ষা প্ৰদানেই এই শিক্ষাৰ মূল উদ্দেশ্য তথাপি ধৰ্মৰ লগতে চিকিৎসা-বিজ্ঞান, বৃত্তিমূলক শিক্ষা আদিৰ ক্ষেত্ৰতো বৃহৎ প্ৰভাৱ পেলায়।
- ইছলামীয় শিক্ষা প্ৰধানকৈ মক্তব আৰু মাদ্ৰাছা— এই দুই ভাগত বিভক্ত। মক্তবসমূহক প্ৰাথমিক পৰ্যায়ৰ শিক্ষানুষ্ঠান আৰু মাদ্ৰাছাসমূহক মাধ্যমিক বা উচ্চতৰ শিক্ষানুষ্ঠান বুলি ক'ব পৰা যায়।
- জনসাধাৰণৰ মাজত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উপৰি মুছলমানসকলৰ মাজত জ্ঞানৰ পৰিধি ব্যাপ্ত কৰাৰ দৰে ইছলাম ধৰ্মৰ উদ্দেশ্য বহুমুখী।
- ইছলামীয় শিক্ষাৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য আছিল ইছলামলকলৰ পৱিত্ৰ ধৰ্মগ্ৰন্থসমূহত নিৰ্ধাৰিত ইছলামীয় মতবাদ অনুসৰি শিক্ষাৰ্থীসকলৰ নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰা। এই শিক্ষাই বৃত্তিমূলক প্ৰশিক্ষণৰ ওপৰতো গুৰুত্ব দিছিল যাতে শিক্ষাৰ্থীসকলে তেওঁলোকৰ শিক্ষা সমাপ্ত কৰাৰ পাছত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম হয়।
- প্ৰাথমিক পৰ্যায়ত অৰ্থাৎ মক্তবসমূহত আবৃত্তিৰ ওপৰত জোৰ দি আৰু বিভিন্ন 'কালমা'সমূহ স্মৰণ কৰাই মৌখিক মাধ্যমৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হৈছিল।
- মাদ্ৰাছাসমূহত পঢ়া, লিখা আৰু গণিতৰ অনুশীলন কৰোৱা হৈছিল। আকবৰে বৈজ্ঞানিক পদ্ধতিৰে শিক্ষা প্ৰদানৰ আৰম্ভণি কৰে আৰু এই পদ্ধতিয়ে শিক্ষাৰ্থীসকলৰ প্ৰায়োগিক জীৱনত ফলপ্ৰসূ জ্ঞান আয়ত্ব কৰাত সহায় কৰে। প্ৰায়োগিক আৰু অভিজ্ঞতালব্ধ প্ৰণালীৰ শিক্ষাই ভৌতিক শিক্ষা, চিকিৎসা বিদ্যা, গাণিতিক, জ্যোতিষ শাস্ত্ৰ, যান্ত্ৰিক বিদ্যা আদি শিকিবলৈ অনুপ্ৰেৰণা যোগাইছিল।
- বৈদিক আৰু বৌদ্ধ যুগৰ দৰে ইছলামীয় যুগৰ শিক্ষানুষ্ঠানসমূহতো কঠোৰ নিয়মানুৱৰ্তিতা পালন কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষানুষ্ঠানৰ বাহিৰে-ভিতৰে নিয়মানুৱৰ্তিতা পালন কৰিবলৈ শিকোৱা হৈছিল। তেওঁলোকক তেওঁলোকৰ ব্যক্তিগত জীৱনতো আত্ম-অনুশাসন মানি চলিবলৈ শিকোৱা হৈছিল। যদিহে কোনোৱে অনুশাসন উলংঘা কৰে, তেন্তে তেনে লোকক কঠোৰ শাৰীৰিক শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা আছিল।
- ইছলামীয় যুগত শিক্ষাৰ্থীসকলে প্ৰাথমিক পৰ্যায়ত তেওঁলোকৰ শিক্ষকসকলৰ সৈতে একেলগে থাকিবলগা নহৈছিল আৰু মক্তবসমূহত শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ মাজত কোনো বিশেষ সম্পৰ্ক নাছিল। মক্তবৰ শিক্ষা সমাপ্ত কৰাৰ পাছত মাদ্ৰাছাত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে শিক্ষকৰ আবাস গৃহৰ লগত সংলগ্ন আবাসসমূহত থাকিবলগা হৈছিল।
- শিক্ষক-ছাত্ৰৰ সম্পৰ্ক অন্তৰঙ্গ আছিল আৰু শিক্ষাৰ্থীসকলে শিক্ষকসকলক সন্মান প্ৰদৰ্শন কৰিছিল। বৈদিক আৰু বৌদ্ধ যুগৰ দৰে শিক্ষাৰ্থীয়ে উৎসৰ্গিত মনোভাৱেৰে শিক্ষকৰ প্ৰতি সেৱা আগবঢ়াইছিল।

- জনাসাধাৰণৰ মাজত ইছলাম ধর্মৰ শিক্ষানীতি প্রচাৰ আৰু প্রসাৰ কৰাই ইয়াৰ মূল উদ্দেশ্য। মাদ্রাছাসমূহ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল আৰু অন্য কোনো অনুষ্ঠান বা বিশ্ববিদ্যালয়ে সেই যুগত উচ্চ শিক্ষা প্রদান কৰা নাছিল। মক্তব আৰু মাদ্রাছা দুয়ো ক্ষেত্রতে শিক্ষাৰ মাধ্যম প্রধানকৈ আৰৱী আৰু পার্ছী ভাষা আছিল।
- ইছলামীয় শিক্ষাৰ গুণসমূহ হৈছে— ইছলামীয় শিক্ষাত সকলো শ্রেণীৰ জনসাধাৰণক গুৰুত্ব দিছিল আৰু পুৰুষৰ বাবে শিক্ষা গ্রহণ বাধ্যতামূলক আছিল। তদুপৰি এই শিক্ষাত ধর্মীয় আৰু প্রায়োগিক শিক্ষাৰ মাজত এক সঠিক সমন্বয় বর্তাই ৰখা হৈছিল।
- ইছলামীয় শিক্ষাত উচ্চ স্তৰৰ বৌদ্ধিক বিকাশতকৈ পার্থিৱ সমৃদ্ধি আৰু ধর্মীয় উন্নয়নৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। উচ্চ শিক্ষাৰ ক্ষেত্রত পুৰুষৰ সৈতে নাৰীৰ শিক্ষা গ্রহণৰ কোনো ব্যৱস্থা নাছিল। তদুপৰি উচ্চ শিক্ষাৰ উন্নতিৰ বাবে কোনোধৰণৰ বিশ্ববিদ্যালয় স্থাপন কৰা নাছিল। অন্যান্য বিষয়তকৈ আৰৱী আৰু পার্ছী ভাষা শিকাৰ ক্ষেত্রত বেছি গুৰুত্ব দিছিল।



৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Thakur, A.S. (2009) : *Development of Education System in India*, Shipra Publication, New Delhi

২) Fahimuddin (2004) : *Modernization of Muslim Education in India*, Adhyayan Publishers and Distributors, New Delhi

৩.৮ অগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইছলামীয় শিক্ষা গঢ় লৈ উঠে মূলতঃ ধর্মপ্রচাৰক মহম্মদ আৰু পৰিত্র গ্রন্থ কোৰাণৰ শিক্ষা-নীতিৰ ওপৰত ভিত্তি কৰি।যদিও এই শিক্ষাৰ মূল ধর্ম প্রচাৰ, তথাপি ইছলামীয় শিক্ষাই ধর্মৰ লগতে চিকিৎসা বিজ্ঞান, বৃত্তিমূলক শিক্ষা ইত্যাদিৰ ক্ষেত্রতো প্রভাৱ বিস্তাৰ কৰে। ইছলামীয় শিক্ষা প্রধানকৈ মক্তব (প্রাথমিক শিক্ষা) আৰু মাদ্রাছা (মাধ্যমিক বা উচ্চতৰ শিক্ষা)— এই দুই ভাগত বিভক্ত।

২ নং প্রশ্নৰ উত্তৰ ঃ খ্রীষ্টীয় অষ্টম শতিকাত ভাৰতবর্ষত মুছলমানসকলৰ আগমনৰ লগতে ইছলামীয় শিক্ষা পদ্ধতিৰো সূচনা হয় বুলি ক'ব পাৰি। বৃটিছ শাসনৰ পূর্বৱর্তী কালত

অর্থাৎ খ্রীষ্টীয় দশম শতিকাৰপৰা খ্রীষ্টীয় ওঠৰশ শতিকাৰ মধ্যভাগলৈকে ইছলামীয় শিক্ষাই শিক্ষাৰ এক গুৰুত্বপূর্ণ প্রকাৰ হিচাপে বিকাশ লাভ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মোগল সাম্রাজ্যৰ সম্রাট আকবৰৰ দিনত ইছলামীয় শিক্ষা ইয়াৰ উচ্চতম শীর্ষলৈ বিকাশ লাভ কৰিবলৈ সক্ষম হৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ইছলামীয় শিক্ষাৰ দুটা বৈশিষ্ট্য— জনসাধাৰণৰ মাজত ইছলাম ধর্মৰ শিক্ষা প্রচাৰ আৰু প্রসাৰ কৰাই ইয়াৰ প্রধান উদ্দেশ্য। এই শিক্ষা মক্তব আৰু মাদ্রাছা— এই দুই অনুষ্ঠানৰদ্বাৰা প্রদান কৰা হৈছিল। মক্তবসমূহে প্রাথমিক শিক্ষা আৰু মাদ্রাছাসমূহে ধর্মীয় আৰু উচ্চ শিক্ষা প্রদান কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ ইছলামীয় শিক্ষাৰ দুটা গুণ হৈছে— এই শিক্ষাত ধর্মীয় আৰু প্রায়োগিক শিক্ষাৰ মাজত এক সঠিক সমন্বয় বর্তাই ৰখা হয়। তদুপৰি, ইছলামীয় শিক্ষাত চৰিত্র গঠনৰ লগতে শিক্ষার্থীসকলৰ ব্যক্তিত্বৰ সর্বাঙ্গীন উন্নয়নৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ ইছলামীয় শিক্ষাৰ দুটা দোষ হৈছে— এই শিক্ষাত শিক্ষাৰ উচ্চ স্তৰীয় বৌদ্ধিক বিকাশতকৈ পার্থিৱ সমৃদ্ধি আৰু ধর্মীয় উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু উচ্চ শিক্ষা আহৰণৰ ক্ষেত্রত পুৰুষৰ সৈতে নাৰীৰ শিক্ষা গ্রহণত কোনোধৰণৰ ব্যৱস্থা কৰা হোৱা নাছিল।



৩.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১. ইছলামীয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আলোচনা কৰক।

প্রশ্ন ২. ইছলামীয় শিক্ষাৰ বৈশিষ্টসমূহ লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১. ভাৰতবর্ষত ইছলামীয় শিক্ষা প্রদান কৰা বিভিন্ন ধৰণৰ শৈক্ষিক অনুষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২. ইছলামীয় শিক্ষাত শিক্ষকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩. ইছলামীয় শিক্ষাৰ পাঠ্যক্রমৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪. ভাৰতবর্ষত ইছলামীয় শিক্ষাৰ গুণ আৰু দোষসমূহৰ বিষয়ে সূক্ষ্মভাৱে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৪ ঃ খ্রীষ্টিয়ান মিছনেৰী আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ভাৰতত মিছনেৰীসকলৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

৪.৪ মিছনেৰী শিক্ষাৰ কেন্দ্রসমূহ

৪.৫ অসমত মিছনেৰীসকলৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

৪.৫.১ অসমীয়া ভাষা আৰু সাহিত্যৰ প্রতি মিছনেৰীসকলৰ বৰঙণি

৪.৬ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৮ অধিক জানিবলৈ

৪.৯ অগ্রগতিৰ খতিয়ান

৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আমাৰ দেশত খ্রীষ্টিয়ান মিছনেৰীসমূহৰ শিক্ষাৰ ক্ষেত্রত থকা কার্যকলাপসমূহ বর্ণনা কৰিব পাৰিব
- ভাৰতত মিছনেৰী কার্যকলাপসমূহৰ সৈতে চিনাকি হ'ব পাৰিব
- অসমত মিছনেৰীসমূহৰ শিক্ষাগত কার্যকলাপসমূহ বর্ণনা কৰিব পাৰিব
- অসমীয়া ভাষা আৰু সাহিত্যৰ প্রতি মিছনেৰীসকলৰ বৰঙণি জানিব পাৰিব
- ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিক্ষণীয় কার্যকলাপসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

এক বৃহৎ সংখ্যক খ্রীষ্টিয়ান মিছনেৰীসমূহে আৰু মিছনসমূহে ভাৰতত আধুনিক শিক্ষাৰ বুৰঞ্জীত এক প্রশংসনীয় ভূমিকা পালন কৰিছে। তেওঁলোক প্রধানত ধর্মক লৈ চিন্তনীয় হয় আৰু তেওঁলোকৰ শিক্ষা জগতত থকা ভূমিকাসমূহ প্রায় ভাগ ইয়াৰে পৰিণতি। ইউৰোপীয়ান ব্যৱসায়িক কোম্পানীসমূহে তেওঁলোকৰ বিষয়াসকল আৰু কর্মচাৰীসকলৰ আধ্যাত্মিক প্রয়োজনসমূহ পূৰণ কৰাৰ উদ্দেশ্যে কেইজনমান খ্রীষ্টিয়ান মিছনেৰীক তেওঁলোকৰ সৈতে লগত লৈ আহিছিল। কোম্পানী বিষয়াসকলে শিক্ষাৰ জৰিয়তে জনসাধাৰণৰ মাজত খ্রীষ্টান

ধৰ্ম প্ৰচাৰ কৰাৰ বাবে মিছনেৰীসকলক দায়িত্ব প্ৰদান কৰিছিল। সেই অনুসৰি মিছনেৰীসকলে তেওঁলোকৰ ধৰ্মীয় উদ্দেশ্যসমূহ পৰিপূৰ্ণ কৰাৰ উদ্দেশ্যে শিক্ষা প্ৰসাৰ কৰে। আনকি কেইজনমান মিছনেৰীয়ে শিক্ষাৰ প্ৰসাৰ কৰাৰ কামটিক অধিক গভীৰভাৱে ল'বলৈ ধৰিলে আৰু সেয়ে শিক্ষাৰ বাবে অধিক সময় আৰু শক্তি উৎসৰ্গিত কৰিলে। তেওঁলোকে ভাৰতত আধুনিক শিক্ষা প্ৰণালীৰ উন্নতিৰ বাবে এক বৃহৎ বৰঙণি আগবঢ়াই থৈ গ'ল।

এই অধ্যায়ত ভাৰতৰ বিভিন্ন অঞ্চলসমূহত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ শিক্ষাৰ কাৰ্যকলাপসমূহৰ আৰু লগতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শৈক্ষিক কাৰ্যকলাপসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

৪.৩ ভাৰতত মিছনেৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত ভূমিকা

ইউৰোপীয়ানসকলে বিভিন্ন দেশসমূহৰ পৰা ১৫শ শতিকা খ্ৰীষ্টাব্দৰ শেষ চতুৰ্থাংশৰ পৰা ব্যৱসায়ৰ বাবে ভাৰতত ভ্ৰমণ কৰিবলৈ আহিছিল। তেওঁলোকে ইয়াত প্ৰধানকৈ তেওঁলোকৰ ব্যৱসায়িক কোম্পানীসমূহ মোগল সাম্ৰাজ্যৰ শেষৰ ফালে প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে ভাৰতৰ দূৰৰ বন্দৰসমূহত ব্যৱসায়িক ঘৰসমূহ নিৰ্মাণ কৰিছিল। পৰ্তুগীজসকল প্ৰথমে আহিছিল। ভাস্কো দা গামা, এজন পৰ্তুগীজ নাবিক, ১৪৯৮ খ্ৰীষ্টাব্দত কালিকূটত অৱতৰণ কৰিছিল। ইয়াৰ পছত অন্যান্য ইউৰোপিয়া যেনে ডাটচ, ফ্ৰান্স আৰু ইংৰাজীসকল ক্ৰমান্বয়ে দেশলৈ অধিগমন কৰিবলৈ ধৰে। এই জাতিসমূহ প্ৰধানকৈ ব্যৱসায় আৰু বাণিজ্যৰ বাবে আহিছিল। কিন্তু সময়ত, যেতিয়া তেওঁলোকৰ ব্যৱসায় বৃদ্ধি হ'বলৈ ধৰিলে, তেওঁলোকে এই দেশৰ বেছিভাগ ৰাজ্য নিজৰ অধীনলৈ আনিবলৈ মন মেলিলে আৰু দেশৰ শাসকসকলৰ ৰাজনৈতিক দুৰ্বলতাৰ সুযোগ লৈ ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ পেলাবলৈ ধৰিলে। পৰ্তুগীজ আৰু ব্ৰীটিছসকল, এই ক্ষেত্ৰত বেছিকৈ সফল হৈছিল। ১৬০১ চনত প্ৰতিষ্ঠা কৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় শাসকসকলৰ সৈতে যুদ্ধত অৱতীৰ্ণ হয় আৰু অৱশেষত জয়ী হৈ, ভাৰতত তেওঁলোকৰ সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিবলৈ সফল হয়।

ইউৰোপিয়ান ধৰ্মীয় মিছনেৰীসকলে কোম্পানীৰ মানুহসকলৰ সৈতে ভাৰতলৈ আহিবলৈ আৰম্ভ কৰে। কোম্পানী বিষয়াসকলে শিক্ষাৰ জৰিয়তে মানুহবোৰৰ মাজত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰসাৰৰ বাবে মিছনেৰীসকলক দায়িত্ব প্ৰদান কৰে। মিছনেৰীসকলে ভাৰতত শিক্ষাৰ জৰিয়তে খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ বাবে ব্যাপকভাৱে সুযোগসমূহ গ্ৰহণ কৰিছিল। এইদৰে তেওঁলোকৰ আগমনৰ পাছত, তেওঁলোকে এংগলো-ভাৰতীয় সেৱকসকলৰ শিক্ষাক লক্ষ্য কৰি আৰু খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তেওঁলোকৰ স্কুলসমূহ প্ৰতিষ্ঠা কৰিছিল। একে সময়তে তেওঁলোকে এক বৃহৎ সংখ্যক ভাৰতীয় দৰিদ্ৰ লোকসকলক খ্ৰীষ্টিয়ান ধৰ্মলৈ ধৰ্মান্তৰণ কৰিছিল আৰু প্ৰাথমিক শিক্ষাৰ দায়িত্ব হাতত তুলি লৈছিল আৰু এক বৃহৎ সংখ্যক 'চেৰিটি স্কুলসমূহ' প্ৰতিষ্ঠা কৰিছিল। মিছনেৰীসকলে ভাবিছিল যে, যদিহে তেওঁলোকে ভাৰতীয় লোকসকলক পশ্চিমীয়া শাৰীত তেওঁলোকক শিক্ষিত কৰে, তেন্তে ভাৰতীয়সকলৰ বাবে তেওঁলোকৰ ধৰ্মীয় তত্বসমূহ আৰু

নীতিসমূহ বুজাত সহজ হ'ব। ক্রমান্বয়ে মিছনেৰীসকলে তেওঁলোকৰ নিজস্ব শিক্ষাৰ পদ্ধতিৰ জৰিয়তে ভাৰতৰ প্রায় সকলো চহৰসমূহত শৈক্ষিক অনুষ্ঠানসমূহ প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়। ইষ্ট ইণ্ডিয়া কোম্পানীয়েও খ্রীষ্টিয়ান ধর্ম প্রচাৰৰ বাবে শিক্ষাক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল, কিন্তু পিছলৈ তেওঁলোকে ৰাজনৈতিক আৰু প্রশাসনিক কাৰণসমূহৰ বাবে এয়া পৰিত্যাগ কৰে। এইদৰে দেশত ইউৰোপিয়ান মিছনেৰীসকলৰ আগমনৰ সৈতে শিক্ষাৰ পর্যায়ত এক নতুন পর্যায়ৰ সূচনা হয় আৰু এয়া পর্যাপ্ত ৰূপত উন্নত হয়।

৪.৪ মিছনেৰী শিক্ষাৰ কেন্দ্রসমূহ

ব্যৱসায়, প্রশাসন আৰু শিক্ষাগত দিশৰ পৰা মিছনেৰীসকলৰ শৈক্ষিক কেন্দ্রসমূহ মূলত তিনিটা অঞ্চলত বিভাজন কৰিব পাৰি। এই কেন্দ্রসমূহ হ'ল— মাদ্রাছ, কলকাতা আৰু বম্বে। মিছনেৰীসকলৰ প্রধান শৈক্ষিক কার্যাৱলীসমূহ তলত দিয়াৰ দৰে উপস্থাপন কৰিব পাৰি—

- **মাদ্রাছ ঃ** মাদ্রাছ, এতিয়া তামিলনাড়ু হিচাপে জনাজাত, খ্রীষ্টিয়া মিছনেৰীসকলৰ প্রধান কেন্দ্রসমূহৰ প্রথম কেন্দ্র আছিল। ১৭শ শতিকাৰ আৰম্ভণিতে ডেনিছ মিছনেৰীসকলে মাদ্রাছ, তানজুৰ আৰু ত্রিকিন'পলীত তেওঁলোকৰ কেন্দ্রসমূহ স্থাপন কৰিছিল। ১৭০৬ চনত, ডেনিছে ঝীজেনবাল্গ (Zigenbalg) আৰু প্লাষ্টছু (Plustschau) নামৰ দুজন জার্মান বিশ্বপ (Bishops) বা ধর্মীয় গুৰু দক্ষিণ ভাৰতৰ এক ডেনিছ উপনিবেশ ট্রানকুইবাৰলৈ (Tranakuebar) পঠিয়ায়। তেওঁলোকে শিক্ষাগত কার্যকলাপসমূহ টাংকুবাৰত আৰম্ভ কৰিছিল আৰু ইয়াৰ কার্যকলাপসমূহ টাঞ্জাবুৰ, মাদ্রাছ আৰু ট্রিপনোপলীত (Tanjore, Madras আৰু Trincinopuloy) প্রসাৰিত কৰিছিল। ১৭১৯ চনত ঝীজেনবাল্গৰ মৃত্যুৰ পাছত তেওঁৰ কামখিনি প্লাষ্টাও আৰু স্কুৱার্টচে (Schwarts) অবিৰত ৰাখিছিল। ১৬৯৮ চনত খ্রীষ্টিয়ান জ্ঞানৰ প্রচাৰ (Society for promotion of Christion Knowledge) নামৰ সংস্থা তেওঁলোকৰ অভিযানত ডেনমার্কৰ পৰা বিত্তীয় সাহার্য্য নাপালে সহায় কৰিবলৈ গঠন কৰা হৈছিল। তেওঁলোকে ভাৰতত খ্রীষ্টিয়ান ধর্ম প্রচাৰ কৰিবলৈ শিক্ষাৰ বাবে স্থানীয় ভাষা ব্যৱহাৰ কৰিছিল। তেওঁলোকে শিক্ষাৰ জৰিয়তে ৫০,০০০ ভাৰতীয় লোকক বেপ্টিষ্টলৈ ধর্মান্তকৰণ কৰিবলৈ সক্ষম হৈছিল (মুখার্জী, পৃঃ ১৮)।

  তেওঁলোকে খ্রীষ্টিয়ান ধর্ম গ্রহণ কৰা ল'ৰাবোৰৰ বাবে বিদ্যালয় খুলি দিছিল আৰু সিহঁতক তামিল ভাষাৰ জৰিয়তে শিক্ষা প্রদান কৰা হৈছিল। ডেনিছ ধর্ম প্রচাৰকসকলে মুছলীমসকলৰ বাবে পৃথক স্কুলসমূহ খুলি দিছিল। মাদ্রাছত প্রথমটো চেৰিটি স্কুল ৰিভাৰেণ্ড ষ্টেভেনশ্বন (Reverend Stevenson) নামৰ এজন ধর্মীয় পূজাৰীৰ দ্বাৰা ১৭১৫ চনত স্থাপন কৰা হৈছিল। এই খ্রীষ্টিয়ান ধর্ম জ্ঞানৰ প্রচাৰ সংস্থানটিয়েও (SPCK) কেইবাটাও চেৰিটি স্কুল বিনামূলীয়া শিক্ষা প্রদান কৰিবৰ বাবে খুলি দিছিল।

ঝীজেনবাল্গ আৰু প্লাটচুওই তামিল আৰু পৰ্তুগীজ ভাষা শিকি লৈছিল। স্কুল্টজ, ঝীজেনবাল্গে বাইবেলখন তামিললৈ অনুবাদ কৰিছিল আৰু তামিল ব্যাকৰণ এখনো লিখি উলিয়াইছিল। এইবোৰৰ উপৰিও, এখন তামিল অভিধানো সংকলন কৰি উলিয়াইছিল। ১৭১২-১৩ খ্ৰীষ্টাব্দত তামিল আৰু ৰোমান লিপিৰ এখন ছপাশাল স্থাপন কৰিছিল। তেওঁলোকে জনসাধাৰণৰ মাজত তামিল ভাষাত অনুবাদ কৰা বাইবেল বিতৰণ কৰিছিল। তেওঁলোকে ট্ৰাভানক'ৰত ১৭১৬ চনত শিক্ষকসকলৰ বাবে এখন প্ৰশিক্ষণ কলেজ আৰম্ভ কৰিছিল। শিশুসকলক ইংৰাজী আৰু বাইবেল শিকাবৰ বাবে প্ৰশিক্ষিত শিক্ষকসকলক নিযুক্তি দিছিল।

চেৰিটি স্কুলৰ সংখ্যা আৰু স্কুললৈ যোৱা শিশুসকলৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছিল। যিহেতুকে শিক্ষকৰ সংখ্যা কম আছিল। সেয়ে জ্যেষ্ঠ ছাত্ৰসকলক কনিষ্ঠ ছাত্ৰসকলক শিকোৱাৰ বাবে নিযুক্তি দিয়া হৈছিল। ফলস্বৰূপে এক ধৰণৰ শিক্ষাৰ পদ্ধতি বিকশিত হৈ উঠিছিল। এজন মিছনেৰী, ড° এনড্ৰিও বেলে, শতিকাৰ পিছৰফালে মাদ্ৰাছাত এই নতুন শিক্ষাৰ পদ্ধতি আৰম্ভ কৰিছিল। এই পদ্ধতি 'মনিটৰিয়েল পদ্ধতি' (বৰুৱা, পৃঃ ১২০) হিচাপে জনপ্ৰিয় আছিল। এই পদ্ধতিত জ্যেষ্ঠ শিক্ষাৰ্থীসকলে কনিষ্ঠ শিক্ষাৰ্থীসকলক শিকোৱাৰ বাবে নিযুক্তি দিয়া হৈছিল। অন্যধৰণৰ এক স্কুল, 'দেওবৰীয়া স্কুল' নামৰ বিদ্যালয় ড° বেলে মাদ্ৰাছত খুলিছিল। এয়া কেৱল দেওবাৰে খোলা হৈছিল।

- **কলকাতা ঃ** কলকাতাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায় আৰু বাণিজ্যৰ প্ৰশাসনৰ কেন্দ্ৰ আছিল। ১৭৭৫ চনত বেংগল কোম্পানী শাসনৰ অধীনলৈ আহিছিল, কিন্তু কোম্পানীয়ে প্ৰত্যক্ষভাৱে শিক্ষাৰ দায়িত্ব লোৱা নাছিল। এই মিছনেৰীসকলে স্বাভাৱিকতে তেওঁলোকৰ শৈক্ষিক কাৰ্যকলাপসমূহ দ্ৰুত কৰিছিল আৰু ১৭৮৯ চনত 'কলকাতা মুক্ত বিদ্যালয় সমাজ' স্থাপন কৰিছিল আৰু প্ৰথম ইউৰোপিয়ান শিশুৰ বাবে স্কুল খুলিছিল। পিছলৈ এইধৰণৰ স্কুলসমূহ ভাৰতীয় শিশুসকলৰ বাবে মুকলি কৰি দিয়া হৈছিল। এয়া মন কৰিবলগীয়া আছিল যে, বেংগলত মিছনেৰীসকলে মাদ্ৰাছত কাম কৰাৰ স্বাধীনতা পোৱাৰ দৰে কলকাতা এই স্বাধীনতা পোৱা নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিকূল মনোভাৱৰ বিৰুদ্ধে তেওঁলোকে সংগ্ৰাম কৰিব লগা হৈছিল। বংগৰ শিক্ষাৰ বুৰঞ্জীত শ্ৰীৰামপুৰৰ তিনিজন বিশিষ্ট ব্যক্তিত্বৰ লোকৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। এই মিছনটি ১৭৯৯ চনত প্ৰধানকৈ ৱার্ড, মার্চমেন আৰু কেৰীৰ (William Ward, Clark Marshman আৰু William Carey) উদ্যোগত গঠন কৰা হৈছিল। তেওঁলোকক শ্ৰীৰামপুৰৰ ট্ৰিও বুলি জনা গৈছিল। ৱার্ড মার্চমেন আৰু কেৰীয়ে শিক্ষাৰ বাবে একেলগে হাতত হাত ধৰি কাম কৰি গৈছিল। এইসকলৰ প্ৰতিজনৰে পৃথক পৃথক ব্যক্তিত্ব আছিল যদিও তিনিওজনে শিক্ষাৰ বিতৰণৰ এক লক্ষ্য আগত ৰাখি কাম কৰি গৈছিল। কেৰী, প্ৰকৃততে ইংলেণ্ডত শিক্ষক আছিল আৰু ভাৰতলৈ ১৭৯৩ চনত

পাদৰীৰ কাম কৰিবলৈ আহিছিল। তেওঁ এজন ভাষাবিদ, পণ্ডিত আৰু লেখক আছিল। ১৮০১ চনত কেৰীয়ে নতুন টেষ্টামেণ্ট বা নববিধান (বাইবেলৰ ভাগ) বাংলা ভাষালৈ অনুবাদ কৰিছিল আৰু এখন বাংলা ভাষাৰ ব্যাকৰণো সংকলন কৰি উলিয়াইছিল। ১৮২৫ চনত কেৰীৰ স্মাৰক কাম "এংগলো বাংলা অভিধান" চাৰিটা খণ্ডত প্রকাশ পায়। ৱার্ড ছপাশাল কামত পাকৈত আছিল। 'শ্রীৰামপুৰ ট্রিও'ই ১৮০০ চনত এখন ছপাশাল স্থাপন কৰিছিল। ইয়াৰ লক্ষ্য আছিল ছপা আকাৰত শিক্ষা আৰু ধর্মীয় বিষয়সমূহ প্রচাৰ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰা। মার্চমেনৰ প্রতিভা আৰু শক্তি প্রধানকৈ শিক্ষাগত উদ্যোগসমূহৰ বাবে পৰিচালিত হৈছিল। তেওঁ ১৮১০ চনত শ্রীৰামপুৰত এখন আৱাসিক বিদ্যালয় স্থাপন কৰিছিল। কেৱল মাত্র ৫ বছৰতে তেওঁলোকৰ দ্বাৰা ২০খনতকৈও অধিক বিদ্যালয় স্থাপন কৰা হৈছিল আৰু এই সংখ্যা ১৮১৭ চনত ১১৫ সংখ্যালৈকে বৃদ্ধি পাইছিল। তেওঁলোকৰ আটাইতকৈ গৌৰৱময় সাফল্যটো আছিল শ্রীৰামপুৰ কলেজ মুকলি কৰাটো। বংগত ইংৰাজী মাধ্যমত পশ্চিমীয়া জ্ঞান আৰু বিজ্ঞানৰ শিক্ষা প্রদান কৰা এইখন প্রথম মিছনেৰী কলেজ আছিল। 'শ্রীৰামপুৰ ট্রিও'ৰ দ্বাৰা প্রতিষ্ঠিত সকলো শৈক্ষিক অনুষ্ঠান কলকাতাৰ ৩০ মাইল পৰিধিৰ ভিতৰত আছিল।

- **বম্বে ঃ** পর্তুগীজসকল ভাৰতলৈ অহা প্রথম ইউৰোপীয়ান আছিল আৰু পর্তুগীজ কার্যকলাপসমূহৰ প্রধান কেন্দ্রসমূহ আছিল বম্বে, গোৱা, দমন আৰু দিউ। তেওঁলোকে ১৬শ আৰু ১৭ শ শতিকাত শিক্ষাগত কার্যকলাপসমূহ আৰম্ভ কৰিছিল। ৰোমান কেথলিক মিছনসকলে ভাৰতৰ পশ্চিম সাগৰীয় বন্দৰত তেওঁলোকৰ শিক্ষাগত কার্যকলাপসমূহ আৰম্ভ কৰিছিল। তেওঁলোকে তেওঁলোকৰ ধর্মৰ প্রচাৰৰ বাবে প্রাথমিক বিদ্যালয়সমূহ স্থাপন কৰিছিল আৰু পর্তুগীজ, ইউৰেছিয়ানসকল আৰু ভাৰতীয় ধর্মান্তৰণ হোৱা সকলৰ সন্তানসকলক শিক্ষিত কৰিছিল। এইবোৰ বিদ্যালয়সমূহত পর্তুগীজ, খ্রীষ্টিয়ান, গাণিতিক, স্থানীয় ভাষাসমূহৰ শিক্ষা আৰু কিছুমান হস্তশিল্প কলাৰ জ্ঞান প্রদান কৰা হৈছিল। দৰিদ্র মানুহৰ সন্তানসকলক আহাৰ, কিতাপ ইত্যাদি প্রদান কৰা হৈছিল, যদিহে তেওঁলোকে খ্রীষ্টিয়ান অনুসৰণ কৰিবলৈ সন্মত হৈছিল।

  পর্তুগীজসকলক ভাৰতত আধুনিক শিক্ষা পদ্ধতিৰ প্রতিষ্ঠাপক বুলি বিবেচনা কৰিব পৰা যায়। ভাৰতলৈ অহা সকলো প্রাৰম্ভিক মিছনেৰীসকলৰ ভিতৰত আটাইতকৈ বিশিষ্টজন আছিল চেণ্ট জেভিয়াৰ (St. Xavier)। তেওঁ ৰোমান কেথলিক সম্প্রদায় সন্ন্যাসী ব্যক্তি স্কীজম (Schism)ৰ শিষ্য আছিল আৰু শিক্ষাৰ ক্ষেত্রত ভাৰতত বিশেষভাৱে কাম কৰিছিল। ১৫৪২ চনত, তেওঁ হাতত এখন বাইবেল লৈ গাঁৱে গাঁৱে পদযাত্রা কৰিছিল আৰু খ্রীষ্টিয়ান ধর্ম প্রচাৰ কৰি ফুৰিছিল। তেওঁ কৌচিনত এখন ছপাশাল স্থাপন কৰিছিল আৰু গাঁৱত খ্রীষ্টিয়ান ধর্ম সম্পর্কীয় সৰু সৰু কিতাপ বিতৰণ কৰিছিল। ১৫৭৫ চনত তেওঁ বম্বেৰ কাষৰ বান্দ্রাত চেণ্ট ইণ্টি বিশ্ববিদ্যালয় (ST. Anne University) এখন প্রতিষ্ঠা কৰিছিল। অন্য এজন ধর্মীয় মিছনেৰী আছিল ডে নবিলেই (De Nobiley)

যিজনে নিজকে এজন পশ্চিমীয়া ব্ৰাহ্মণ বুলি কৈছিল আৰু নিজে ভাৰতীয় সন্ন্যাসীৰ দৰে কাপোৰ পিন্ধিছিল আৰু ব্ৰাহ্মণীৰ দৰে আহাৰ ৰান্ধিছিল। তেওঁ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ বাবে আগবঢ়োৱা বৰঙণি হৈছিল অতি উল্লেখনীয়। (Rawat P. 122)

পৰ্তুগীজে প্ৰথমখন ৰোমান কেথলিক ধৰ্মৰ কলেজ গোৱাত ১৫৭৫ চনত স্থাপন কৰিছিল, য'ত ৩০০জন শিক্ষাৰ্থীয়ে শিক্ষা লাভ কৰিছিল। ১৫৮০ চনত গোৱাত আৰু অন্যান্য ঠাইসমূহত আৰু অধিক এনে কলেজ স্থাপন কৰা হৈছিল। বাৰ্ণিয়াৰ (Bernier)ৰ মতে ৰোমান কেথলিকৰ মতে ৰোমত কেথলিক ধৰ্মপ্ৰচাৰক প্ৰভাৱত সম্ৰাট আকবৰে আগ্ৰাত এখন ৰোমান কেথলিক কলেজ আৰম্ভ কৰিছিল, য'ত ৩০টাকৈ পৰিয়ালে শিক্ষা গ্ৰহণ কৰিছিল। ভাৰতীয়সকলৰ ধমচ্ছ্ৰীয় বিষয়ত হস্তক্ষেপ কৰাৰ বাবে পৰ্তুগীজসকলে অনুসৰণ কৰা নীতিৰ বাবে ১৭শ শতিকাত তেওঁলোকৰ পতন আৰম্ভ হৈছিল। ভাৰতীয়সকলে এই হস্তক্ষেপৰ বিৰোধিতা কৰিছিল। মাৰাঠী লোকসকলৰ সৈতে পৰ্তুগীজসকলে যুদ্ধ কৰিবলগীয়া হৈছিল আৰু পৰাজিতো হ'ব লগা হৈছিল। অৱশেষত তেওঁলোকক ভাৰতবৰ্ষৰ ভূমিৰ পৰা উচ্ছেদ কৰা হৈছিল। এনেদৰে তেওঁলোকৰ শৈক্ষিক কাৰ্যকলাপৰো অন্ত পৰিছিল। পৰৱৰ্তী পৰ্যায়ত কেইবাটাও বম্বেত শিল্প প্ৰচাৰৰ বাবে কেইবাটাও মিছনেৰী যেনে আমেৰিকান মিছনেৰী, গীৰ্জা মিছনেৰী সমাজ, স্ক'টিছ আৰু ফ্ৰান্স মিছনেৰী সমাজে স্কুল স্থাপন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ..... নামৰ এজন পৰ্তুগীজ নাৱিক ..... চনত কালিকূটত অৱতৰণ কৰিছিল।

প্ৰশ্ন নং ২ ঃ মিছনেৰীসকলক শিক্ষা প্ৰচাৰ কৰাৰ দায়িত্ব কোনে প্ৰদান কৰিছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ মিছনেৰীসকলে কি ধৰণৰ বিদ্যালয় স্থাপন কৰিছিল? নামটো উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ কোনে মাদ্ৰাছত প্ৰথমটো মিছনেৰী কেন্দ্ৰ স্থাপন কৰিছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ মনিট'ৰিয়েল পদ্ধতি কি হয়?

.....

.....

প্রশ্ন নং ৬ ঃ 'শ্রীৰামপুৰ ট্রিও' নামেৰে জনাজাত ব্যক্তিসকলৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ পর্তুগীজ কার্যকলাপৰ প্রধান কেন্দ্রসমূহ ক'ত ক'ত আছিল?

.....

.....

প্রশ্ন নং ৮ ঃ চেণ্ট জেভিয়াৰৰ (ST. Xavier) বিষয়ে চমুকৈ লিখক।

.....

.....

৪.৫ অসমত মিছনেৰীসকলৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

ইষ্ট ইণ্ডিয়া কোম্পানী আৰু বার্মা সৈনিকসকলৰ মাত ইয়াণ্ডাবু চুক্তি স্বাক্ষৰ হোৱাৰ পৰিণতিত ১৮২৬ চনত অসম বৃটিছৰ অধীনলৈ আহে। অসমলৈ অহা গর্ভণৰ জেনেৰেলৰ প্রথম এজেণ্ট আছিল ডেভিদ স্কট (David Scott)। অসমখনক বংগৰ প্রশাসনৰ এক অংশ হিচাপে কোম্পানীয়ে ১৮৭৪ চনলৈকে শাসন কৰি আহিছিল। কিন্তু খ্রীষ্টিয়ান মিছনেৰীসকলে কোম্পানী শাসনৰ আগতে ধর্মীয় আৰু শিক্ষাগত কার্যকলাপসমূহ আৰম্ভ কৰি দিছিল। এই ক্ষেত্রত কলকাতাৰ 'শ্রীৰামপুৰ ট্রিও' কথা বিশেষভাৰে উল্লেখ কৰিব পাৰি। ১৮২৯ চনত, শ্রীৰামপুৰ মিছনৰ এটা শাখা গুৱাহাটীত স্থাপন কৰা হৈছিল। ইয়াৰ আগতে ১৮১৩ চনত আত্মাৰাম শর্মাই তেওঁলোকৰ সহযোগত বাইবেলখন অসমীয়ালৈ অনুবাদ কৰি উলিয়ায়। এই গ্রন্থখন শ্রীৰামপুৰ প্রেছত ছপোৱা হৈছিল আৰু অসমীয়া ভাষাত প্রকাশিত এইখন প্রথম কিতাপ আছিল। অসমৰ উপায়ুক্ত ফ্রেঞ্চচিজ জেনকিন্চ (Francis Jenkins) এটা আমেৰিকান বেপ্টিষ্ট মিছনেৰীৰ দলক ৰাজ্যৰ উত্তৰ-পূব অঞ্চলৰ শদিয়াত এটা কেন্দ্র খুলিবৰ বাবে অসমলৈ নিমন্ত্রণ জনায়। এই মিছনেৰী দলৰ নেতাসকল আছিল ডাঃ নাথান ব্রাউন, অলিভাৰ কার্টাৰ আৰু মাইলচ ব্রণ্ডছন (Dr. Nathan Brown, Oliver Carter and Miles Bronson)। ব্রণ্ডছনে তেওঁৰ সৈতে এটা ছপাশালৰ মেচিন লৈ আহিছিল আৰু স্কুলৰ শিশুসকলৰ বাবে স্থানীয় ভাষাত কিতাপ প্রকাশ কৰিছিল। তেওঁ এই অঞ্চলত বহুতো স্কুল খুলিছিল। কিন্তু স্থানীয় মানুহে তেওঁলোকৰ কাম-কাজসমূহ সন্দেহ কৰিবলৈ ধৰিছিল। ফলত পিচলৈ প্রতিবাদ কৰিবলৈ আৰম্ভ কৰিছিল। সেয়ে, পিছলৈ তেওঁলোকে তেওঁলোকৰ কেন্দ্রসমূহ জয়পুৰ আৰু শিৱসাগৰলৈ স্থানান্তৰ কৰিছিল। এইসকল মিছনেৰীয়ে নগাঁও, তেজপুৰ আৰু গুৱাহাটীকে ধৰি ব্রহ্মপুত্র উপত্যকাত ইংৰাজী শিক্ষাৰ প্রচাৰৰ বাবে অগ্রণী ভূমিকা পালন কৰিছিল। তেওঁলোকে ১৮৪৫ চনত এখন বেপ্টিষ্ট গীর্জা স্থাপন কৰিছিল আৰু জনসাধাৰণৰ মাজত খ্রীষ্টিয়ান ধর্ম প্রচাৰ কৰিবলৈ চেষ্টা কৰিছিল আৰু শিক্ষা প্রদান কৰিছিল। মিছনেৰীসকলৰ মহিলা দলে অসমত মহিলাসকলৰ শিক্ষাৰ বাবে 'জনতা স্কুল' খুলিছিল। প্রথম পর্যায়ত

তেওঁলোকে অভিজাত বংশৰ ছোৱালীসকলক শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। কিন্তু দুখৰ বিষয় এয়ে আছিল যে মানুহবোৰৰ ৰক্ষণশীল মনোভাৱৰ এনেধৰণৰ পদ্ধতি বন্ধ হৈ পৰিছিল। কালক্ৰমত তেওঁলোকে ভৈয়াম উপত্যকাত প্ৰত্যাশিত সফলতা পাব নোৱাৰি ৰাজ্যৰ পাহাৰীয়া অঞ্চলসমূহৰ ফালে অগ্ৰসৰ হৈছিল।

ৱেল্চ প্ৰেচবিটেৰিয়ান মিছন (Welsh Presbiterian Mission) অসমলৈ ১৮৪১ চনত আহিছিল আৰু ইয়াৰ প্ৰধান কাৰ্যালয় শ্বিলঙত স্থাপন কৰিছিল। তেওঁলোকে অঞ্চলটিৰ মানুহৰ মাজত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰিছিল আৰু খাচীয়া আৰু জয়ন্তীয়া পাহাৰসমূহত ল'ৰা আৰু ছোৱালীৰ বাবে স্কুল মুকলি কৰিছিল। ৱেল্চ মিছনেৰীসকলৰ বাবেহে অসমত পাহাৰীয়া জিলাসমূহে শিক্ষাৰ পোহৰ পাবলৈ সক্ষম হৈছিল। তেওঁলোকে তেওঁলোকৰ কাৰ্যকলাপ সুৰমা উপত্যকা, লুছাই পাহাৰ আৰু নগালেণ্ডলৈ বিস্তাৰিত কৰিছিল।

১৯শ শতিকাৰ শেষ চতুৰ্থাংশত, গীৰ্জা মিছনেৰী সমাজে দৰং জিলাৰ কছাৰী লোকসকলৰ মাজত তেওঁলোকৰ শৈক্ষিক কাৰ্যকলাপৰ কেন্দ্ৰ স্থাপন কৰিছিল। ২০ শতিকাৰ প্ৰথম দশকত অসমত প্ৰৱেশ কৰা নৱীনতম মিছন আছিল ৰোমান কেথলিক মিছন, তেওঁলোকে শ্বিলং, হাফলং আৰু গুৱাহাটীত তেওঁলোকৰ কাম-কাজৰ কেন্দ্ৰ স্থাপন কৰিছিল।

৪.৫.১ অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি মিছনেৰীসকলৰ ৰৰঙণি

অসমৰ সাংস্কৃতিক বুৰঞ্জীত, খ্ৰীষ্টিয়ান মিছনেৰীসকলে এক বিশেষ স্থান দখল কৰি আছে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কলকাতাৰ পৰা মূলত প্ৰশাসন চলাই আছিল। কোম্পানীয়ে অসমত প্ৰশাসন চলাবৰ বাবে বংগৰ পৰা কিছুমান কৰ্মচাৰী লৈ আহিছিল। দুৰ্ভাগ্যক্ৰমে, এইসকল কৰ্মচাৰীয়ে কোম্পানীৰ প্ৰশাসনক ভুলকৈ পৰিচালিত কৰিছিল আৰু অসমীয়া ভাষা বাংলা ভাষাৰ পৰা উৎপত্তি হোৱা এটি উপভাষাহে বুলি কৈছিল। সেয়েহে বাংলাভাষা ৰাজ্যৰ শিক্ষাৰ মাধ্যম হোৱা উচিত বুলি ভুলকৈ পৰিচালিত হৈ, কোম্পানীৰ বিষয়াসকলে ১৮৩৬ চনত অসমত বাংলাভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ পদক্ষেপ লৈছিল। কিন্তু এইয়া আমেৰিকান মিছনেৰীসকল আছিল, যিসকলে এই ভুলটো শুধৰাই দিছিল আৰু অসমীয়া ভাষাক ১৮৭৩ চনত পুনৰাই, শিক্ষাৰ মাধ্যম হিচাপে ঘোষণা কৰিছিল।

প্ৰকৃততে আমেৰিকান মিছনেৰীসকলে এটি গুৰুত্বপূৰ্ণ অসমীয়া ভাষা আৰু সাহিত্যৰ বৰ্তি থকা আৰু উন্নয়নৰ বাবে প্ৰশংসনীয় সেৱা আগবঢ়াইছিল। ১৮৪৪ চনত মিছন ছপাশালত প্ৰথমখন অসমীয়া ব্যাকৰণ কাশীৰাম তামুলী ফুকনৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল। নাথান ব্ৰাউনৰ দ্বাৰা ১৮৪৬ চনত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া বাতৰিকাকত 'অৰুণোদয়' প্ৰকাশ পাইছিল। মাইলচ ব্ৰণ্ডছনে প্ৰতম অসমীয়া অভিধান, 'অসমীয়া আৰু ইংৰাজী ভাষাৰ অভিধান' ১৮৫৭ চনত ১৪,০০০ টা শব্দৰ সৈতে সম্পাদিত কৰিছিল। তদুপৰি, এইসকল আমেৰিকান মিছনেৰীসকলে

অসমীয়া ভাষা আৰু সংস্কৃতিৰ বর্তি থকাৰ সংগ্রামৰ বাবে সকলো ধৰণৰ সম্ভাৱনীয় সহায় আৰু পৰামর্শ আগবঢ়াবলৈ দুজন অসমৰ নেতা আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱা উৎসাহিত কৰিছিল। এইবোৰৰ উপৰিও ১৮৭৭ চনত জি. এছ গুৱনেৰ দ্বাৰা প্রথম অসমীয়া উপন্যাস 'কামিনীকান্তা' প্রকাশ কৰা হৈছিল। ইয়াৰোপৰি, মিছনেৰীসকলে "পিলগ্রিমচ প্রগ্রেছ" নামৰ জনপ্রিয় ইংৰাজী কিতাপখন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। ইয়ে প্রমাণ কৰে যে মিছনেৰীসকলে অসমীয়া সাহিত্যৰ উন্নয়নৰ প্রতি এক বৃহৎ বৰঙণি আগবঢ়াইছিল। এইবোৰৰ উপৰিও, প্রথম অসমীয়া উপন্যাস 'কামিনিকান্ত' ১৮৭৭ চনত জি এছ গুৱনেইৰ দ্বাৰা প্রকাশ কৰিছিল।

৪.৬ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিক্ষাৰ ক্ষেত্রত ভূমিকা

১৫৯৯ চনত ইংলেণ্ডত এক ব্যৱসায়িক কোম্পানী হিচাপে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী গঠন হৈছিল। অনুমতিৰ পত্রখন পোৱাৰ পাছত, অর্থাৎ, ৰাণী এলিজাবেথৰ পৰা চার্টাৰখন প্রাপ্ত কৰাৰ পাছত ১৬০০ চনত ভাৰতলৈ কোম্পানী আহিছিল।১৬০৮ চনত, তেওঁলোকে ভাৰতৰ উপকূলীয় এলেকা, চুৰাটত প্রথম কেন্দ্র স্থাপন কৰিছিল। আৰম্ভণীতে, কোম্পানীৰ প্রধান লক্ষ্য আছিল ভাৰতৰ বিভিন্ন অংশসমূহত ব্যৱসায় প্রসাৰিত কৰা। এই সময়তে তেওঁলোকে নিজকে প্রতিষ্ঠা কৰাৰ বাবে পর্তুগীজসকলৰ সৈতে যুদ্ধ কৰিব লগা হৈছিল। কিন্তু পিছলৈ তেওঁলোকে ক্রমান্বয়ে ব্যৱসায় আৰু বাণিজ্যত উন্নতি লাভ কৰিবলৈ ধৰিছিল আৰু তদুপৰি দেশৰ বিশেষ ৰাজনৈতিক স্থিতিৰ বাবে, তেওঁলোকে তেওঁলোকৰ মৌলিক নীতিসমূহ কিছু পৰিমাণে ধর্মীয় শাৰীলৈ ঢাল খোৱাবলৈ ধৰিছিল। কোম্পানীৰ শিক্ষাগত নীতিক দুটা অংশ ধর্মায় শিক্ষাৰ নীতি গ্রহণ কৰা আৰু ধর্মীয় নিৰপেক্ষৰতাৰ নীতি গ্রহণ কৰা। আহক এই নীতিসমূহ সবিশেষত আলোচনা কৰোঁ।

- **ধর্মীয় শিক্ষাৰ নীতি গ্রহণ কৰা ঃ** ওপৰত উল্লেখ কৰা অনুসৰি, কোম্পানীৰ প্রাৰম্ভিক পর্যায়ত কোম্পানীয়ে ভাৰতৰ বিভিন্ন অংশসমূহলৈ ব্যৱসায় প্রসাৰিত কৰাত ব্যস্ত হৈ আছিল, ই শিক্ষাৰ প্রত্যক্ষ দায়িত্ব গ্রহণ কৰা নাছিল। ই পর্তুগীজ মিছনেৰীসমূহৰ প্রভাৱ কম কৰাৰ উদ্দেশ্যে এটি ধর্মীয় নীতি গ্রহণ কৰিছিল। কোম্পানীৰ প্রচেষ্টা আছিল প্রধানকৈ স্থানীয় মানুহৰ মাজত খ্রীষ্টিয়ান ধর্ম প্রচাৰ কৰা। কোম্পানীয়ে ইয়াৰ খ্রীষ্টিয়ান কর্মচাৰীসকলৰ আধ্যাত্মিক কল্যাণৰ বাবে কেইজনমান পূজাৰী পঠিয়াইছিল। ই লগতে কেইজনমান ভাৰতীয় খ্রীষ্টিয়ানক ইংলেণ্ডলৈ গীর্জাৰ পৌৰহিত্য অভিষেকৰ বাবে পঠিয়াই, যাতে তেওঁলোকে ভাৰতলৈ ঘূৰি অহাৰ পিছত ইয়াৰ মানুহবোৰক ধর্মান্তৰণ কৰিব পাৰে। ১৬৫৯ চনত, কোম্পানীৰ কর্ট অফ ডাইৰেক্টৰে ভাৰতত খ্রীষ্টিয়ান ধর্ম প্রসাৰ কৰিবলৈ ইউৰোপীয়ান মিছনেৰীসকলক অনুমতি প্রদান কৰিছিল।

  কোম্পানীৰ চার্টাৰখন ১৬৯৮ চনত নবীকৰণ কৰা হয় আৰু এই চার্টাৰ বা চনদখনত এটা নতুন দফা অন্তর্ভুক্তি কৰা হয় যাতে ভাৰতত মিছনেৰী শিক্ষা সুচল কৰা হয়। এই

দফাটিক 'মিছনেৰী দফা' বুলি জনাজাত। এই দফা অনুসৰি ভাৰতত ধৰ্মীয় কাৰ্যকলাপসমূহ অবিৰত চলাই নিবৰ বাবে কোম্পানীয়ে ধৰ্মীয় 'চেপলিন' নিযুক্ত কৰিব লাগিব। কোম্পানীক ভাৰতলৈ পঠোৱা জাহাজত কমেও দুজনকৈ খ্ৰীষ্টিয়ান যাজক লৈ আনিবৰ বাবে পৰামৰ্শ দিয়া হৈছিল চার্টাৰখনত ফেক্টৰীত কাম কৰা কৰ্মচাৰী আৰু সৈনিকসকলৰ সন্তানসকলৰ বাবে স্কুল খুলিবলৈও কোম্পানীক উপদেশ দিয়া হৈছিল। ইয়াৰ ফলস্বৰূপে বিনামূলীয়া চেৰিটি সংস্থাসমূহ স্থাপনৰ বাট খোল খাই গৈছিল। ১৭১৫ চনত এনেধৰণৰ স্কুলসমূহ খোলা হৈছিল, ১৭১৮ চনত বম্বেত আৰু ১৭৩১ চনত কলকতাত। পিছলৈ এইবোৰ চেৰিটি সংস্থাসমূহ টানজৌৰ আৰু কানপুৰতো প্ৰতিষ্ঠা কৰা হয়। তেওঁলোকৰ প্ৰধান লক্ষ্য আছিল— পঢ়া, লিখা আৰু অংক এই তিনিটা আৰ (R) শিকোৱা ইয়াৰ সৈতে শিক্ষা খ্ৰীষ্টিয়ান মতবাদতহে প্ৰদান কৰা হৈছিল। তেওঁলোকে দৰিদ্ৰ শিশুসকলক শিক্ষা প্ৰদান কৰাটো তেওঁলোকৰ পৱিত্ৰ দায়িত্ব বুলি বিবেচনা কৰিছিল। এনেদৰে, এংগলো-ইণ্ডিয়ান আৰু অন্যান্য দৰিদ্ৰ শিশুৰ সন্তানসকলে এইবোৰ স্কুলত শিক্ষা লাভ কৰিছিল। এইবোৰ সংস্থাসমূহ সাধাৰণতে অনুদানৰ দ্বাৰা চলি আছিল আৰু কোম্পানীৰ দ্বাৰা অনিয়মিত অনুদান লাভ কৰিছিল। অৱশ্যে, ইয়াত এইয়া উল্লেখ কৰিব পাৰি যে, কোম্পানীয়ে ইয়াৰ বাবে কোনো স্পষ্ট শৈক্ষিক দায়িত্ব গ্ৰহণ কৰা নাছিল।

- **ধৰ্মীয় নিৰপেক্ষতা নীতি গ্ৰহণ ঃ** ওঠৰশ শতিকাৰ শেষৰ ফালে, কোম্পানীয়ে ইয়াৰ নীতি সলনি কৰিছিল আৰু মিছনেৰীসকলৰ কাৰ্যকলাপসমূহৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। ১৭৬৫ চনৰ পৰা কোম্পানীয়ে প্ৰধানকৈ প্ৰশাসনীয় আৰু সাংস্কৃতিক কাৰণসমূহৰ বাবে ধৰ্মীয় শিক্ষাৰ পৰিৱৰ্তে ধৰ্মীয় নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰিছিল। ভাৰতৰ বিভিন্ন এলেকাসমূহত ব্যৱসায় প্ৰসাৰণৰ বাদেও কোম্পানী ৰাজনৈতিক শক্তি হৈ পৰিছিল আৰু মানুহৰ প্ৰসাসন আৰু শিক্ষাৰ প্ৰতি দায়িত্বশীল হৈ পৰিছিল। ভাৰতত প্ৰশাসন চলাই নিয়াৰ বাবে, তেওঁলোকে শিক্ষিত ভাৰতীয় মানুহৰ প্ৰয়োজন অনুভৱ কৰিছিল আৰু ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি সহানুভূতিক মনোভাৱ দেখুওৱাবলৈ আৰম্ভ কৰিছিল। স্থানীয় মানুহৰ সমৰ্থন লাভৰ বাবে তেওঁলোকে সংস্কৃতি আৰু আৰৱী ভাষাৰ স্থানীয় শৈক্ষিক অনুষ্ঠানসমূহক সহায় কৰিবলৈ আৰম্ভ কৰিছিল।

১৭৮৫ চনত, ৱাৰেন হেষ্টিংগে মুছলীমৰ উচ্চ শিক্ষাৰ বাবে কলকতাত 'কলকতা মাদ্ৰাছা' স্থাপন কৰিছিল। একেধৰণেৰে, জনাথান ডানকেনে বেনাৰসত হিন্দুসকলৰ বাবে 'বেনাৰস সংস্কৃতি কলেজ' স্থাপন কৰিছিল। কোম্পানীয়ে এই অনুষ্ঠানসমূহক বিত্তীয় সাহায্য প্ৰদান কৰিছিল আৰু সুচল পৰিচালনাৰ বাবে পৰ্যবেক্ষকসমূহক নিযুক্তি দিছিল। এইবোৰৰ উপৰিও, কোম্পানীয়ে ১৮০০ চনত কলকতাত ফৰ্ট উইলিয়াম কলেজ আৰু ১৮১৮ চনত চেইণ্ট জৰ্জ কলেজ আৰম্ভ কৰিছিল আৰু ইংৰাজী বিষয়াসকলক আৰু কৰ্মচাৰীসকলক ভাৰতীয়ভাষাত প্ৰশিক্ষণ প্ৰদান কৰিছিল। ১৮১৪ চনৰ জুনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ডাইৰেক্টৰসকলে হিন্দু প্ৰণালীৰ শিক্ষাক উৎসাহিত

কৰাৰ উদ্দেশ্যে এখন জাননী জাৰি কৰিছিল। ১৮২৩ চনত শিক্ষাৰ ব্যৱস্থা কৰিবলৈ বংগত এক কমিটী নিযুক্তি দিয়া হয়। ই সকলো সম্ভাৱনীয় পথসমূহত শিক্ষা প্রচাৰ কৰিবলৈ চেষ্টা কৰিছিল। বস্বেত, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয়সকলক লগতে ইউৰোপিয়ান প্রণালীৰ শিক্ষাক অনুপ্রেৰণা দিবলৈ চেষ্টা কৰিছিল। লগতে ই ভাৰতীয় প্রণালী সিক্ষাৰ কার্যক নিয়ন্ত্রণ কৰাৰ বাবে অনুদানমূলক সাহায্য পদ্ধতি আৰম্ভ কৰিছিল। ওপৰৰ আলোচনাৰ পৰা এইয়া স্পষ্ট হৈছিল যে, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় মানুহৰ পৰা সমর্থন পাবলৈ ধর্মীয় নিৰপেক্ষতা নীতি গ্রহণ কৰিছিল আৰু অনুদানমূলক সাহায্য পদ্ধতি আৰম্ভ কৰি স্থানীয় শিক্ষাৰ প্রণালীক অনুপ্রেৰিত কৰিবলৈ চেষ্টা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ ইয়াণ্ডাবু চুক্তি কোন চনত হৈছিল?

.....

.....

প্রশ্ন নং ১০ ঃ আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ নেতা কোন কোন আছিল?

.....

.....

প্রশ্ন নং ১১ ঃ প্রথম অসমীয়া বাতৰি কাকতখনৰ নাম কি আছিল?

.....

.....

প্রশ্ন নং ১২ ঃ কোন চনত ইংলেণ্ডত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰম্ভ হৈছিল?

.....

.....

প্রশ্ন নং ১৩ ঃ ১৬৯৮ চনৰ চনদখনৰ 'মিছনেৰী দফা' কি হয়?

.....

.....

প্রশ্ন নং ১৪ ঃ কোম্পানীয়ে কিয় ধর্মীয় নিৰপেক্ষতা নীতি গ্রহণ কৰিছিল?

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইউৰোপিয়ানসকলে ১৫শ শতিকা খ্রীষ্টাব্দৰ শেষ চর্তুথাংশৰ পৰা ভাৰতলৈ তেওঁলোকৰ ব্যৱসায়ৰ সম্পর্কত ভ্রমণ কৰিবলৈ আহিছিল। তেওঁলোকে ভাৰতৰ বিভিন্ন অংশসমূহত

ব্যৱসায়িক ঘৰসমূহ স্থাপন কৰিছিল। পর্তুগীজসকল প্ৰথমে আহিছিল। ইয়াৰ পাছত ইউৰোপিয়ান ডেনে ডাটচ, ডেনসমূহ, ফ্ৰান্স আৰু ইংৰাজীসকল ক্ৰমান্বয়ে দেশলৈ অধিগমন কৰিবলৈ ধৰিছিল।

- ইউৰোপিয়ান ধর্মীয় মিছনেৰীসকলে কোম্পানীৰ মানুহসকলৰ সৈতে ভাৰতলৈ আহিবলৈ আৰম্ভ কৰে। মিচনেৰীসকলে ভাৰতত শিক্ষাৰ জৰিয়তে খ্ৰীষ্টিয়ান ধর্ম প্ৰচাৰৰ বাবে ব্যাপক সুযোগসমূহ গ্ৰহণ কৰিছিল। তেওঁলোকে এংগলো-ভাৰতীয় সেৱকসকলৰ সন্তানসকলক শিক্ষা প্ৰদান কৰাৰ লক্ষ্য কৰি স্কুলসমূহ প্ৰতিষ্ঠা কৰিছিল। একে সময়তে তেওঁলোকে এক বৃহৎ সংখ্যক ভাৰতীয় দৰিদ্ৰ লোকসকলক খ্ৰীষ্টিয়ান ধর্মলৈ ধর্মান্তৰণ কৰিছিল আৰু প্ৰাথমিক শিক্ষাৰ দায়িত্ব হাতত তুলি লৈছিল আৰু এক বৃহৎ সংখ্যক 'চেৰিটি স্কুলসমূহ' প্ৰতিষ্ঠা কৰিছিল। ক্ৰমান্বয়ে মিছনেৰীসকলে তেওঁলোকৰ নিজস্ব শিক্ষা পদ্ধতিৰ জৰিয়তে ভাৰতৰ প্ৰায় সকলো চহৰসমূহত শৈক্ষিক অনুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এইদৰে দেশত ইউৰোপিয়ান মিছনেৰীসকলৰ আগমনৰ সৈতে শিক্ষক পর্যায়ত এক নতুন যুগৰ সূচনা হৈছিল।
- মাদ্ৰাছ, কলকতা আৰু বম্বেত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায়, প্ৰশাসন আৰু শৈক্ষিক কার্যকলাপসমূহৰ প্ৰধান কেন্দ্ৰ আছিল।
- ইষ্ট ইণ্ডিয়া কোম্পানী আৰু বার্মা সৈনিকসকলৰ মাজত ইয়াণ্ডাবু চুক্তি স্বাক্ষৰ হোৱাৰ পৰিণতিত ১৮২৬ চনত অসম বৃটিছৰ অধীনলৈ আহে। ১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীৰ এক দল অসমলৈ আহি শদিয়াত কেন্দ্ৰ স্থাপন কৰে। ডাঃ নাথান ব্ৰাউন, অলিভাৰ কার্টাৰ আৰু মাইলচ ব্ৰণ্ডছনে তেওঁলোকৰ সৈতে এটা ছপাশালৰ মেচিন লৈ আহিছিল আৰু স্থানীয় ভাষাত কিতাপ প্ৰকাশ কৰিছিল। এই মিছনেৰীসকলে নগাঁও, তেজপুৰ আৰু গুৱাহাটীকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যক্যত শিক্ষাৰ প্ৰচাৰৰ বাবে প্ৰচেষ্টা কৰিছিল। মিচনেৰীসকলে প্ৰথম অসমীয়া বাতৰি কাকত আৰু অভিধান প্ৰকাশ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নয়নত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তদুপৰি, এইসকল আমেৰিকান মিছনেৰীসকলে অসমীয়া ভাষা আৰু সংস্কৃতিৰ বর্তি থকাৰ বাবে সকলো ধৰণৰ সম্ভাৱনীয় সহায় আৰু পৰামর্শ আগবঢ়াবলৈ দুজন অসমৰ নেতা আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ পৰা সহায় আৰু পৰামর্শ বিচাৰিছিল।
- ইষ্ট ইণ্ডিয়া কোম্পানীৰ শৈক্ষিক নীতি দুটা ভাগত ভগোৱা হৈছিল। প্ৰাথমিক পর্যায়ত, কোম্পানীয়ে স্থানীয় মানুহৰ মাজত খ্ৰীষ্টিয়ান ধর্ম প্ৰসাৰ কৰিবলৈ মিছনেৰীসকলক অনুপ্ৰাণিত কৰিছিল আৰু ইয়াৰ দ্বাৰা মিছনেৰী শিক্ষা সুচল হৈছিল। কিন্তু পিছলৈ প্ৰশাসনিক কাৰণত কোম্পানীয়ে ইয়াৰ নীতি সলনি কৰে আৰু ভাৰতীয় মানুহৰ পৰা সমর্থন পাবৰ বাবে ধর্মীয় নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰিছিল।



৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Borua, J. (2011) *Bharatar Siksha Itihasar Adhayayan*, L.B.S. Publications, Guwahati.

২) Mukerjee, S. N. (1979) *Education in India, Today and Tomorrow*, Acharya Book Depot, Vadodara.

৩) Naik and Nurillah (1996) *A Student's History of Education in India*, Macmillan India.

৪) Rawat, P.L. (2008) *History of Indian Education*, Ram Prasad Publications, Agra.

৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৪৯৮ খ্রীষ্টাব্দ।

২ নং প্রশ্নৰ উত্তৰ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকল।

৩ নং প্রশ্নৰ উত্তৰ ঃ চেৰিটি স্কুল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ডেনিছ মিছনেৰীসকল।

৫ নং প্রশ্নৰ উত্তৰ ঃ মনিটৰিয়েল প্রণালী মাদ্রাছত ড° এনড্রিও বেলে আৰম্ভ কৰা এক শৈক্ষিক প্রণালী। এই পদ্ধতি জ্যেষ্ঠ শিক্ষার্থীসকলক কনিষ্ঠ শিক্ষার্থীসকলক শিক্ষা দিবলৈ নিযুক্তি দিয়া হৈছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ উইলিয়াম ৰার্ড, ক্লার্ক মার্চমেন আৰু উইলিয়াম কেৰী।

৭ নং প্রশ্নৰ উত্তৰ ঃ গোৱা, দমন আৰু দিউ।

৮ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতলৈ অহা সকলো প্রাৰম্ভিক মিছনেৰীসকলৰ ভিতৰত আটাইতকৈ বিশিষ্টজন আছিল চেণ্ট জেভিয়াৰ। তেও ৰোমান কেথলিক ধর্মৰ সন্ন্যাসী স্কীজমৰ অনুচৰ আছিল আৰু শিক্ষাৰ ক্ষেত্রত ভাৰতত এক লক্ষণীয় কাম কৰিছিল। ১৫৪২ চনত, তেওঁ হাতত এখন বাইবেল লৈ গাঁৱে গাঁৱে পদযাত্রা কৰিছিল আৰু খ্রীষ্টিয়ান ধর্ম প্রচাৰ কৰি ফুৰিছিল। তেওঁ কৌচিনত এখন ছপাশাল স্থাপন কৰিছিল আৰু গাঁৱত খ্রীষ্টিয়ান সম্পর্কীয় সৰু সৰু কিতাপ বিতৰণ কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰ ঃ ১৮২৬।

১০ নং প্রশ্নৰ উত্তৰ ঃ ডাঃ নাথান ব্রাউন।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ অৰুণোদয়।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৫৯৯।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'মিছনেৰী দফা' অনুসৰি ভাৰতত ধৰ্মীয় কাৰ্যকলাপসমূহ অবিৰত চলাই নিবৰ বাবে কোম্পানীয়ে ধৰ্মীয় 'চেপলিন' নিযুক্ত কৰিব লাগিব। কোম্পানীক ভাৰতলৈ পঠোৱা জাহাজত কমেও দুজনকৈ খ্ৰীষ্টিয়ান যাজক লৈ আনিবৰ বাবে পৰামৰ্শ দিয়া হৈছিল।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ কোম্পানীয়ে প্ৰধানকৈ প্ৰশাসনিক আৰু সাংস্কৃতিক কাৰণসমূহৰ বাবে ধৰ্মীয় নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰিছিল। যেতিয়া কোম্পানী ৰাজনৈতিক শক্তি হৈ পৰিছিল, তেতিয়া ভাৰতীয় মানুহৰ প্ৰশাসন আৰু শিক্ষাৰ দায়িত্ব ল'ব লগা হৈছিল। ভাৰতত প্ৰশাসন চলাই নিয়াৰ বাবে, তেওঁলোকে শিক্ষিত ভাৰতীয় মানুহৰ প্ৰয়োজন অনুভৱ কৰিছিল। স্থানীয় মানুহসমূহৰ সমৰ্থন পাবৰ বাবে কোম্পানীয়ে ধৰ্মীয় নিৰপেক্ষৰতা নীতি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল।



৪.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'ভাৰতৰ বৰ্তমানৰ শৈক্ষিক প্ৰণালীৰ আৰম্ভণি খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ প্ৰচেষ্টাৰ পৰা হৈছিল বুলি চিহ্নিত কৰিব পাৰি'। আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মাদ্ৰাছ আৰু বেংগলত মিছনেৰীসকলৰ শৈক্ষিক কাৰ্যকলাপসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমত মিছনেৰীসকলৰ শৈক্ষিক কাৰ্যকলাপসমূহৰ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ অসমত খ্ৰীষ্টিয়ান মিছনেৰীসকলে সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শৈক্ষিক কাৰ্যকলাপসমূহ আলোচনা কৰক।

(ক) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

চমুটোকা লিখক ঃ

(ক) এনড্ৰিও বেলৰ শৈক্ষিক বৰঙণি।

(খ) শ্ৰীৰামপুৰ ট্ৰিও।

(গ) অসমত আমেৰিকান বেপ্টিষ্ট মিছনেৰী

(ঘ) ইষ্ট ইণ্ডিয়া কোম্পানীৰ ধৰ্মীয় নিৰপেক্ষতা নীতি

(ঙ) চেৰিটি স্কুল।

*** ***** ***

অধ্যায় ৫ ঃ চার্টাৰ আইন ১৮১৩

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ১৮১৩ চনৰ চার্টাৰ আইন
৫.৩.১ প্ৰাচ্য পাশ্চাত্যৰ বাদানুবাদ
৫.৩.২ মেকলেৰ প্ৰতিবেদন
৫.৩.৩ বেন্টিংকৰ শিক্ষানীতি
৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৫ অধিক জানিবলৈ
৫.৬ অগ্ৰগতিৰ খতিয়ান
৫.৭ সম্ভাব্য প্ৰশ্ন
৫.৮ প্ৰসংগ গ্ৰন্থসমূহ

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ১৮১৩ চনৰ চার্টাৰ আইনৰ তাৎপর্য্য ব্যাখ্যা কৰিব পাৰিব।
- প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত সৃষ্টি হোৱা বিবাদৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- মেকলেৰ প্ৰতিবেদনৰ পৰামর্শ বর্ণনা কৰিব পাৰিব।
- বেন্টিংকৰ শিক্ষানীতি ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

ভাৰতবর্ষৰ জনসাধাৰণৰ শিক্ষাৰ ক্ষেত্ৰত ১৮১৩ চনৰ আগৰ সময়ছোৱাত বিভিন্ন ধর্মীয় সংগঠনে কিছু পৰিমাণে নিজাববীয়াকৈ প্ৰচেষ্টা চলাইছিল যদিও ১৮১৩ চনৰ চার্টাৰ আইনৰ পাচতহে ৰাষ্ট্ৰীয় পর্যায়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন হোৱাৰ কথা শিক্ষাৰ ইতিহাসত পোৱা যায়। এই অধ্যায়টোত আমি ১৮১৩ চনৰ চার্টাৰ আইনৰ বৈশিষ্ট্যমূলক দিশৰ লগতে তাৎপর্য্য; মেক'লেৰ প্ৰতিবেদন, বেন্টিংকৰ শিক্ষানীতি আদিয়ে ইংৰাজ ৰাজত্ব কালত ভাৰতবর্ষত কি ধৰণে ৰেখাপাত কৰিছিল সেইবিষয়ে আলোচনা কৰিম।

৫.৩ ১৮১৩ ৰ চার্টাৰ আইন

ইষ্ট ইণ্ডিয়া কোম্পানীৰ চনদ প্রতি বিশ বছৰৰ মূৰে মূৰে নবীকৰণ কৰা হৈছিল। এই মর্মে ১৮১৩ চনত যেতিয়া কোম্পানীৰ চনদ নবীকৰণৰ সময় হ'ল, তেতিয়া অন্যান্য বিষয়ৰ লগতে ইয়াত দুটা শিক্ষা সম্পর্কীয় বিষয়েও গুৰুত্ব লাভ কৰে। প্রথমতে, মিছনেৰীসকলক ভাৰতবর্ষত প্রৱেশ কৰিবলৈ আৰু ধর্মপ্রচাৰ কৰিবলৈ দিয়া হ'ব নে নহয়; দ্বিতীয়তে, কোম্পানীয়ে ভাৰতীয় লোকসকলৰ শিক্ষাৰ দায়িত্ব বহন কৰিব নে নকৰে? যদি কৰে, শিক্ষাৰ প্রকৃতি আৰু পৰিসৰ কি ধৰণৰ হ'ব? উল্লেখযোগ্য যে, ১৮১৩ চনৰ চার্টাৰ আইনে মিছনেৰীসকলক ধর্ম তথা শিক্ষাৰ প্রসাৰৰ অর্থে ভাৰতবর্ষলৈ আহিবলৈ অনুমতি দিয়ে। আকৌ, শিক্ষাৰ দায়িত্ব লোৱাৰ সম্পর্কত প্রধানকৈ কোম্পানীৰ ডিৰেক্টৰসকলে বিৰোধিতা কৰিছিল। তথাপিও চার্লচ, গ্রান্ট, ইউলবাৰফোর্চ আদিৰ প্রচেষ্টাৰ ফলস্বৰূপে ১৮১৩ চনৰ চার্টাৰ আইনৰ ৪৩ নং অনুচ্ছেদত এটা শিক্ষামূলক দফা সন্নিবিষ্ট হয়। ইয়াত কোৱা হয় যে—

It shall be lawful for the governor general in council to direct that out of any surplus which may remain of the rents, revenues, and profits arising from the said territorial acquisitions, after defraying the expenses of the military, civil and commercial establishments and paying the interest of the debt, in manner hereinafter provided a sum of not less than one lac of rupees in each year shall be set apart and applied to the revival and improvement of literature and the encouragement of the learned natives of India and for the introduction and promotion of a knowledge of the science among the inhabitants of the british territories in India.

অর্থাৎ, কোম্পানীৰ মিলিটেৰী, নাগৰিকসকল, ব্যৱসায় বাণিজ্য প্রতিস্থান আৰু অন্যান্য দিশৰ ধাৰৰ সূদ পৰশোধৰ বাবে হোৱা খৰছ বহন কৰি ৰাহি হোৱা ধনৰ পৰা বছৰি কমেও একলাখ টকা পৃথকভাৱে ৰাখিব লাগে। এই ধনেৰে ভাৰতত সাহিত্যৰ পুনৰ জাগৰণ আৰু উন্নতি সাধন আৰু ইংৰাজ শাসিত অঞ্চলত থকা শিক্ষিত স্বদেশী ভাৰতীয় সকলৰ মাজত জ্ঞান-বিজ্ঞান বিকাশ সাধন কৰিব লাগে। এনে এটি শিক্ষামূলক দফাৰ অন্তর্ভুক্তিৰে কোম্পানীয়ে ভাৰতবর্ষত প্রাচ্যশিক্ষা অব্যাহত ৰখাৰ লগতে পশ্চিমীয়া শিক্ষাও প্রৱর্তন কৰিব বিচাৰিছিল। মুঠতে, ১৮১৩ চনৰ চার্টাৰ আইনৰ ফলত কোম্পানী ভাৰতবর্ষৰ শিক্ষাৰ দায়িত্ব ল'বলৈ বাধ্য হ'ল। অকল এয়ে নহয়, ভাৰতীয় জনসাধাৰণৰ ওপৰতো এই আইনৰ প্রভাৰ বাৰুকৈয়ে পৰিছিল। বহুতো উৎসাহি ভাৰতীয়ই নিজৰ সভ্যতা-সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে দেশীয় শিক্ষানুষ্ঠান স্থাপন কৰিছিল। মিছনেৰীসকলেও পূর্বৰ অৱস্থা লাভ কৰি শিক্ষা প্রসাৰ কার্যত ব্যস্ত হৈছিল। ভাৰতবর্ষৰ শিক্ষাৰ দায়িত্ব বহন কৰি কোম্পানীয়েও নিজৰ তত্বাৱধানত বহুতো স্কুল-কলেজ স্থাপন কৰে। এনেদৰেই ১৮১৩ চনৰ চার্টাৰ আইনৰ ফলতেই

ভাৰতবৰ্ষত আধুনিক শিক্ষা পদ্ধতিৰ ভেঁটি স্থাপন হয়। ১৩১৮ চনৰ চার্টাৰ আইনৰ যোগেদি ভাৰতবৰ্ষৰ শিক্ষাৰ দায়িত্ব বৃটিছ চৰকাৰ অর্থাৎ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ আহিল। লগে লগে তেওঁলোকৰ পূর্বৰ মনোভাৱৰো সলনি হ'ল আৰু জনসাধাৰণৰ শান্তি আৰু শিক্ষাৰ উন্নতিৰ হকে নিজকে উচৰ্গা কৰিবলৈ ধৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ বা অশুদ্ধ নির্ণয় কৰক ঃ

(ক) চার্টাৰ আইনখন হ'ল ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্রথম আইন।

(খ) ১৮১৩ চনত চার্টাৰ আইনখন গঠন কৰা হয়?

(গ) মেকলেৰ প্রতিবেদনখনে প্রাচ্য সাহিত্যৰ বিকাশৰ অর্থে কোষৰ টকা খৰছ কৰাৰ বাবে প্রস্তাৱ আগবঢ়াইছিল।

(ঘ) ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগত মিছনেৰীসকলে খ্রীষ্টধর্ম প্রচাৰৰ বাবে শক্তিশালী ভূমিকা গ্রহণ কৰিছিল।

(ঙ) ১৮১৩ চনৰ চার্টাৰ আইনখনে ভাৰতবৰ্ষৰ জনসাধাৰণক শিক্ষা দিয়াৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীক বাধ্য কৰা নাছিল।

৫.৩.১ প্রাচ্য আৰু পাশ্চাত্যৰ মাজৰ বিবাদ

১৮১৩ চনৰ চনদৰ ৪৩নং অনুচ্ছেদ অনুযায়ী ভাৰতবৰ্ষৰ শিক্ষাৰ দায়িত্ব ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ আহে। চনদত আকৌ এইবুলি উল্লেখ আছিল যে কোম্পানীৰ আয়ৰ পৰা যি ধন ৰাহি হ'ব, তাৰপৰাই বছৰি ১ লাখকৈ টকা ভাৰতত শিক্ষাৰ অর্থে খৰচ কৰা হ'ব। কিন্তু এই ধনখিনি কিদৰে খৰচ কৰা হ'ব সেই সম্বন্ধে কোনো স্পষ্ট নীতি চনদত উল্লেখ কৰা হোৱা নাছিল। স্বাভাৱিকতে, এই বিষয়টোৱে জটিলতাৰ সৃষ্টি কৰিলে আৰু প্রধানকৈ চাৰিটা বিষয়ক লৈ বিভিন্ন দলৰ মাজত মতভেদৰ সৃষ্টি হোৱা দেখা গ'ল।

প্রথমতে, **শিক্ষাৰ উদ্দেশ্য কি হোৱা উচিত?**, এই প্রসংগত এটা দলে মত দিয়ে যে ভাৰতীয় শিক্ষাৰ উন্নতি সাধনেই ইংৰাজসকলৰ প্রধান কর্তব্য হোৱা উচিত। আনটো দলে আকৌ ভাৰতীয় জনসাধাৰণৰ মাজত পশ্চিমীয়া সাহিত্য আৰু বিজ্ঞানৰ প্রৱর্তন আৰু প্রসাৰ কার্যই গুৰুত্ব পাব লাগে বুলি মত প্রকাশ কৰে। তৃতীয় দলৰ মতে, ভাৰতীয়সকলক কোম্পানীৰ তলত চাকৰিৰ বাবে উপযুক্ত কৰি তোলাটোৱেই শিক্ষাৰ লক্ষ্য হ'ব লাগে।

দ্বিতীয়তে, **শিক্ষা পৰিচালনাৰ দায়িত্ব কোনে ল'ব?**, এই প্রসংগতো ঘোৰ বাক-বিতণ্ডাৰ সৃষ্টি হোৱা দেখা যায়। এটা দলে যুক্তি আগবঢ়ায় যে শিক্ষানুষ্ঠানসমূহৰ

সংগঠনৰ ক্ষেত্ৰত মিছনেৰীসকল বেছি উপযুক্ত। গতিকে শিক্ষা পৰিচালনাৰ দায়িত্ব তেওঁলোকৰ হাততে অৰ্পণ কৰা উচিত। দ্বিতীয় দলৰ মতে, বিদ্যালয় স্থাপন কৰা আৰু পৰিচালনাৰ দায়িত্ব ভাৰতীয় সকলৰ হাততে অৰ্পণ কৰিব লাগে। তৃতীয় দলৰ মতে, বিদ্যালয় স্থাপন আৰু পৰিচালনাৰ ক্ষেত্ৰত কোম্পানীৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ থাকিব লাগে।

তৃতীয়তে, **শিক্ষা বিস্তাৰৰ পদ্ধতি কি ধৰণৰ হ'ব,** সেই বিষয়েও দুটা মতামত দেখা যায়। এটাৰ মতে, শিক্ষা সদায়ে উচ্চ শ্ৰেণীৰ পৰাই নিম্ন শ্ৰেণীলৈ নিগৰিত হয়। গতিকে কোম্পানীয়ে কেৱল সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকলকহে শিক্ষা দিয়াটো প্ৰয়োজন আৰু সেইসকল শিক্ষিত হৈ তলৰ শ্ৰেণীৰ লোকক শিক্ষা দিব পাৰিব। এইটোৱে হৈছে বিখ্যাত **'নিম্ন পৰিশ্ৰাৱন নীতি'** (Downward Filtration theory)। কিন্তু আনটো দলে 'নিম্ন পৰিশ্ৰাৱন নীতি'ৰ বিৰোধিতা কৰি মত প্ৰকাশ কৰে যে কোম্পানীয়ে প্ৰত্যক্ষভাৱে ভাৰতীয় জনগণক শিক্ষাদানৰ দায়িত্ব বহন কৰিব লাগে।

শেষত, শিক্ষাৰ মাধ্যম সম্পৰ্কতো তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হোৱা দেখা যায়। প্ৰথম দলটোৱে সংস্কৃত আৰু আৰবী ভাষাৰ পোষকতা কৰে আৰু এইবোৰ ভাষাৰ জৰিয়তে পশ্চিমীয়া জ্ঞান আৰু বিজ্ঞানৰ বিস্তাৰ সাধন হ'ব লাগে বুলি মত প্ৰকাশ কৰে। দ্বিতীয় দলটোৱে আধুনিক ভাৰতীয় ভাষাসমূহ শিক্ষাৰ মাধ্যম হোৱাটো বিচাৰিছিল। কিয়নো তেওঁলোকৰ মতে এইবোৰ ভাষাৰ জৰিয়তেহে ভাৰতীয়সকলে পশ্চিমীয়া জ্ঞান ঢুকি পাব। তৃতীয় দলটোৱে ইংৰাজী মাধ্যমৰ জৰিয়তে পশ্চিমীয়া শিক্ষা-সংস্কৃতিৰ বিস্তাৰ হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল।

১৮২৩ চনত গৱৰ্ণৰ জেনেৰেলৰ পৰিষদে বংগদেশৰ বাবে জনসাধাৰণৰ শিক্ষাৰ সাধাৰণ সমিতি, (General Committee of public Instruction) গঠন কৰি দিয়ে। সকলো চৰকাৰী স্কুলৰ দায়িত্ব এই সমিতিৰ ওপৰতে অৰ্পণ কৰা হৈছিল; লগতে ১৮১৩ চনৰ চনদত উল্লেখ কৰা ১ লাখ টকাৰ অনুদানৰ বিষয়টোও এই সমিতিকে পৰিচালনা কৰাৰ ভাৰ দিয়া হৈছিল। সমিতিয়ে প্ৰথম অৱস্থাত ১৮১৩ চনৰ অনুদানৰ বৃহৎ অংশ প্ৰাচ্য শিক্ষা বিস্তাৰৰ অৰ্থে খৰচ কৰিছিল। কিন্তু ইংৰাজী শিক্ষা প্ৰৱৰ্তনৰ প্ৰতি জনসাধাৰণৰ দাবী দ্ৰুতভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সমিতিৰ দোদুল্যমান অৱস্থা হ'ল (In 1823, the committee was perhaps justified in holding on to classical education for fear of offending Indian people, but its persistence in this policy in the face of a public demand to the contrary led to a split in the committee itself.)।

সমিতিৰ সদস্য সংখ্যা আছিল দহজন। ইয়াৰে পাঁচজন সদস্যই প্ৰাচ্য সাহিত্যক উৎসাহিত কৰা নীতি সমৰ্থন কৰিছিল আৰু এওঁলোকক প্ৰাচ্যপন্থী বুলি জনা গৈছিল।

আন পাঁচজনে ইংৰাজী শিক্ষাক সমর্থন কৰিছিল আৰু তেওঁলোকক পাশ্চাত্যপন্থী হিচাবে জনা গৈছিল। সমিতিৰ সভাপতি আছিল লর্ড মেক্‌লে (Thomas Babington Macaulay)। প্রাচ্যপন্থীসকল নেতৃত্ব দিছিল H. T. Prinsep এ। তেওঁ সেইসময়ত বংগপ্রদেশৰ শিক্ষা বিভাগৰ সচিব আছিল আৰু তেওঁক অনুকৰণ কৰিছিল কোম্পানীৰ সেৱাৰ বয়সীয়াল সদস্যসকলে। প্রাশচাত্য পন্থীসকলৰ নির্দিষ্ট কোনো নেতা নাছিল। এইটো দলত অন্তর্ভুক্ত হৈছিল কোম্পানীৰ কমবয়সীয়া সেৱকসকল, যিসকলে জনসাধাৰণৰ শিক্ষা সাধাৰণ সমিতিৰ সভাপতি লর্ড মেক্‌লেৰ সমর্থন লাভ কৰিছিল। দুয়োটা দলৰে সদস্য সংখ্যা সমান সংখ্যক হোৱা হেতুকে সমস্যাটো সমাধানৰ ক্ষেত্রতয সহজে সিদ্ধান্তত উপনীত হোৱাটো কঠিন হৈ পৰিছিল।

১৮১৩ চনৰ চনদৰ ৪৩ নং অনুচ্ছেদ সম্পর্কে প্রাচ্যপন্থীসকলে এইবুলি যুক্তি আগবঢ়াইছিল যে চনদত উল্লেখিত 'সাহিত্য' (Literature) শব্দই ভাৰতবর্ষৰ দুটা ডাঙৰ সম্প্রদায় হিন্দু আৰু মুছলমানসকলৰ সাহিত্যক বুজাইছে (The literature meant to be so revived and encouraged was the literature of the two great classes of population, the moosulmans and the Hindus.)।

দ্বিতীয়তে, চনদত উল্লেখিত Learned Natives অর্থাৎ শিক্ষিত ভাৰতীয় এই শব্দই সেইসকল লোকক বুজাইছে যিসকলে প্রাচ্য দেশীয় শিক্ষাত পাণ্ডিত্য লাভ কৰিছে। তৃতীয়তে, চনদৰ 'বিজ্ঞান শিক্ষাৰ প্রৱর্তন আৰু উন্নতিৰ বাবে' (The introduction and promotion of a knowledge of the science) এই সম্পর্কত প্রাচ্যপন্থীসকলে যুক্তি আগবঢ়াই যে ভাৰতীয়সকলৰ ইউৰোপীয় জ্ঞান আৰু বিজ্ঞানৰ প্রতি কুসংস্কাৰ আছে। গতিকে ভাৰতীয় ভাষাসমূহৰ জৰিয়তেহে বিজ্ঞান শিক্ষাৰ প্রৱর্তন কৰিব লাগে। মুঠতে প্রাচ্যপন্থীসকলৰ ***প্রাচ্য ভাষা***-সংস্কৃতিৰ প্রতি গভীৰ আসক্তি আছিল আৰু সেইবাবে ১৮১৩ চনৰ চনদত ধার্য কৰা ১ লাখ টকা প্রাচ্য শিক্ষাৰ উন্নতিৰ নিমিত্তে খৰচ কৰিব লাগে বুলি মত প্রকাশ কৰিছিল।

আনহাতে পাশ্চাত্যপন্থীসকলে প্রাচ্য ভাষাসমূহৰ পৰিবর্তে ইংৰাজী ভাষাৰ জৰিয়তে শিক্ষাদানৰ পোষকতা কৰে। ইউৰোপীয় জ্ঞান আৰু বিজ্ঞান শিক্ষাৰ প্রসাৰেই কোম্পানীৰ শিক্ষা নীতিৰ মূল উদ্দেশ্য হোৱা উচিত বুলি এওঁলোকে বিশ্বাস কৰে। এই দলৰ মতে শিক্ষাদান ইংৰাজী মাধ্যমৰ জৰিয়তে হোৱা উচিত আৰু শিক্ষাৰ বাবে ধার্য কৰা সকলো ধন কেৱল পশ্চিমীয়া শিক্ষাৰ উন্নতিৰ বাবে খৰচ কৰা উচিত। তেওঁলোকে আনকি প্রাচ্য শিক্ষাৰ সকলো অনুষ্ঠান বন্ধ কৰি দিব লাগে বুলিও মত প্রকাশ কৰিছিল।

প্রথম অৱস্থাত প্রাচ্যপন্থীসকলৰ যুক্তিয়ে যদিও বেছি গুৰুত্ব পাইছিল পিচলৈ পাশচাত্য পন্থীসকলেহে সেই গুৰুত্ব লাভ কৰিবলৈ সমর্থ হৈছিল। এইদৰে প্রাচ্যপন্থী আৰু পাশচাত্যপন্থীসকলৰ মাজত চলা বিবাদখন ১২ বছৰ জুৰি চলিছিল। অৱশেষত



প্রাচ্যৰ ভাষাসাহিত্য ঃ সংস্কৃত, আৰবীয় আদি ভাষা।
পাশ্চাত্যৰ ভাষা সাহিত্য ঃ পশ্চিমীয়া বা ইংৰাজী সাহিত্য।

১৮৩৫ চনত দুয়োটা দলেই সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্য নিজস্ব যুক্তি সম্বলিত পত্ৰ গৱৰ্ণৰ জেনেৰেলৰ পৰিষদৰ ওচৰত দাখিল কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ 'জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচন' কোন চনত গঠন কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ 'জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্ৰাকচন' কোনে গঠন কৰি দিছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ কমিটিখন কিমানজন সদস্যৰে গঠিত হৈছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ প্ৰাচ্য-পাশ্চাত্যৰ বাদানুবাদ সৃষ্টি হোৱাৰ মূল কাৰণবোৰ কি কি?

.....

.....



৫.৩.২ মেক'লেৰ প্ৰতিবেদন

১৮১৩ চনৰ চনদৰ ৪৩ নং ধাৰাক লৈ প্ৰাচ্যপন্থী আৰু পাশ্চাত্যপন্থীসকলৰ মাজত তুমুল বিবাদ চলি থকাৰ সময়তেই লৰ্ড মেকলে ১৮৩৪ চনৰ ১০ জুনত ভাৰতত পদাৰ্পণ কৰে। লৰ্ড মেকলে এগৰাকী সাৰ্থক লিখক, পণ্ডিত আৰু বাগ্মীপুৰুষ আছিল। তেওঁক জনসাধাৰণৰ শিক্ষাৰ সাধাৰণ সমিতিৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছিল। লগতে তেওঁ গৱৰ্ণৰ জেনেৰেলৰ কাৰ্যবাহী পৰিষদৰ এগৰাকী আইনজ্ঞ সদস্যও আছিল। গতিকে প্ৰাচ্য আৰু পাশ্চাত্যপন্থীসকলৰ মজাত চলা বিবাদখন নিষ্পত্তি কৰাৰো দায়িত্ব মেকলেৰ ওপৰত পৰিল আৰু ১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে মেক্‌লে তেওঁৰ ঐতিহাসিক প্ৰতিবেদনখনত নিজস্ব যুক্তি প্ৰকাশ কৰি বিবাদখনৰ অন্ত পেলায়। মেক্‌লে ১৮১৩ চনৰ চনদৰ ৪৩ নং ধাৰাটোৰ সম্পৰ্কত তেওঁৰ প্ৰতিবেদনত এইবুলি ব্যাখ্যা কৰে যে 'সাহিত্য' শব্দই ইংৰাজী সাহিত্যকহে বুজাইছে। আকৌ 'শিক্ষিত ভাৰতীয়' (Learned natives) বোলোতে সেইসকল ভাৰতীয়কহে বুজাইছে যিসকলে ল'কৰ দৰ্শন আৰু মিল্টনৰ কবিতা বুজি পায়। লগতে বিজ্ঞান শিক্ষাৰ প্ৰবৰ্তন আৰু উন্নতি সাধনৰ যি কথা কোৱা হৈছে সেয়াও কেৱল সম্ভৱ ইংৰাজী মাধ্যমৰ জৰিয়তেহে। মেক্‌লে এইবুলি ভাবুকি দিছিল যে যদি

তেওঁৰ যুক্তিক মানি লোৱা নহয়, তেন্তে ১৮১৩ চনৰ চনদৰ ৪৩ নং ধাৰাটোৱে সংশোধন কৰাৰ প্ৰস্তাৱ দিব। প্ৰাচ্য শিক্ষাৰ অনুষ্ঠানবোৰ চলাই ৰখাৰো বিৰোধী আছিল লৰ্ড মেক্‌লে। তেওঁৰ মতে যিহেতু এই অনুষ্ঠানবোৰে কোনো দৰকাৰী উদ্দেশ্য সাধন কৰিব পৰা নাই, সেইবাবে ইয়াক বন্ধ কৰি দিব লাগে। মেক্‌লে কৈছিল, The Grants which are made from the public purse for the encouragement of literature differ in no respects for the grants which are made from the same purse for other objects of real or supposed utility. We found a sanitorium on a spot which we suppose to be healthy. Do we thereby pledge ourselves to keep sanitorium there if the result should not answer our expectations? We commence the erection of a pier. It is a violation of the public faith to stop work if we afterwards see reason to believe that building will be useless.

শিক্ষাৰ মাধ্যম সম্পৰ্কত মেক্‌লেই মত দিয়ে যে ইংৰাজী ভাষাই হ'ব আটাইতকৈ বেছি উপযোগী মাধ্যম। আচৰিত কথা এয়ে যে প্ৰাচ্যপন্থী আৰু পাশ্চাত্যপন্থী দুয়োটা দলেই শিক্ষাৰ মাধ্যম হিচাবে মাতৃভাষাৰ দাবীক একাষৰীয়াকৈ থৈ দিছিল। সংস্কৃত, আৰবী অথবা পাৰ্চী কোনো এটা ভাষাতেই মেক্‌লেই অভিজ্ঞ নাছিল। এই দুয়োটা ভাষাত লিখা সকলো কিতাপৰ মূল্য ইউৰোপীয় এটা ভাল পুথিভঁড়ালৰ এথাক কিতাপৰ সমান (A single shelf of a good European literature was worth the whole native literary of India and Arabia.)। ইয়াৰ দ্বাৰাই মেক্‌লে তেওঁৰ অজ্ঞতা, অহংকাৰ আৰু দাম্ভিকতাকেই প্ৰকাশ কৰিছে। ইংৰাজী ভাষাৰ সপক্ষে তেওঁ এইবুলি যুক্তি প্ৰদৰ্শন কৰিছিল যে, ই হৈছে শাসক গোষ্ঠীৰ ভাষা। গোটেই প্ৰাচ্যত ই বাণিজ্যিক ভাষা হিচাপে পৰিগণিত হৈছে। ইংৰাজী ভাষাই ভাৰতবৰ্ষৰ দেশৰ জনগনক ঐক্যবদ্ধ হোৱাত সহায় কৰিব পাৰিব। ইংৰাজী ভাষাই হৈছে পাশ্চাত্যৰ প্ৰধান ভাষা। ভাৰতীয়সকল নিজেও ইংৰাজী শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী।

ইংৰাজী শিক্ষাৰ প্ৰতি ভাৰতীয় মানুহৰ কুসংস্কাৰ সম্পৰ্কত মেক্‌লে মত প্ৰকাশ কৰে যে, ভাৰতীয়সকলক জিভাৰ স্বাদৰ নহয়, স্বাস্থ্যৰ পক্ষে কি উপকাৰী তাক শিকোৱাটোহে ইংৰাজসকলৰ কৰ্তব্য। শিক্ষা বিস্তাৰৰ পদ্ধতি সম্পৰ্কত মেক্‌লেৰ মত হ'ল— ভাৰতবৰ্ষত এনে এচাম লোকৰ সৃষ্টি কৰিব লাগিব যিসকল বৃটিছ শাসক আৰু কোটি কোটি প্ৰজাৰ মধ্যস্থতাকাৰীৰূপে অৱতীৰ্ণ হ'ব। এইসকল ভাৰতীয় তেজ-মঙহৰ হ'ব কিন্তু তেওঁলোক ৰুচি, মতামত, নৈতিকতা আৰু বৌদ্ধিক ক্ষেত্ৰত ইংৰাজৰ লেখিয়া হ'ব। এইসকল লোকেই শিক্ষিত হৈ পশ্চিমীয়া সাহিত্যৰ দ্বাৰা

নিজৰ উপভাষাসমূহক চহকী কৰি তেওঁলোকৰ বৃহত্তৰ জনগণক শিক্ষা দিয়াৰ দায়িত্ব বহন কৰিব পাৰিব। মেক্‌লেৰ এই পদ্ধতিটোক 'নিম্নমুখী পৰিশ্ৰাৱন নীতি' হিচাপে জনা যায়। পৰিশ্ৰাৱণৰ অর্থ হ'ল শোধন হোৱা। শোধন পাত্ৰত পানী যেনেকৈ ওপৰৰ পৰা তললৈ নিগৰি নিগৰি শেষত আটাইখিনি পানীয়েই শোধন হয় ঠিক সেইদৰে মেক্‌লেৰ এই শিক্ষা পদ্ধতিত শিক্ষাও ওপৰ শ্ৰেণীৰ লোকৰ পৰা তলৰ শ্ৰেণীলৈ নিগৰি পৰিব আৰু এইদৰে ভাৰতৰ সকলো লোকেই এদিন শিক্ষিত হ'ব। মেক্‌লেই আৰু আশা কৰিছিল যে তেওঁলোকৰ এই সুশিক্ষাৰ বাবে এনে এটা দিন আহিব, যিদিনা নেকি ভাৰতবাসীয়ে ইউৰোপীয় শিক্ষানুষ্ঠানৰ দাবী কৰিব। আচলতে মেক্‌লেই এমুঠিমান ভাৰতীয় বুদ্ধিজীৱিৰ জৰিয়তে ভাৰতীয় শিক্ষা ব্যৱস্থাক পশ্চিমীয়াকৰণৰ চেষ্টা কৰিছিল।

বাস্তবিকতে কোনো কোনোৱে মত প্ৰকাশ কৰে যে ভাৰতৰ প্ৰগতিৰ পথত তেওঁ হৈছে পোহৰ বিলাওতা (Tourch bearer in the Path of Progress)। ধর্ম আৰু আইনৰ ভাষা হিচাবে সংস্কৃত আৰু আৰবী অধ্যয়ন সম্পর্কত তেওঁ কয় যে চৰকাৰৰ পক্ষে উত্তম উপায় হ'ব হিন্দু আৰু মুছলমান উভয় আইনকে ইংৰাজী ভাষাত আইনর্ভুক্ত কৰা। ধর্ম সম্পর্কত মেক্‌লেই কঠোৰ ধর্ম নিৰপেক্ষতা নীতি গ্ৰহণ কৰিছিল আৰু ভাৰতীয় জনগণৰ ধর্মীয় বিষয়ত হস্তক্ষেপ কৰাৰ ইচ্ছা কৰা নাছিল। তেওঁৰ মতে, শিক্ষা যদি সংস্কৃত আৰু আৰবীৰ জৰিয়তে দিবলগীয়া হয় তেনেহ'লে বুৰঞ্জী, চিকিৎসাবিদ্যা, দর্শন আদিৰ ভুল শিক্ষা দিয়াহে হ'ব কিয়নো এই সকলোবোৰ বিষয় ভুল ধর্মৰ লগত জড়িত। এইবোৰৰ পৰিপ্ৰেক্ষিতত মেক্‌লেই তীব্ৰভাৱে এই মত দিছিল যে

ভাৰতবর্ষত কোম্পানীৰ শিক্ষা নীতিৰ উদ্দেশ্য হ'ব ইংৰাজী মাধ্যমৰ জৰিয়তে পশ্চিমীয়া শিক্ষাৰ বিস্তাৰ সাধন কৰা। লগতে প্ৰচলিত প্ৰাচ্য শিক্ষাৰ অনুষ্ঠানসমূহ ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ অর্থে ব্যৱহাৰ কৰিব লাগে বুলি মেক্‌লেই পৰামর্শ আগবঢ়াইছিল।

মেক্‌লেৰ প্ৰতিবেদনখন সেইসময়ৰ ভাৰতবর্ষৰ গৱর্ণৰ জেনেৰেল লর্ড উইলিয়াম বেন্টিংকে গ্ৰহণ কৰে আৰু এই প্ৰতিবেদনৰ আধাৰতেই ১৮৩৫ চনৰ ৭ মার্চ তাৰিখে প্ৰস্তাৱ আকাৰে এখন শিক্ষানীতি ঘোষণা কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নিম্নমুখী পৰিশ্ৰাৱন নীতি বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৭ ঃ মেক্‌লেৰ প্ৰতিবেদনৰ বিপক্ষে প্ৰকাশিত হোৱা দুটা সমালোচনা উল্লেখ কৰক।

.....

.....

৫.৩.৩ বেন্টিংকৰ শিক্ষানীতি

ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেন্টিংক আছিল এগৰাকী প্ৰগতিবাদী সংস্কাৰক। ভাৰতবৰ্ষৰ ক্ষেত্ৰত তেওঁ কিছুমান স্থায়ী আৰু মৌলিক পৰিবৰ্তন সাধন কৰিব বিচাৰিছিল। সেয়েহে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ অন্ত পেলোৱাৰ উদ্দেশ্যে ১৮৩৫ চনৰ ৭ মাৰ্চত মেক্‌লেৰ প্ৰতিবেদক সমৰ্থন জনাই প্ৰস্তাৱ আকাৰত তলত দিয়া নিৰ্দেশ সমূহ জাৰি কৰে। বেন্টিংকৰ শিক্ষানীতিৰ মূল প্ৰস্তাৱকেইটা হ'ল—

- বৃটিছ চৰকাৰৰ মূল উদ্দেশ্য হ'ব ভাৰতবৰ্ষত পশ্চিমীয়া সাহিত্য আৰু বিজ্ঞান শিক্ষাৰ উন্নতি সাধন কৰা। গতিকে শিক্ষা পুঁজিৰ সকলো ধন ইংৰাজী শিক্ষাৰ অৰ্থে ব্যয় কৰা হ'ব।
- যেতিয়ালৈকে জনসাধাৰণ প্ৰাচ্য শিক্ষাৰ অনুষ্ঠানবোৰৰ দ্বাৰাই উপকৃত হৈ থাকে তেতিয়ালৈকে এই অনুষ্ঠানবোৰ বন্ধ কৰি দিয়াৰ অভিপ্ৰায় চৰকাৰৰ নাই। ইয়াৰ শিক্ষক আৰু ছাত্ৰসকলেও পূৰ্বৰ দৰেই বৃত্তি লাভ কৰি থাকিব। অৱশ্যে কোনো নতুন শিক্ষক নিয়োগ কৰিবলৈ হ'লে চৰকাৰৰপৰা অনুমতি ল'ব লাগিব।
- প্ৰাচ্যভাষাৰ কিতাপ-পত্ৰ ছপোৱাত বৃহৎ পৰিমাণৰ ধন ব্যয় হৈছে বুলি চৰকাৰ অৱগত হৈছে। গতিকে এতিয়াৰে পৰা উক্ত কামৰ বাবে কোনো ধন ব্যয় কৰা নহ'ব।
- এনে ব্যৱস্থাৰ ফলত যি ধন ৰাহি হ'ব তাক ভাৰতীয়সকলৰ মাজত ইংৰাজী মাধ্যমৰ জৰিয়তে ইউৰোপীয় সাহিত্য আৰু বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে খৰচ কৰা হ'ব।

লৰ্ড উইলিয়াম বেন্টিংকৰ এই ঘোষণাই ভাৰতীয় শিক্ষানীতিক এটা নিৰ্দিষ্ট আৰ্হি দিলে। বেন্টিংকৰ ঘোষণাই ভাৰতত শিক্ষাৰ লক্ষ্য, পদ্ধতি আৰু মাধ্যম নিৰ্দিষ্ট কৰিলে। সন্দেহ নাই, বেন্টিংকৰ শিক্ষানীতিয়ে ভাৰতৰ শিক্ষাৰ ইতিহাসত এটা সন্ধিক্ষণৰ সূচনা কৰিলে। কাৰণ শিক্ষানীতিয়ে প্ৰাচ্যপন্থী আৰু পাশ্চাত্যপন্থীসকলৰ বিবাদে সৃষ্টি কৰা অচলাৱস্থা দূৰ কৰি কাৰ্যকৰী ব্যৱস্থা লোৱাত সহায় কৰে। বেন্টিংকৰ শিক্ষানীতিৰ ফলত দেশত ইংৰাজী শিক্ষাৰ দ্ৰুত উন্নতি সাধন হ'ল। নগৰসমূহত জিলা স্কুলবোৰ গঢ় লৈ উঠিল। বেন্টিংকে যদিও ইংৰাজী ভাষাকেই শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল আৰু প্ৰাচ্য ভাষাৰ কিতাপ প্ৰকাশ বন্ধ কৰি দিছিল, তথাপি প্ৰাচ্য শিক্ষাৰ অনুষ্ঠানসমূহো আগৰদৰেই চলাই ৰাখিছিল আৰু অনুষ্ঠানবোৰে অনুদানো

পাই আছিল। কিন্তু এই অনুষ্ঠানবোৰলৈ নতুনকৈ কোনো ধন নিদিয়াৰ বাবে প্রাচ্য ভাষাসমূহ ক্ষতিগ্রস্ত হৈছিল। তদুপৰি ইংৰাজী শিক্ষাই চৰকাৰী চাকৰি পোৱাত সহায় কৰা বাবে আৰু ইংৰাজী জনা লোকসকলে সমাজত বিশেষ স্থান লাভ কৰা বাবে ইংৰাজী শিক্ষাৰ প্রতি মানুহৰ ধাউতি বাঢ়িছিল। ফলস্বৰূপে, উচ্চ শিক্ষাই উন্নতি লাভ কৰিছিল। কিন্তু প্রাথমিক শিক্ষা সম্পূর্ণৰূপে অৱহেলিত হৈ আছিল আৰু লঘিষ্ঠ সংখ্যক কিছুমান বিশেষ শ্রেণীৰ লোকেহে উচ্চ শিক্ষা ল'বলৈ সক্ষম হৈছিল, বাকীসকলে নিৰক্ষৰতাৰ অন্ধকাৰত ডুব গৈ থাকিবলগা হৈছিল।

অৱশ্যে, বেন্টিংক জনসাধাৰণৰ শিক্ষাৰ প্রতি উদাসীন নাছিল। প্রাথমিক শিক্ষাৰ বিষয়টো তেওঁ পৃথককৈ চালিজাৰি চাব খুজিছিল। মেক্‌লেৰ ক্রমনিম্ন পৰিশ্রাৱন নীতিৰ পৰিবর্তে তেওঁ সর্বসাধাৰণ ৰাইজৰ মাজত শিক্ষাৰ প্রসাৰ সাধন কৰিব বিচাৰিছিল। এই উদ্দেশ্যে তেওঁ এগৰাকী উৎসাহী মিছনেৰী উইলিয়াম আডামক বংগদেশৰ দেশীয় শিক্ষানুষ্ঠানসমূহৰ জৰীপ কৰাৰ দায়িত্ব অর্পণ কৰে। আডামে ১৮৩৫ চনৰ পৰা ১৮৩৮ চনলৈকে সম্পূর্ণ জৰীপ কার্য চলায় আৰু তিনিখন প্রতিবেদন প্রস্তুত কৰে। লগতে আডামে এই শিক্ষানুষ্ঠানসমূহৰ উন্নতিৰ বাবেও কিছুমান পৰামর্শ আগবঢ়ায়।



জানি থোৱা ভাল

- বেন্টিংকৰ শিক্ষানীতিয়ে লর্ড মেক্‌লে শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষাক গুৰুত্ব আৰোপ কৰা মতামতটোকে প্রস্তাৱ হিচাপে সজাই লৈছিল।
- বেন্টিংকৰ শিক্ষানীতিৰ নির্দেশত শিক্ষাৰ সকলোখিনি খৰচ ইংৰাজী সাহিত্য আৰু বিজ্ঞানৰ উন্নতি সাধনৰ বাবে কেৱল বিনিয়োগ কৰাৰ কথা কোৱা দেখা গৈছে।
- বেন্টিংকৰ শিক্ষা সম্বন্ধীয় প্রস্তাৱত নির্দেশ দিয়া হৈছিল যে প্রাচ্য সম্বন্ধীয় কোনোধৰণৰ প্রকাশ কর্মত কোষৰ টকা বিনিয়োগ কৰিব পৰা নেযাব।
- বেন্টিংকৰ শিক্ষা প্রস্তাৱৰ এক নির্দেশনাত কোৱা হৈছিল যে প্রাচ্য শিক্ষাৰ শিক্ষকৰ কোনো পদ খালি হ'লে তাক পূৰণ কৰিব লাগিলে চৰকাৰৰ নির্দেশনাহে গ্রহণযোগ্য হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ মেক্‌লেৰ প্রতিবেদনৰ প্রস্তাৱসমূহ গৱর্ণৰ জেনেৰেলে কোন চনত অনুমোদন জনাইছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ বেন্টিংকৰ শিক্ষা নীতিৰ প্ৰধান প্ৰস্তাৱনাসমূহ বা নিৰ্দেশবোৰ কি কি?

.....

.....

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮১৩ চনৰ চার্টাৰ আইনখনে ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ আৰম্ভণি কৰালে।
- চার্টাৰ আইনৰ বিশেষ ধাৰাটোৱে ইষ্ট ইণ্ডিয়া কোম্পানীক ভাৰতবৰ্ষৰ জনসাধাৰণৰ শিক্ষাৰ দায়িত্ব ল'বলৈ বাধ্য কৰালে ১ লাখ টকাৰ বছৰেকীয়া অনুদানৰ অনুমোদন দি।
- শিক্ষাৰ ক্ষেত্ৰত খৰছ কৰিবলৈ বিচৰা টকাখিনি কি ধৰণে খৰছ কৰা হ'ব সেই সন্দৰ্ভত প্ৰাচ্যপন্থী আৰু পাশ্চাত্যপন্থীসকলৰ মাজত বাক-বিতণ্ডা হৈছিল। বিশেষকৈ শিক্ষাৰ লক্ষ্য, শিক্ষা সম্প্ৰসাৰণ সংস্থা, শিক্ষাৰ মাধ্যম আৰু শিক্ষাদান পদ্ধতি সন্দৰ্ভত।
- ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতিৰ সভাপতি হিচাপে লৰ্ড মেক্‌লে ১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰীত এখন প্ৰতিবেদন প্ৰস্তুত কৰে আৰু সেই প্ৰতিবেদনখনতে বিবাদৰ অন্ত পেলোৱাৰ নিৰ্দেশনা দিয়ে।
- মেক্‌লে তেওঁৰ প্ৰতিবেদনৰ মাধ্যমত শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি বিবাদৰ সামৰণি পেলায়।
- মেক্‌লে ইংৰাজী ভাষাটো শিক্ষাত প্ৰয়োগ কৰি প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল যে ভাৰতীয়সকলৰ মনৰ দিগন্ত বহল হ'ব আৰু ইংৰাজী ভাষাৰ মাধ্যমেৰে জনগণক শিক্ষা দিলে প্ৰশাসন ব্যৱস্থাটো সুন্দৰ হ'ব।
- মেক্‌লে 'নিম্নমুখী পৰিশ্ৰাৱন নীতি'ৰ পোষকতা কৰিছিল আৰু ইয়াৰ মাধ্যমেৰে ভাৰতীয়সকলক শিক্ষা দিয়াৰ ক্ষেত্ৰত আংশিকভাৱে বিভাজন সৃষ্টি কৰিছিল।
- ভাৰতবৰ্ষৰ কিছুমান উচ্চ শ্ৰেণীৰ লোকে আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মেক্‌লেক প্ৰশংসা কৰিছিল আৰু 'বিকাশৰ পথৰ অগ্ৰদূত' বুলি অভিহিত কৰিছিল।
- লৰ্ড মেক্‌লে তেওৰ প্ৰতিবেদনখন গৱৰ্ণৰ জেনেৰেলৰ পৰিষদত যেতিয়া দাখিল কৰিছিল তেতিয়া গৱৰ্ণৰ জেনেৰেল আছিল লৰ্ড উইলিয়াম বেন্টিংক।
- লৰ্ড উইলিয়াম বেন্টিংকে মেক্‌লেৰ প্ৰতিবেদনখন ১৮৩৫ চনৰ ৭ মাৰ্চত গ্ৰহণ কৰিছিল আৰু শিক্ষা শিতানৰ সকলো টকা কেৱল ইংৰাজী ভাষাৰ অধ্যয়নতহে খৰছ কৰাৰ নিৰ্দেশনা দিছিল।



৫.৫ অধিক জানিবলৈ

১) দাস, ডঃ লক্ষ্যহীৰা ঃ *সম্পূর্ণ শিক্ষা*

২) ডেকা, ডঃ বীৰেন্দ্র ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী

৩) বৰদলৈ, ডঃ অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

৪) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) সঁচা

(খ) সঁচা

(গ) নহয়

(ঘ) সঁচা

(ঙ) নহয়

২ নং প্রশ্নৰ উত্তৰ ঃ ১৮২৩ চনত 'ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতি' গঠন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ গৱর্ণৰ জেনেৰেল ইন কাউঞ্চিলে 'ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতি'ৰ নিযুক্তি দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতিখনৰ সদস্যৰ সংখ্যা হ'ল দহগৰাকী।

৫ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাৰ লক্ষ্য, শিক্ষাৰ সম্প্রসাৰণৰ সংস্থা, শিক্ষাৰ মাধ্যম আৰু শিক্ষাদানৰ পদ্ধতি কি হ'ব আদিবোৰেই আছিল প্রাচ্য-পাশ্চাত্য বাদানুবাদৰ মূল কাৰণ।

৬ নং প্রশ্নৰ উত্তৰ ঃ মেক্‌লেই উদ্ভৱ কৰিছিল নিম্নমুখী পৰিশ্রাৱন নীতি। নিম্নমুখী পৰিশ্রাৱন নীতি হ'ল শিক্ষা পোনতে বছা বছা কম সংখ্যক ব্যক্তিক দিয়া হ'ব আৰু তেওঁলোকৰ মাধ্যমেৰে জনসাধাৰণৰ মাজলৈ শিক্ষা সম্প্রসাৰণ হ'ব।

৭ নং প্রশ্নৰ উত্তৰ ঃ মেক্‌লে কিছুমান ভাৰতীয়ৰ দ্বাৰা দুটা কথাৰ বাবে সমালোচিত হৈছিল। তেওঁ ইংৰাজী ভাষাৰ উন্নতি সাধনৰ বাবেহে তাৎক্ষণিকভাৱে সিদ্ধান্ত লৈছিল; ইংৰাজী শিক্ষাৰ প্রতি মানুহৰ আগ্রহ সৃষ্টি কৰাৰ ক্ষেত্রত পোহৰ বিলাওঁতা তথা অগ্রণী নাছিল। আন কিছুমান ভাৰতীয়ই তেওঁক সমালোচনা কৰিছিল প্রাচ্য সাহিত্য আৰু ধর্মৰ ওপৰত দিয়া নিন্দাসূচক মন্তব্যৰ বাবে।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৮৩৫ চনৰ ৭ মার্চত গৱর্ণৰ জেনেৰেলে লর্ড মেক্‌লেৰ প্রতিবেদনখন গ্রহণ কৰি প্রস্তাৱ হিচাপে অনুমোদন জনায়।

৯ নং প্রশ্নৰ উত্তৰ ঃ বেন্টিংক শিক্ষানীতিৰ প্রধান প্রস্তাৱসমূহ আছিল তলত দিয়াধৰণৰ—

(ক) ইংৰাজী ভাষাটো ভাৰতীয় শিক্ষাৰ মাধ্যম হ'ব।

(খ) প্রাচ্য সাহিত্য কর্মৰাজিৰ প্রকাশৰ ক্ষেত্রত কোনোধৰণৰ অর্থ বিনিয়োগ কৰিবলৈ দিয়া নহ'ব।

(গ) শিক্ষাৰ ক্ষেত্রত কৰিবলৈ বিচৰা বিনিয়োগৰ সকলোখিনি ইংৰাজী সাহিত্য আৰু বিজ্ঞানৰ বিকাশৰ বাবে ব্যৱহাৰ কৰা হ'ব।

(ঘ) প্রাচ্য শিক্ষাৰ খালি হোৱা যিকোনো শিক্ষকৰ পদ চৰকাৰে বিচাৰিলেহে পূর্ণ কৰিব পাৰিব।



৫.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ অসমখন আইন হিচাপে ১৮১০ চনৰ চার্টাৰ আইনৰ আটাইতকৈ বিশেষ গুৰুত্বতা কি আছিল?

প্রশ্ন ২ ঃ প্রাচ্য আৰু পাশ্চাত্যৰ বিবাদ বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ স্‌কেলেৰ প্রতিবেদনখনৰ উৎকৃষ্ট নিষ্পত্তিকৰণ কি আছিল?

প্রশ্ন ৪ ঃ জনসাধাৰণৰ শিক্ষাৰ সাধাৰণ সমিটিক (General Committee of Public Instruction) মূল গুৰুত্বতা কি আছিল?

প্রশ্ন ৫ ঃ নিম্নমুখী পৰিশ্রৱন নীতি বুলিলে কি বুজে?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'প্রগতিৰ পথতত পোহৰ বিলাওতা' বুলি মেকলেক কিয় প্রশংসা কৰা হৈছিল, বর্ণনা কৰক।

প্রশ্ন ২ ঃ প্রাচ্য আৰু প্রাশচত্য বিবাদৰ মূল কাৰণ সমূহ- কি কি আছিল?

প্রশ্ন ৩ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত মেকলেৰ প্রতিবেদনখনৰ প্রাসংগিকতাক আপুনি কিদৰে সমালোচনা কৰিব?

গ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ১৮১৩ চনৰ চার্টাৰ আইনখন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এখন বৈশিষ্ট্যপূর্ণ আইন বুলি আপুনি কিদৰে নির্ণয় কৰিব?

প্ৰশ্ন ২ ঃ মেক্‌লেৰ প্ৰতিবেদনখনৰ মূল মতামতসমূহ কি আছিল? মেক্‌'লে তেওঁৰ প্ৰতিবেদনখনৰ মাধ্যমেৰে প্ৰাচ্য পাশ্চাত্যৰ বাদানুবাদৰ সমস্যা কেনেদৰে সমাধান কৰিছিল?

প্ৰশ্ন ৩ ঃ ১৮৩৫ চনৰ বেন্টিংক শিক্ষানীতিৰ মূল প্ৰস্তাৱনাসমূহ কি কি আছিল? চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ওপৰত বেন্টিংক শিক্ষানীতিৰ প্ৰভাৱৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ হান্টাৰ আয়োগ, ১৮৮২

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ হান্টাৰ আয়োগ ১৮৮২

- ৬.৩.১ আয়োগৰ লক্ষ্য আৰু উদ্দেশ্য
- ৬.৩.২ প্ৰাথমিক শিক্ষা সন্দৰ্ভত ইয়াৰ পৰামৰ্শসমূহ
- ৬.৩.৩ মাধ্যমিক শিক্ষা সন্দৰ্ভত ইয়াৰ পৰামৰ্শসমূহ
- ৬.৩.৪ আয়োগখনৰ পৰামৰ্শাৱলীসমূহৰ সমীক্ষা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্ৰগতিৰ খতিয়ান

৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হান্টাৰ আয়োগ নিযুক্তিৰ কাৰণসমূহ ব্যাখ্যা কৰিবলৈ সমৰ্থ হ'ব।
- আয়োগখনৰ অধ্যক্ষ আৰু আন আন সদস্যসমূহৰ নাম জানিবলৈ সক্ষম হ'ব।
- আয়োগখনৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব।
- আয়োগখনে প্ৰাথমিক শিক্ষা সন্দৰ্ভত আগবঢ়োৱা গুৰুত্বপূৰ্ণ পৰামৰ্শাৱলীসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।
- পৰামৰ্শাৱলীসমূহৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সন্দৰ্ভত পৰা প্ৰভাৱখিনি সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ভাৰতবৰ্ষৰ বৰ্তমানৰ শৈক্ষিক অৱস্থা এদিনতে সৃষ্টি হোৱা নাই। বহু দীঘলীয়া সময়ত হোৱা পৰিবৰ্তন আৰু সংশোধনৰ ফলতহে এই অৱস্থাটো গঢ় লৈ উঠিছে। এই অধ্যায়টোৱে আমাক উডৰ ঘোষণাপত্ৰৰ পিছত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ অৱস্থা সম্বন্ধে বুজি পোৱাত সহায় কৰিব। উডৰ ঘোষণাপত্ৰ সন্দৰ্ভত আমি দ্বিতীয় অধ্যায়ত আলোচনা কৰিছো। হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ বৰ্তমান সময়ৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সন্দৰ্ভত সামগ্ৰীকভাৱে অনুসন্ধান কৰিছে। অনুসন্ধানৰ ফলত পোৱাখিনিক আধাৰ হিচাপে লৈ

আয়োগখনে ভাৰতবৰ্ষৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ অৱস্থাটোৰ বিকাশৰ কাৰণে মূল্যবান পৰামৰ্শ আগবঢ়াইছে।

৬.৩ ১৮৮২ চনৰ হান্টাৰ আয়োগ

ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতবৰ্ষত প্ৰশাসন ব্যৱস্থাৰ অন্ত পৰে ১৮৫৭ চনত। ১৮৫৭ চনত হোৱা ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰথমখন সংগ্ৰামৰ ফলত ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা গৈ ইংৰাজৰ ৰাণীৰ হাতলৈ আহে। ৰাণীয়ে ১৮৫৮ চনত ঘোষণা কৰিছিল যে কঠোৰভাৱে ধৰ্মীয় নিৰপেক্ষতাৰ নীতি অৱলম্বন কৰিব লাগে। চৰকাৰৰ ধৰ্ম নিৰপেক্ষতাৰ নীতিৰ ফলত মিচনেৰীসকল অসন্তুষ্ট হৈ পৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা প্ৰশাসনিক ক্ষমতা হস্তান্তৰ হোৱাত ভাৰতবৰ্ষৰ শিক্ষাৰ বিকাশৰ সমীক্ষা চলোৱাটো চৰকাৰৰ দায়িত্ব হৈ পৰে আৰু প্ৰয়োজনীয়তাবোধ হয়। উডৰ ঘোষণাপত্ৰত সহায়ক অনুদান (grant-in-aid) সন্দৰ্ভৰ পৰামৰ্শটোওঁ কাৰ্যকৰী নহ'ল।

মিচনেৰীসকলে ভাৰত চৰকাৰৰ শিক্ষানীতি ১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰৰ বিৰুদ্ধে গৈছে বুলিও প্ৰতিবাদ জনায়। ইয়াৰ পিছত মিছনেৰীসকলে লৰ্ড হলিফক্স আৰু লৰ্ড লৰেন্সৰ পৃষ্ঠপোষকতাত 'ভাৰতৰ শিক্ষাৰ সাধাৰণ পৰিষদ' নামৰ এটা সংগঠন খুলি চৰকাৰৰ নীতিৰ প্ৰতিবাদ কৰে। ১৮৮২ চনত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্ত হোৱা লৰ্ড ৰিপণক সংগঠনটোৰ এটা প্ৰতিনিধি দলে ভাৰতৰ শৈক্ষিক অৱস্থা সম্বন্ধে অনুসন্ধান কৰিবলৈ অনুৰোধ জনায়।

গৱৰ্ণৰ জেনেৰেল লৰ্ড ৰিপণে ১৮৮২ চনৰ ৩ ফেব্ৰুৱাৰীত চাৰ উইলিয়াম হান্টাৰক সভাপতি হিচাপে লৈ প্ৰথম ভাৰতীয় শিক্ষা আয়োগ গঠন কৰে। উইলিয়াম হান্টাৰ গৱৰ্ণৰৰ কাৰ্যবাহী পৰিষদৰ এগৰাকী সদস্য আছিল। উইলিয়াম হান্টাৰৰ নাম অনুসাৰে এই আয়োগক 'হান্টাৰ আয়োগ' বুলিও জনা গৈছিল। সভাপতিৰ বাদেও আয়োগৰ সদস্য সংখ্যা আছিল কুৰিজন (২০জন), ইয়াৰে ভিতৰত চৈয়দ মামুদ, আনন্দ মোহন বসু, ভুদেৱ মুখাৰ্জী, কে টি তেলাং আৰু মহাৰাজ জিতেন্দ্ৰ মোহন ঠাকুৰ আছিল ভাৰতীয় প্ৰতিনিধি। ড° মিলাৰ আছিল এগৰাকী অন্যতম প্ৰতিনিধি। মহীশূৰৰ শিক্ষা সঞ্চালক বি এল ৰাইছ আয়োগৰ সচিব নিযুক্ত হৈছিল।



জানি থোৱা ভাল

- ১৮৫৭ চনত ভাৰতীয়সকলে কৰা প্ৰথমখন স্বাধীনতা সংগ্ৰামৰ ফলত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা প্ৰশাসনিক ক্ষমতা ইংৰাজ ৰাজমুকুটৰ হাতলৈ হস্তান্তৰ হয়।
- ৰাণীৰ ১৮৫৮ চনৰ ঘোষণাই কঠোৰ ধৰ্মীয় নিৰপেক্ষতাৰ নীতিৰ পোষকতা কৰে।

- মিচনেৰীসকল চৰকাৰৰ কঠোৰ ধৰ্মীয় নিৰপেক্ষতাৰ নীতিৰ ফলত গভীৰভাৱে অসন্তুষ্ট হৈ পৰে আৰু আন্দোলন আৰম্ভ কৰে আৰু লণ্ডনত 'ভাৰতবৰ্ষৰ শিক্ষাৰ সাধাৰণ পৰিষদ' এখন গঠন কৰে।
- 'শিক্ষাৰ সাধাৰণ পৰিষদে' ভাৰতবৰ্ষৰ 'ভাইচৰয়' লৰ্ড ৰিপনক ভাৰতবৰ্ষৰ শিক্ষাৰ ওপৰত এটা অনুসন্ধান অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনায়।
- লৰ্ড ৰিপনে ১৮৮২ চনৰ ৩ ফেব্ৰুৱাৰীত 'ভাৰতীয় শিক্ষা আয়োগ' নিযুক্তি দিয়ে উইলিয়াম হান্টাৰ অধ্যক্ষতাত। আয়োগখনক ১৮৮২ চনৰ 'হান্টাৰ আয়োগ' বুলি জনা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) —— ১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগ নিযুক্তি দিয়ে।

(খ) —— ১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগৰ সভাপতি আছিল।

(গ) ভাৰতীয় শিক্ষা আয়োগখনৰ মুঠ সদস্যৰ সংখ্যা আছিল ——।

(ঘ) মিচনেৰীসকলে লণ্ডনত গঠন কৰা সংগঠনটোৰ নাম আছিল ——।

৬.৩ হান্টাৰ আয়োগ ১৮৮২

৬.৩.১ আয়োগখনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

তলত উল্লেখ কৰা লক্ষ্যসমূহক লৈ আয়োগখন নিযুক্তি দিয়া হৈছিল—

- ১৮৫৪ চনৰ ঘোষণাপত্ৰৰ নীতিবিলাক লৈ প্ৰদৰ্শন কৰা আচৰণে কিধৰণে প্ৰভাৱ পেলাইছে তাক অনুসন্ধান কৰা।
- ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ অৱস্থাৰ ওপৰত সমীক্ষা কৰিবলৈ আৰু ইয়াৰ সংস্কাৰ সাধনৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ।
- ৰাজ্যিক অনুষ্ঠানসমূহ আৰু সেইবোৰৰ গুৰুত্বতাৰ অৱস্থা সম্বন্ধে অনুসন্ধান কৰিবলৈ।
- শিক্ষাৰ ক্ষেত্ৰখনত মিচনেৰীসকলৰ কৰ্মৰাজিৰ মূল্যায়ণ কৰিবলৈ।
- ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত চৰকাৰৰ মনোভাৱ সম্বন্ধে অনুসন্ধান কৰিবলৈ। আয়োগখনে মাধ্যমিক শিক্ষাৰ অৱস্থা সম্বন্ধেও অনুসন্ধান কৰিবলৈ লৈছিল আৰু ইয়াৰ উন্নতিৰ অৰ্থে উপায় আৰু পৰামৰ্শ আগবঢ়াইছিল।



জানি থোৱা ভাল

আয়োগখনৰ প্ৰধান উদ্দেশ্য আছিল উডৰ ঘোষণাপত্ৰখনৰ পৰামৰ্শাৱলীসমূহ প্ৰয়োগৰ বিষয়ে সমীক্ষা আগবঢ়োৱা। আয়োগখনে তলত উল্লেখ কৰা অনুসন্ধানসমূহ সম্পাদন কৰিছিল—

- প্ৰাথমিক শিক্ষাৰ অৱস্থা সম্বন্ধে,
- ৰাজ্যিক অনুষ্ঠানসমূহৰ অৱস্থা সম্বন্ধে,
- মাধ্যমিক শিক্ষাৰ স্থিতি সম্বন্ধে,
- শিক্ষাৰ ক্ষেত্ৰত মিচনেৰীসকলৰ কৰ্মৰাজি সম্বন্ধে আৰু
- ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত চৰকাৰৰ মনোভাব সম্বন্ধে।



চিন্তা চৰ্চা কৰক — ৬.১

১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ বৰ্ণনা কৰক।

.....

.....

৬.৩.২ প্ৰাথমিক শিক্ষাৰ ওপৰত হান্টাৰ আয়োগৰ পৰামৰ্শসমূহ

এতিয়ালৈ আমি জানিবলৈ সক্ষম হৈছো লৰ্ড ৰিপনে ১৮৮২ চনত হান্টাৰ আয়োগখন কিয় নিযুক্তি দিয়া হৈছিল। এতিয়া আমি আয়োগখনে প্ৰাথমিক শিক্ষা সন্দৰ্ভত আগবঢ়োৱা প্ৰধান পৰামৰ্শসমূহ আলোচনা কৰিমহক।

১৮৫৪ চনৰ পৰা ১৮৮২ চনৰ সময়ছোৱাত প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতি লেহেম হোৱা বাবে চৰকাৰে প্ৰাথমিক শিক্ষাৰ ওপৰত বিশেষ মনোযোগ দিয়াৰ অৰ্থে নিৰ্দেশনা দিছিল। সেই অনুপাতে আয়োগখনে প্ৰাথমিক শিক্ষাৰ বিকাশৰ কাৰণে বহুবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। পৰামৰ্শসমূহক ছয়টা মূল দিশত আলোচনা কৰিবপৰা যায়—

- নীতি
- আইন আৰু প্ৰশাসন
- পুৰণি বিদ্যালয়সমূহক উৎসাহ প্ৰদান
- বিদ্যালয় প্ৰশাসন
- শিক্ষকসকলৰ প্ৰশিক্ষণ
- আৰ্থিক দিশ

- *নীতি (Policy) ঃ*
  - প্ৰাথমিক শিক্ষা জনসাধাৰণৰ শিক্ষা হিচাপে পৰিগণিত হোৱা উচিত।
  - জনসাধাৰণৰ মাজত উপযোগিতামূলক শিক্ষাৰ বিস্তাৰ কৰাটো প্ৰাথমিক শিক্ষাৰ উদ্দেশ্য হ'ব লাগে। উচ্চ শিক্ষাৰ বাবে দুৱাৰ মুকলি কৰাটো ইয়াৰ উদ্দেশ্য হ'ব নালাগে।
  - এই শিক্ষাই সৰ্বসাধাৰণ লোকক আত্মনিৰ্ভৰশীল হ'বলৈ শিকাব লাগে। ই তেওঁলোকৰ ব্যৱহাৰিক জীৱনৰ প্ৰয়োজন পূৰণ কৰিব পাৰিব লাগে।
  - প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।
  - এই শিক্ষাৰ প্ৰতি সৰ্বসাধাৰণ লোকৰ মনত উদগনি দিবৰ বাবে লিখিব আৰু পঢ়িব জনা লোকক চৰকাৰৰ তলত চাকৰি দিব লাগে।
- *আইন আৰু প্ৰশাসন (Legislation and Administration) ঃ*
  - চৰকাৰে প্ৰাথমিক শিক্ষাৰ দায়িত্বৰপৰা অব্যাহতি ল'ব লাগে। এই শিক্ষাৰ প্ৰশাসনীয় দায়িত্ব মিউনিচিপালিটি আৰু লোকেল বোৰ্ড আদি স্থানীয় কৰ্তৃপক্ষবোৰক দিব লাগে।
  - চৰকাৰে দিয়া নিৰ্দেশনা অনুসৰি স্থানীয় কৰ্তৃপক্ষবোৰে শিক্ষানুষ্ঠানসমূহ পৰিচালনা কৰিব লাগে। এই কৰ্তৃপক্ষবোৰে পৰিচালনা কৰা অনুষ্ঠানবোৰৰ শিক্ষা ধৰ্মনিৰপেক্ষবিধৰ হ'ব লাগে।
  - সকলো চৰকাৰী প্ৰাথমিক বিদ্যালয়ক লোকেল বোৰ্ডৰ হাতলৈ হস্তান্তৰ কৰাৰ দিশটো প্ৰয়োজনীয় বুলি ধৰিব লাগে।
- *দেশীয় বিদ্যালয়ক উৎসাহ প্ৰদান (Encouragement of Indigenous Schools) ঃ* আয়োগে দেশীয় বিদ্যালয় সম্পৰ্কত এইবুলি কয় যে এইবোৰ হৈছে দেশীয় পদ্ধতিৰ দেশীয় লোকৰ দ্বাৰা পৰিচালিত অনুষ্ঠান। আয়োগৰ মতে এনেবোৰ অনুষ্ঠানৰ বিকাশ সাধন হ'ব লাগে। আয়োগে অনুভৱ কৰে যে বহুতো জটিল অৱস্থাৰ মাজেৰে পাৰ হৈ আহিলেও এই অনুষ্ঠানবোৰে এতিয়াও নিজৰ প্ৰাণশক্তি আৰু জনপ্ৰিয়তা হেৰুওৱা নাই। আয়োগে আকৌ লক্ষ্য কৰে যে এই অনুষ্ঠানবোৰক আৱশ্যকীয় সাহাৰ্য আৰু স্বীকৃতি প্ৰদান কৰি এই শিক্ষা পদ্ধতিৰ উন্নতি সাধন কৰিবপৰা যাব আৰু জাতীয় শিক্ষা পদ্ধতিৰ এখন দৰকাৰী আসন পূৰাব পাৰিব। দেশীয় বিদ্যালয় সম্পৰ্কত আয়োগে এইবুলি পৰামৰ্শ আগবঢ়াই যে—
  - জিলা বোৰ্ড আৰু মিউনিচিপাল বোৰ্ডে দেশীয় বিদ্যালয় পৰিচালনাৰ দায়িত্ব ল'ব।
  - পাঠ্যক্ৰম প্ৰণয়নৰ ক্ষেত্ৰত চৰকাৰে কোনোধৰণে হস্তক্ষেপ নকৰিব। শিক্ষাদান পদ্ধতি, পৰীক্ষা পদ্ধতি আদি নিৰ্ণয়ৰ ক্ষেত্ৰতো প্ৰত্যেকখন

প্ৰদেশৰে নিজস্ব স্বাধীনতা থাকিব।

- পৰীক্ষাৰ ফলাফলৰ ভিত্তিত অনুদান দিয়াৰ ব্যৱস্থা থাকিব।
- দেশীয় বিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাক উৎসাহিত কৰিব লাগিব।
- বিশেষ অনুদান ব্যৱস্থাৰ জৰিয়তে দৰকাৰী বিষয়সমূহ প্ৰৱৰ্তনত উৎসাহ যোগাব লাগিব।

➢ *বিদ্যালয় পৰিচালনা (School Administration) ঃ* প্ৰাথমিক বিদ্যালয়ৰ আভ্যন্তৰীণ দিশৰ পৰিচালনা সম্পৰ্কত আয়োগে এইবুলি পৰামৰ্শ আগবঢ়ায় যে—

- শিক্ষাদানৰ ক্ষেত্ৰত সকলো প্ৰদেশৰ বাবে কোনো একক মানদণ্ড নাথাকিব। ই সদায়ে স্থানীয় পৰিবেশৰ সৈতে খাপ খোৱা হ'ব লাগিব।
- শিক্ষাদান মাতৃভাষাৰ জৰিয়তে হ'ব লাগে আৰু ই সৰল বিধৰ হ'ব লাগে।
- ব্যৱহাৰিক বিষয় যেনে, শৰীৰবিজ্ঞান, কৃষি, চিকিৎসা, ভাৰতীয় পদ্ধতিৰ পাটীগণিত, হিচাব প্ৰণালী আদি বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ'ব লাগে।
- পাঠ্যপুথি নিৰ্বাচনৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালকসকলৰ স্বাধীনতা থাকিব।
- বিদ্যালয়ৰ বন্ধ আৰু খোলাৰ সময় ঋতুৰ লগত খাপ খুৱাই নিৰ্ণয় কৰিব লাগিব।
- সময়মতে বিদ্যালয়বোৰ পৰিদৰ্শন কৰাৰ ব্যৱস্থা থাকিব লাগিব।

➢ *শিক্ষক প্ৰশিক্ষণ (Training of Teachers) ঃ*

- প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে উপযুক্ত ঠাইত নৰ্মাল স্কুল স্থাপন কৰিব লাগে।
- শিক্ষাৰ বাবে নিৰ্দ্ধাৰণ কৰা পূজিৰপৰা ৰাজ্য চৰকাৰসমূহে নৰ্মাল স্কুল স্থাপন কৰিব লাগে।
- স্থানীয় প্ৰয়োজন পূৰণ কৰিবপৰাকৈ স্কুল পৰিদৰ্শকসকলৰ একো একোটা অঞ্চলত নৰ্মাল স্কুল স্থাপন কৰিব লাগে।
- স্কুল পৰিদৰ্শকসকলে এই প্ৰশিক্ষণ স্কুলবোৰৰ শিক্ষক প্ৰশিক্ষণ সম্বন্ধে চোৱাচিতা কৰিব লাগে।

➢ *অৰ্থব্যৱস্থা (Finance) ঃ*

- শিক্ষা পৰিচালনা কৰিবৰ বাবে স্থানীয় কৰ্তৃপক্ষবোৰে একো একোটা অৰ্থপুঁজি গঠন কৰিব লাগে।
- স্থানীয় কৰ্তৃপক্ষবোৰৰ আৰ্থিক ব্যয়ৰ এক-তৃতীয়াংশ ৰাজ্যিক চৰকাৰবোৰে বহন কৰিব লাগে।

- প্ৰাথমিক বিদ্যালয়বোৰৰ মেৰামতি, সাহাৰ্য, ব্যৱস্থাপনা আদিৰ খৰছ স্থানীয় কোষৰপৰা কৰিব।



জানি থোৱা ভাল

১৮৮২ চনৰ হান্টাৰ আয়োগৰ প্ৰাথমিক শিক্ষাৰ ওপৰত আগবঢ়োৱা প্ৰধান পৰামৰ্শসমূহ আছিল—

- প্ৰাথমিক শিক্ষাক সৰ্বসাধাৰণৰ শিক্ষা হিচাপে পৰিগণিত কৰা উচিত।
- শিক্ষাই ব্যক্তিসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে সক্ষম হ'ব লাগিব।
- প্ৰাথমিক শিক্ষাৰ শিক্ষাদানৰ মাধ্যম মাতৃভাষা হোৱা উচিত।
- শিক্ষকসকলৰ নিযুক্তি জিলা প্ৰশাসনৰ দ্বাৰা হোৱা উচিত আৰু চৰকাৰে তাৰ অনুমোদন দিব।
- বিদ্যালয়ৰ ঘৰ-দুৱাৰ আৰু আচবাব-পত্ৰসমূহ সৰল আৰু কম খৰচীয়া হ'ব লাগিব।
- শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল স্থাপন কৰিব লাগিব।
- প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত কৃষি, প্ৰাকৃতিক আৰু শাৰিৰীক বিজ্ঞান, গণিতৰ থলুৱা পদ্ধতি আৰু পৰিমাপন আদিৰ দৰে বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগিব।
- বিদ্যালয়ৰ আহিলা-পাতিসমূহ কমখৰচীয়া আৰু মিতব্যয়ী হ'ব লাগিব।
- পিছপৰা আৰু বিশেষকৈ আদিবাসী অঞ্চলত প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণৰ দায়িত্ব চৰকাৰৰ থাকিব।
- স্কুলসমূহত মাচুল দিয়াৰ ব্যৱস্থা থাকিব কিন্তু আৰ্থিক দুৰাৱস্থাৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ব্যৱস্থাও থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) প্ৰাথমিক শিক্ষাৰ মাধ্যম —— হোৱা উচিত।

(খ) প্ৰাথমিক শিক্ষা নিয়ন্ত্ৰণৰ দায়িত্ব —— দিয়া উচিত।

(গ) প্ৰাদেশিক চৰকাৰে লোকেল বোৰ্ডক মুঠ খৰচৰ —— অনুদান দিয়া উচিত।

(ঘ) শিক্ষক প্ৰশিক্ষণৰ বাবে —— স্থাপন কৰিব লাগে।

(ঙ) পুৰণি বিদ্যালয়বোৰক উদগনি যোগোৱাৰ বাবে —— ব্যৱস্থা ল'ব লাগে।

৬.৩.৩ মাধ্যমিক শিক্ষাৰ ওপৰত আগবঢ়োৱা পৰামৰ্শসমূহ

আমি এতিয়ালৈ আয়োগখনৰ প্ৰাথমিক শিক্ষা সন্দৰ্ভৰ পৰামৰ্শসমূহৰ সৈতে চিনাকি হ'লো। যদিও হান্টাৰ আয়োগখন মূলতঃ প্ৰাথমিক শিক্ষাৰ অধ্যয়নৰ ক্ষেত্ৰৰ

বাবে গঠন কৰা হৈছিল তথাপিতো আয়োগখনে মাধ্যমিক শিক্ষাৰ ওপৰতো গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। এইক্ষেত্ৰৰ পৰামৰ্শসমূহ দুটা ভাগত ভাগ কৰিব পৰা যায়। যেনে—

- প্ৰশাসনিক সংস্কাৰ আৰু
- গুণগত উন্নতি সাধন
- *প্ৰশাসনীয় সংস্কাৰ (Administrative Reform) ঃ* মাধ্যমিক স্কুলৰ প্ৰশাসনীয় দায়িত্ব চৰকাৰে ল'ব লাগে নে ব্যক্তিগত শিক্ষা উদ্যোগীসকলক দিব লাগে, এই সম্বন্ধে আয়োগখন গঠনৰ সময়ত মত পাৰ্থক্যই দেখা দিছিল। এনে পৰিস্থিতিত আয়োগে দিয়া পৰামৰ্শ তলত সংক্ষেপে উল্লেখ কৰা হৈছে—
  - চৰকাৰে ক্ৰমাগতভাৱে মাধ্যমিক স্কুল পৰিচালনাৰ দায়িত্বৰপৰা অব্যাহতি ল'ব লাগে। এনে দায়িত্ব স্থানীয় শিক্ষা সংস্থাক প্ৰদান কৰিব লাগে।
  - যিবোৰ অঞ্চলত স্থানীয় লোক দৰিদ্ৰ আৰু পিছপৰা সেইসকল লোকৰ হিত সাধনৰ বাবে তেনে স্থানত চৰকাৰে মাধ্যমিক স্কুল স্থাপন কৰিব লাগে।
  - চৰকাৰী সহায়ক অনুদান ব্যৱস্থাৰ যোগেদি মাধ্যমিক শিক্ষাৰ বিকাশ সাধন কৰিব লাগে।
  - উপযুক্ত আৰু শিক্ষিত লোকক মাধ্যমিক শিক্ষা পৰিচালনাৰ দায়িত্ব আৰু প্ৰশাসনীয় কৰ্তৃত্ব দিব লাগে।
  - চৰকাৰে একোখন জিলাত কেৱল এখনকৈ মাধ্যমিক স্কুল স্থাপন কৰিব লাগে, যাতে সি আন ব্যক্তিগত শিক্ষা উদ্যোগীসকলৰ বাবে আদৰ্শস্বৰূপ হৈ উঠে।
  - ব্যক্তিগত শিক্ষা উদ্যোগীসকলৰ দ্বাৰা পৰিচালিত স্কুল অধিক জনপ্ৰিয় কৰি তুলিবৰ বাবে তাৰ শিক্ষা মাচুল চৰকাৰী স্কুলতকৈ কম কৰিবলৈ অনুমতি দিব লাগে।
- *গুণগত বিকাশ (Improvement of Quality) ঃ* মাধ্যমিক শিক্ষাৰ গুণমান উন্নত কৰিবৰ বাবে আয়োগে পৰামৰ্শ দিয়াৰ প্ৰয়োজন অনুভৱ কৰে। এইসমূহ সংক্ষেপে তলত উল্লেখ কৰা হৈছে—
  - আয়োগে মজলীয়া স্কুলৰ শিক্ষাৰ মাধ্যম সম্বন্ধে কোনো স্পষ্ট পৰামৰ্শ দিয়াৰপৰা বিৰত থাকে।
  - আয়োগে পৰামৰ্শ দিয়ে যে হাইস্কুল পৰ্যায়ত শিক্ষাৰ মাধ্যম ইংৰাজী ভাষা হ'ব লাগে।
  - পাঠ্যক্ৰমৰ সংস্কাৰ সাধনৰ দিশত কোৱা হয় যে হাইস্কুলৰ পাঠ্যক্ৰম 'ক' আৰু 'খ' দুটা ভাগত বিভক্ত কৰিব লাগে।

- ‘ক’ বিভাগৰ পাঠ্যক্রম বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষালৈ যাবলৈ বিচৰা ছাত্রসকলৰ বাবে প্রস্তুত কৰিব লাগে।
- ‘খ’ বিভাগৰ পাঠ্যক্রম অধিক ব্যৱসায়িক আৰু অসাহিত্যিকবিধৰ কৰি তুলিব লাগে। ইয়াৰ উদ্দেশ্য হ’ব লাগে যুৱকসকলক কার্যকৰী দিশৰ প্রতি প্রস্তুত কৰি তোলা।



জানি থোৱা ভাল

মাধ্যমিক শিক্ষাৰ ওপৰত আয়োগখনে আগবঢ়োৱা প্রধান পৰামর্শসমূহ আছিল—

- মাধ্যমিক শিক্ষাৰ প্রশাসনিক দায়িত্ব দক্ষতাসম্পন্ন শিক্ষিত ব্যক্তিৰ হাতত অর্পণ কৰিব লাগে।
- মাধ্যমিক স্তৰত শিক্ষাৰ মাধ্যম ইংৰাজী হ’ব।
- সাহার্যপ্রাপ্ত মাধ্যমিক বিদ্যালয়বোৰত লগোৱা মাচুল চৰকাৰী বিদ্যালয়বোৰত লগোৱা মাচুলতকৈ নিম্ন পর্যায়ৰ হ’ব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রখনত ১৮৮২ চনৰ হান্টাৰ আয়োগে প্রশাসনিক সংস্কাৰ সন্দর্ভত আগবঢ়োৱা দুটা পৰামর্শ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্রম সন্দর্ভত আয়োগে আগবঢ়োৱা পৰামর্শৰ ভিতৰৰ দুটা পাঠ্যক্রম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ ১৮৮২ চনৰ হান্টাৰ আয়োগৰ পৰামর্শমতে—

ক) মাধ্যমিক স্তৰত শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা ব্যৱহাৰ কৰিব লাগে। (সত্য/অসত্য)

খ) চৰকাৰে সাহার্যপ্রাপ্ত বিদ্যালয়বোৰৰ ভিতৰৰ কিছুমান বিদ্যালয়ক আর্হি বিদ্যালয় হিচাপে চাব লাগে। (সত্য/অসত্য)

গ) সাহার্যপ্রাপ্ত বিদ্যালয়বোৰৰ মাচুলৰ হাৰ চৰকাৰী বিদ্যালয়বোৰৰ মাচুলৰ হাৰতকৈ বেছি হ’ব লাগে। (সত্য/অসত্য)

৬.৩.৪ আয়োগৰ পৰামৰ্শসমূহৰ সমীক্ষা

হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষা সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শসমূহৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিছে। প্ৰথমতে আমি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনত পৰা প্ৰভাৱখিনি বিচাৰি উলিয়ামহক—

- হান্টাৰ আয়োগে গণ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত মূল্যবান পৰামৰ্শ আগবঢ়াইছে। প্ৰাথমিক শিক্ষাক জনগণৰ শিক্ষা হিচাপে স্বীকৃতিপ্ৰদান কৰিছে।
- প্ৰাথমিক শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাক ব্যৱহাৰ কৰাটোওঁ আয়োগখনৰ এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ।
- আয়োগখনে ইংলেণ্ডত প্ৰয়োগ কৰা পদ্ধতিমতে পৰামৰ্শ দিছে যে প্ৰাথমিক শিক্ষা নিয়ন্ত্ৰণৰ দায়িত্ব জিলাসমূহ আৰু পৌৰ পৰিষদবোৰৰ হাতত অৰ্পণ কৰিব লাগে।
- আয়োগখনে পু�ৰণি বিদ্যালয়বোৰৰ গুৰুত্ব উপলব্ধি কৰি সেই বিদ্যালয়বোৰক উদগনি যোগোৱাৰ বাবে সাহাৰ্য আগবঢ়োৱাৰ পৰামৰ্শ দিছে।
- শিক্ষকসকলৰ গুণগত মান উন্নত কৰাৰ অৰ্থে আয়োগে শিক্ষক প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল স্থাপন কৰাৰ পৰামৰ্শ দিছে।
- আয়োগখন প্ৰাথমিক বিদ্যালয়বোৰৰ পৰিচালনাৰ ক্ষেত্ৰত বৰ শিথিল আছিল। পৰিচালকমণ্ডলীক পাঠ্যপুথি নিৰ্বাচনৰ ক্ষেত্ৰত স্বাধীনতা দিছিল। বিদ্যালয়ৰ সময়, বন্ধৰ দিন আদি নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত স্থানীয় প্ৰয়োজনৰ ওপৰত প্ৰাধান্যতা দিব দিছিল।
- আয়োগখনে বিশেষভাৱে প্ৰাথমিক শিক্ষা পৰিচালনাৰ ক্ষেত্ৰত এটা কোষ (exchequer)তৈয়াৰ কৰাৰ বাবে জিলা আৰু পৌৰ পৰিষদবোৰক কৰ্তৃত্ব দিছিল।
- আয়োগখনে প্ৰাথমিক বিদ্যালয়বোৰত পাঠ্যক্ৰমত ব্যৱহাৰিক বিষয়সমূহ অন্তৰ্ভুক্ত কৰি অধিক ব্যৱহাৰিক কৰি তোলাৰ পৰামৰ্শ দিছিল।

ইমানবোৰ পৰামৰ্শ আগবঢ়োৱাৰ পিছতো পৰবৰ্তী সময়ত প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতি বৰ লেহেম আছিল। আমি এতিয়া প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতিবোৰ লেহেম হোৱাৰ কাৰণবোৰ আলোচনা কৰিমহক। প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতি মন্থৰ হোৱাৰ কাৰণবোৰ আছিল—

- প্ৰাথমিক শিক্ষাৰ নিয়ন্ত্ৰণৰ ব্যৱস্থাটো অনভিজ্ঞ স্থানীয় প্ৰশাসনৰ হাতলৈ হস্তান্তৰ কৰাটো।
- পুৰণি বিদ্যালয়বোৰক অৱহেলা কৰি ফলাফলভিত্তিক অনুদানৰ (Payment in result system) ব্যৱস্থা কৰাটো। এই ব্যৱস্থাই পুৰণি বিদ্যালয়বোৰৰ

বিকাশত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল।

- বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন কৰাৰ অপৰাগতা।
- প্ৰাদেশিক চৰকাৰে আগবঢ়োৱা কম হাৰৰ সাহাৰ্যৰ বাবে। স্থানীয় পৰিষদবোৰক খৰছৰ বাবে মাত্ৰ এক-তৃতীয়াংশ অনুদান দিয়া হৈছিল।



চিন্তা-চৰ্চা কৰক — ৬.২

প্ৰাথমিক শিক্ষা সন্দৰ্ভত হান্টাৰ আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহৰ সুবিধা আৰু অসুবিধাসমূহ বাচি উলিয়াওক।

.....

.....

আমি এতিয়া মাধ্যমিক শিক্ষা সন্দৰ্ভত আয়োগে আগবঢ়োৱা **পৰামৰ্শসমূহৰ প্ৰভাৱৰ বিষয়ে** আলোচনা কৰিমহক—

- মাধ্যমিক শিক্ষা সম্প্ৰসাৰণৰ কাৰণে ব্যক্তিগত প্ৰতিষ্ঠানসমূহক জনোৱা উদগনিৰ ফলত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছিল।
- ব্যৱসায়িক আৰু অলিখিত পাঠ্যক্ৰম প্ৰৱৰ্তনৰ কাৰণে দিয়া পৰামৰ্শখিনি মাধ্যমিক শিক্ষাৰ বাবে অধিক উপযুক্ত আছিল।
- অসাহাৰ্যপ্ৰাপ্ত বিদ্যালয়ৰ সংখ্যা বৃদ্ধিয়ে প্ৰমাণ কৰিছিল যে তেনে বিদ্যালয়বোৰ অদক্ষ, কাৰণ তেওঁলোকে প্ৰকৃত মানদণ্ড ৰক্ষাত অকৃতকাৰ্য হৈছে।
- আয়োগখনে পৰামৰ্শ দিয়া ব্যৱসায়িক আৰু অনা স্বাক্ষৰিত পাঠ্যক্ৰমবোৰ অধিকভাৱে কৃতকাৰ্য হোৱা নাছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতি মন্থৰ হোৱাৰ দুটা কাৰণ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ ঃ শুদ্ধ উত্তৰ কৰক—

ক) মাধ্যমিক শিক্ষা সম্প্ৰসাৰণৰ দায়িত্ব ব্যক্তিগত পৰিষদবোৰৰ হাতলৈ হস্তান্তৰ কৰাৰ ফলত মাধ্যমিক শিক্ষাৰ উন্নতিত সহায় হৈছিল। (সত্য/অসত্য)

খ) মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে চৰকাৰে ব্যক্তিগত গোটবোৰক সহায়ক



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮২ চনৰ প্ৰথম ভাৰতীয় শিক্ষা আয়োগখন নিযুক্তি দিয়াৰ কাৰণবোৰ বুজিবলৈ সক্ষম হ'লো। আয়োগখনক কিয় হান্টাৰ আয়োগ বুলি জনা যায় তাকো শিকিলো।
- এই অধ্যায়টোৰ মাধ্যমেৰে হান্টাৰ আয়োগে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ওপৰত আগবঢ়োৱা গুৰুত্বপূৰ্ণ পৰামৰ্শসমূহ বুজি পালো।
- প্ৰাথমিক শিক্ষাক জনগণৰ শিক্ষা হিচাপে স্বীকৃতি দান, মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ, পিছপৰা অঞ্চলত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা, স্থানীয় গোটসমূহৰ হাতলৈ প্ৰাথমিক শিক্ষাৰ নিয়ন্ত্ৰণ হস্তান্তৰ, ফলাফলভিত্তিক অনুদান ব্যৱস্থাৰ প্ৰবৰ্তন, পাঠ্যপুথি নিৰ্বাচনৰ স্বাধীনতা, স্থানীয় প্ৰয়োজন অনুসাৰে বিদ্যালয়ৰ সময় আৰু বন্ধ নিৰ্দ্ধাৰণ, প্ৰত্যেকটো সংমণ্ডলতে নৰ্মাল স্কুল স্থাপন, প্ৰাথমিক বিদ্যালয়ৰ বাবে সুকীয়া কোষৰ ব্যৱস্থা, সহায়ক অনুদান ব্যৱস্থাৰ বাবে স্থানীয় গোটক সংশ্লিষ্টকৰণ, অধিক ব্যৱহাৰিক বিষয় আৰু বিভিন্নধৰণৰ সহপাঠ্যক্ৰমিক কাৰ্যসূচীৰ অন্তৰ্ভুক্তিকৰণ, ৰাতিৰ বিদ্যালয় মুকলিকৰণ আদিৰ দৰে পৰামৰ্শবোৰ ১৮৮২ চনৰ হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ বাবে আগবঢ়াইছিল।
- দক্ষতাসম্পন্ন ব্যক্তিগত গোটবোৰৰ হাতত মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে এৰি দিয়া, চিধাচিধিভাবে কৰা চৰকাৰী প্ৰচেষ্টাসমূহ ক্ৰমাগতভাৱে উঠাই লোৱা, আৰ্হি সাহাৰ্যপ্ৰাপ্ত বিদ্যালয় হিচাপে কিছুমান মাধ্যমিক বিদ্যালয়ক পৰিচালনা কৰা, সাহাৰ্যপ্ৰাপ্ত বিদ্যালয়বোৰৰ মাচুলৰ হাৰ নিম্ন পৰ্যায়লৈ নিয়া, পাঠ্যক্ৰমত ব্যৱসায়িক আৰু অনাস্বাক্ষৰিক বিষয়ৰ প্ৰবৰ্তন কৰা, মাধ্যমিক শিক্ষাৰ উন্নতি সাধনৰ কাৰণে সহায়ক অনুদান আগবঢ়োৱা আদিৰ দৰে মূল পৰামৰ্শসমূহ ১৮৮২ চনৰ হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ মাধ্যমিক শিক্ষাৰ বাবে আগবঢ়াইছিল।
- হান্টাৰ আয়োগে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বহুবোৰ মূল্যবান পৰামৰ্শ আগবঢ়াইছিল। সেই পৰামৰ্শসমূহৰ কিছুমান পৰামৰ্শই পৰবৰ্তী সময়ত প্ৰাথমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত বেয়াধৰণৰ প্ৰভাৱ পেলাইছিল।



৬.৫ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুকচ ষ্টল, গুৱাহাটী-১
২) ডেকা, বীৰেন্দ্ৰ আৰু অন্যান্য ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-১
৩) Naik & Nurullah : A Student History of Education in India (1800-1973)

৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) লর্ড ৰিপন

(খ) চাৰ উইলিয়াম হান্টাৰ

(গ) ২০ জন

(ঘ) ভাৰতৰ শিক্ষাৰ সাধাৰণ পৰিষদ

২নং প্রশ্নৰ উত্তৰ ঃ (ক) মাতৃভাষা

(খ) জিলা আৰু পৌৰ পৰিষদ

(গ) এক তৃতীয়াংশ

(ঘ) নর্মাল স্কুলসমূহ

(ঙ) ফলাফলভিত্তিক অনুদান

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৮৮২ চনৰ হান্টাৰ আয়োগে মাধ্যমিক শিক্ষাৰ ক্ষেত্রখনলৈ প্রশাসনিক সংস্কাৰ সাধনৰ বাবে আগবঢ়োৱা পৰামর্শ দুটা হ'ল—

(ক) মাধ্যমিক শিক্ষাত চৰকাৰীভাবে কৰা চিধাচিধি হস্তক্ষেপ ক্রমাগতভাৱে উঠাই লোৱাৰ ব্যৱস্থা।

(খ) চৰকাৰে কিছুমান সাহার্যপ্রাপ্ত বিদ্যালয়ক আর্হি বিদ্যালয় হিচাপে চোৱাচিতা কৰা।

৪নং প্রশ্নৰ উত্তৰ ঃ ক-পাঠ্যক্রম (A-Course)

খ-পাঠ্যক্রম (B-Course)

৫নং প্রশ্নৰ উত্তৰ ঃ ক। অসত্য খ। সত্য গ। অসত্য

৬নং প্রশ্নৰ উত্তৰ ঃ ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ গতি লেহেম হোৱাৰ দুটা কাৰণ হ'ল—

(ক) অভিজ্ঞতাহীন স্থানীয় গোটৰ হাতলৈ প্রাথমিক শিক্ষা নিয়ন্ত্রণৰ দায়িত্ব হস্তান্তৰ কৰা।

(খ) পুৰণি বিদ্যালয়সমূহক অৱহেলা কৰা।

৭নং প্রশ্নৰ উত্তৰ ঃ ক। অসত্য খ। সত্য



৬.৭ আর্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত ১৮৮২ চনৰ হাণ্টাৰ আয়োগৰ- তাৎপর্য্য কি কি আছিল?

প্রশ্ন ২ ঃ হান্টাৰ আয়োগখন নিযুক্তি দিয়াৰ কাৰণবোৰ কি কি আছিল?

প্ৰশ্ন ৩ ঃ চমুকৈ লিখক ঃ

(ক) ফলাফলভিত্তিক অনুদান

(খ) মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ সংস্কাৰ সাধন

(গ) জিলা আৰু পৌৰ পৰিষদসমূহৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ভূমিকা

খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ উন্নতি সাধনৰ অৰ্থে ১৮৮২ চনৰ হান্টাৰ আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ১৮৮২ চনৰ হান্টাৰ আয়োগৰ প্ৰাথমিক শিক্ষা সন্দৰ্ভৰ পৰামৰ্শসমূহৰ প্ৰভাৱ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতবৰ্ষৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ কাৰণে ১৮৮২ চনৰ হান্টাৰ আয়োগে আগবঢ়োৱা অৱদানসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ উডৰ ঘোষণা পত্ৰ, ১৮৫৪

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ঘোষণাপত্ৰখনৰ নেতৃত্বদানত ঐতিহাসিক ঘটনাৰাজি

৭.৪ ঘোষণাপত্ৰখনৰ পৰামৰ্শসমূহ

৭.৫ ঘোষণাপত্ৰখনৰ মূল্যায়ণ

৭.৫.১ ঘোষণাপত্ৰখনৰ সুবিধাসমূহ

৭.৫.২ ঘোষণাপত্ৰখনৰ অসুবিধাসমূহ

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উডৰ ঘোষণাপত্ৰখনৰ নেতৃত্ব দানত ঐতিহাসিক ঘটনাৰাজিৰ বিষয়ে জানিব পাৰিব।
- উডৰ ঘোষণাপত্ৰখনৰ বিভিন্ন পৰামৰ্শাৱলীসমূহ বৰ্ণনা কৰিব পাৰিব।
- ঘোষণাপত্ৰখনৰ সুবিধা আৰু অসুবিধাসমূহ চিনাক্ত কৰি ভাৰতীয় শিক্ষাৰ ওপৰত ইয়াৰ প্ৰভাৱ বৰ্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

আমি ১৮৩৫ চনৰ লৰ্ড মেকলেৰ প্ৰতিবেদন আৰু বেন্টিংকৰ শিক্ষানীতি ইতিমধ্যে আলোচনা কৰিছো, যিটো মেক'লেৰ মতামতৰ ওপৰত আধাৰিত হৈছিল। এই অধ্যায়টোৱে সামৰি ল'ব ১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰখনক। ঘোষণাপত্ৰখন এখন গুৰুত্বপূৰ্ণ শৈক্ষিক দলিল আৰু ই ভাৰতবৰ্ষৰ শিক্ষাৰ বুৰঞ্জীত গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে। ই ভাৰতীয় জনগণৰ শিক্ষাৰ দায়িত্ব সম্পূৰ্ণৰূপে কোম্পানীৰ হাতত দিছিল আৰু এই দিশটো কেতিয়াওঁ অবহেলিত হ'ব নালাগেবুলি মতামত আগঢ়াইছিল। ঘোষণাপত্ৰখনে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰখনলৈ এক নতুন দিকদৰ্শন কৰিছিল আৰু সেই দিকদৰ্শন তথা নিৰ্দেশনাই ৰাষ্ট্ৰখনৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাত স্বচ্ছ প্ৰভাৱ পেলাইছে।

এই অধ্যায়টোত আমি ঐতিহাসিক ঘটনাৰাজিয়ে ঘোষণাপত্ৰখনক কিধৰণে নেতৃত্ব

দিছিল, ঘোষণাপত্রখনৰ পৰামর্শসমূহ, ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ তথা চূড়ান্তভাবে ঘোষণাপত্রখনে ভাৰতীয় শিক্ষা ব্যৱস্থাত কিদৰে প্রভাৱ পেলাইছে সেইবিষয়ে আলোচনা কৰিম ।

৭.৩ ঘোষণাপত্রখনৰ নেতৃত্বদানত ঐতিহাসিক ঘটনাৰাজি

আমি এতিয়া ১৮৫৪ চনৰ প্রতিবেদনখন প্রস্তুতিৰ ক্ষেত্রত নেতৃত্ব দিয়া ঘটনাৰাজি আলোচনা কৰিম।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ চনদ প্রতি বিশ বছৰৰ অন্তৰে অন্তৰে নবীকৰণ কৰা হয়। সেই অনুসৰি ১৮৩৩ চনৰ নবীকৰণৰ সময়ত ১৮১৩ চনত অনুমোদন দিয়া ১ লাখ টকাৰ ঠাইত বছৰি ১ নিযুত টকা ভাৰতবর্ষৰ শিক্ষাৰ বাবে দিয়াৰ ব্যৱস্থা কৰা হয়। ১৮৫৩ চনত কোম্পানীৰ চনদ পুনৰ নবীকৰণ কৰাৰ সময়ত প্রশাসনীয় নীতি-নিয়মৰ ক্ষেত্রত কিছুমান গুৰুত্বপূর্ণ সালসলনি কৰা হয়। ফলস্বৰূপে দেশৰ শৈক্ষিক ক্ষেত্রত কিছুমান সংস্কাৰ সাধন কৰিবলৈ কোম্পানী বাধ্য হয় আৰু বৃটিছ সংসদৰ কিছুমান সদস্যৰ দ্বাৰাই এখন সমিতি গঠন কৰি দিয়া হয়। সমিতিক ভাৰতবর্ষত কোম্পানীৰ কার্যাৱলীৰ মূল্যায়ণ কৰিবলৈ আৰু ইয়াৰ ভৱিষ্যত কার্যাৱলীসম্বন্ধে পৰিকল্পনা কৰিবলৈ দিয়া হৈছিল। সমিতিৰ আৰু এটা উদ্দেশ্য আছিল ভাৰতবর্ষৰ শৈক্ষিক উন্নতি সম্বন্ধে অনুসন্ধান কৰা আৰু ইয়াৰ সংস্কাৰৰ বাবে পৰামর্শ আগবঢ়োৱা। এই সমিতিৰ পৰামর্শাৱলীৰ ওপৰত ভিত্তি কৰিয়ে ১৮৫৪ চনত 'কোর্ট অব ডিৰেক্টৰচে' এখন নির্দেশপত্র ভাৰতলৈ প্রেৰণ কৰে। বোর্ড অব কন্ট্রোলৰ সভাপতি চাৰ চার্লচ উডৰ নির্দেশত এই নির্দেশপত্র প্রস্তুত কৰা কাৰণে ইয়াক উডৰ নির্দেশপত্র বোলা হয়। কিছুমানে উডৰ নির্দেশপত্রখন জন ষ্টুৱার্ট মিল নামৰ এগৰাকী চিন্তাবিদৰ সৃষ্টি বুলি ক'ব খোজে। তথাপি যিয়েই নহওঁক উডৰ নির্দেশপত্রখন হৈছে এখন গুৰুত্বপূর্ণ দলিল আৰু ইয়ে ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত এটা নতুন যুগৰ সূচনা কৰিছে।



জানি থোৱা ভাল

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্রতি ২০ বছৰৰ মূৰে মূৰে ইয়াৰ চার্টাৰখন নবীকৰণ কৰিছিল। ১৮৫৩ চনত চার্টাৰখন নবীকৰণ কৰাৰ আগতে ইংৰাজ সংসদে ভাৰতবর্ষৰ শিক্ষাৰ বিকাশ সম্বন্ধে অনুসন্ধান কৰি সংশোধনৰ বাবে পৰামর্শ দিবলৈ এখন নির্বাচন কমিটি গঠন কৰি দিয়ে। কমিটিখনৰ পৰামর্শখিনি ১৮৫৪ চনৰ ১৯ জুলাই তাৰিখে শিক্ষা দলিল (চার্টাৰ) হিচাপে প্রকাশ কৰা হৈছিল। চার্লচ উড নিয়ন্ত্রণ পৰিষদৰ সভাপতি আছিল। সেয়েহে ইয়াক ১৮৫৪ চনৰ উডৰ ঘোষণা পত্র হিচাপে জনা যায়।

৭.৪ উডৰ ঘোষণাপত্রখনৰ পৰামর্শসমূহ

উডৰ ঘোষণাপত্রখন ১০০ টা দফাৰ এখন দীঘলীয়া দলিল। এই দলিলখন শিক্ষাৰ

বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ সৈতে জড়িত। আমি এতিয়া এটা এটাকৈ পৰামৰ্শসমূহ আলোচনা কৰিম।

- **শিক্ষানীতিৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ** (Aims and Objectives of Educational Policy) ঃ প্ৰতিবেদনখনত প্ৰথমেই ভাৰতীয় শিক্ষাৰ লক্ষ্য, উদ্দেশ্য সম্বন্ধে স্পষ্ট কৰি তোলা হয়। কোৱা হয় যে ভাৰতীয়সকলক পাশ্চাত্য শিক্ষাৰ ব্যাপক পৰিসৰৰ জ্ঞান-অভিজ্ঞতাৰ লগত পৰিচয় কৰাই দিয়াটো হৈছে ইংৰাজসকলৰ পবিত্ৰ কৰ্তব্য। দেশৰ শিক্ষিত লোকসকলক কেৱল বৌদ্ধিক যোগ্যতা লাভত সহায় কৰাই নহয়, তেওঁলোকৰ নৈতিক চৰিত্ৰ গঠন কৰি তুলিব লাগে। ইংৰাজসকলৰ উন্নত আৰু বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থাৰ আৰ্হিত ভাৰতীয় শিক্ষা গঢ় দি তোলাটো হৈছে প্ৰধান উদ্দেশ্য।
  ঘোষণাপত্ৰখনৰ লক্ষ্য তথা উদ্দেশ্যসমূহ আছিল তলত দিয়াধৰণৰ—
  - ভাৰতীয়সকললৈ পশ্চিমীয়া জ্ঞান, খবৰ আৰু পশ্চিমীয়া সংস্কৃতিৰ শিক্ষা সম্প্ৰসাৰণ কৰা।
  - ভাৰতীয়সকলক শিক্ষিত কৰি তুলিব লাগে যাতে তেওঁলোকৰ মাজত ৰাজহুৱা সেৱা আগবঢ়াবলৈ এটা শ্ৰেণী গঠন হয়।
  - বৌদ্ধিক বিকাশ সাধন কৰা আৰু যুৱ প্ৰজন্মৰ মাজত নৈতিক চৰিত্ৰৰ ধাৰা শক্তিশালী কৰি তোলা।
  - ভাৰতীয় মানুহৰ মাজত ব্যৱহাৰিক আৰু বৃত্তিমূলক দক্ষতা বৃদ্ধি কৰি তোলা। ব্যক্তিসকলে দক্ষতাৰ মাধ্যমত উৎপাদন কৰা আহিলাসমূহ বিক্ৰী কৰাৰ বাবে ভাল বজাৰ তৈয়াৰ কৰা।
- **শিক্ষা বিভাগ** (Department of Education) ঃ এই ঘোষণাপত্ৰই প্ৰতিখন প্ৰদেশতে একোটাকৈ শিক্ষাবিভাগ স্থাপনৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে সেইসময়ত বৃটিছৰ অধীনত পাঁচখন প্ৰদেশ আছিল আৰু সেইকেইখন হৈছে বংগপ্ৰদেশ, মাদ্ৰাজ, বোম্বাই, উত্তৰ-পশ্চিম প্ৰদেশ আৰু পঞ্জাৱ। এই বিভাগটো একোজন শিক্ষা সঞ্চালক নামৰ এজন গুৰুত্বপূৰ্ণ বিষয়াৰ অধীনত থাকিব। তেওঁক সহায় কৰিব নিৰ্দিষ্ট সংখ্যক পৰিদৰ্শকে। শিক্ষা সঞ্চালকসকলে নিজ নিজ প্ৰদেশৰ শৈক্ষিক উন্নতিৰ প্ৰতিবেদন প্ৰতিবছৰে চৰকাৰৰ ওচৰত দাখিল কৰিব লাগিব।
- **জনসাধাৰণৰ শিক্ষাৰ সম্প্ৰসাৰণ** (Expansion of Mass Education) ঃ উডৰ ঘোষণাপত্ৰমতে শিক্ষা সকলো লোকেই পোৱা উচিত। এই ঘোষণাপত্ৰৰ আগতে কোম্পানীয়ে কেৱল উচ্চ শ্ৰেণীৰ লোককহে শিক্ষা দিয়াৰ পৰিকল্পনা কৰিছিল। ৰাজনৈতিক অভিপ্ৰায় আৰু দুৰ্বল অৰ্থনৈতিক অৱস্থাৰ বাবে কোম্পানীয়ে ক্ৰমনিম্ন পৰিশ্ৰাৱন নীতিৰ জৰিয়তে শিক্ষা বিস্তাৰ কৰিব বিচাৰিছিল। ঘোষণাখনে পৰিশ্ৰাৱন নীতিৰ সমালোচনা কৰে আৰু ইয়াক দূৰদৃষ্টিহীন, সংকীৰ্ণ ভাবাপন্ন বুলি অভিহিত কৰে। ঘোষণাপত্ৰই সেইবাবে সকলো ভাৰতীয় লোকৰ বাবে সাৰ্বজনীন শিক্ষাৰ পোষকতা

কৰে। তাৰোপৰি কোৱা হৈছিল যে ভাৰতীয় মানুহবোৰ দুখীয়া, গতিকে চৰকাৰে তেওঁলোকৰ শিক্ষাৰ দায়িত্ব বহন কৰিব লাগে।

- **বিশ্ববিদ্যালয় স্থাপন** (Establishment of Universities) ঃ এই ঘোষণাপত্রই ভাৰতবৰ্ষত বিশ্ববিদ্যালয় স্থাপনৰ সময় উপস্থিত হৈছে বুলি অনুভৱ কৰি কলিকতা, মাদ্রাজ আৰু বোম্বাইত একোখনকৈ বিশ্ববিদ্যালয় স্থাপনৰ নির্দেশ দিয়ে। এই বিশ্ববিদ্যালয়সমূহ স্থাপন হ'ব লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত। বিশ্ববিদ্যালয়সমূহৰ মূলকার্য হ'ব পৰীক্ষা পৰিচালনা কৰা আৰু কৃতী ছাত্রক ডিগ্রী প্রদান কৰা। চৰকাৰৰ দ্বাৰা মনোনীত আচার্য, উপাচার্য আৰু সদস্যৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ 'চিনেট সভা' গঠন কৰা হ'ব। চিনেট সভাই প্রশাসনীয় কার্য পৰিচালনা কৰিব আৰু ডিগ্রী পৰীক্ষাৰ বাবে কোনো ধর্মীয় বিষয়ৰ শিক্ষা দিয়া নহ'ব। ইয়াৰোপৰি উচ্চ শিক্ষাৰ ব্যৱস্থা নথকা বিভিন্ন বিষয়ত পৃথক অধ্যাপক নিযুক্ত কৰি শিক্ষাদান কৰা আৰু ডিগ্রী প্রদান কৰাৰ ব্যৱস্থা ল'বলৈও নির্দেশপত্রত কোৱা হয়।
- **সহায়ক অনুদান** (Grant-in-aid) ঃ শিক্ষাৰ ক্ষেত্রত আর্থিক প্রয়োজনীয়তাৰ কথা ঘোষণাপত্রই বাৰুকৈয়ে অনুভৱ কৰিছিল আৰু সেইবাবে ইয়ে শিক্ষা প্রসাৰৰ বাবে সহায়ক অনুদানৰ ব্যৱস্থা কৰে। এই অনুদান লাভ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানসমূহে কেইটিমান চর্ত পূৰণ কৰিব লাগিব। চর্তসমূহ তলত উল্লেখ কৰিব পাৰি—
  - ➢ শিক্ষানুষ্ঠানবোৰে যি ধর্মৰেই শিক্ষা নিদিয়ক কিয় তাৰ প্রতি দৃষ্টি নিদিয়াকৈ ধর্ম নিৰপেক্ষতাৰ ভিত্তিত ভাল শিক্ষা দিয়া।
  - ➢ শিক্ষানুষ্ঠান স্থানীয় পৰিচালনা কমিটিৰ দ্বাৰা সূচাৰুৰূপে পৰিচালনা কৰা হ'ব লাগিব।
  - ➢ শিক্ষানুষ্ঠান চৰকাৰী পৰিদর্শন সাপেক্ষ হ'ব লাগিব আৰু আৱশ্যকীয় নির্দেশ মানি চলিব লাগিব।
  - ➢ ছাত্রসকলৰপৰা সামান্যভাবে হ'লেও মাছুল আদায় কৰিব লাগিব।

  ঘোষণাপত্রখনে প্রতিখন প্রাদেশিক চৰকাৰকে সহায়ক অনুদানৰ বাবে নিজস্বভাৱে নীতি-নিয়ম ৰচনা কৰিবলৈ উপদেশ দিছিল। তদুপৰি বিভিন্নধৰণৰ শৈক্ষিক কার্যাৱলী যেনে— ছাত্র বৃত্তি, শিক্ষকৰ দৰমহা, পুথিভঁৰাল, গৃহ নির্মাণ, বিজ্ঞান বিষয়ৰ সা-সঁজুলিৰ বাবেও বিভিন্নধৰণৰ অনুদান আগবঢ়োৱা হৈছিল। এনে ব্যৱস্থা গ্রহণৰ দ্বাৰাই চৰকাৰে ভাৰতত মিছনেৰীসকলক সহায় কৰিব খুজিছিল। কিয়নো দেশৰ শিক্ষাত বেচৰকাৰীভাৱে প্রচেষ্টা চলোৱাৰ ক্ষেত্রত তেওঁলোকেই আছিল আগৰণুৱা। গতিকে চৰকাৰৰ নীতি আছিল জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ কৰাত মিছনেৰীসকলক উৎসাহিত কৰা।
- **ভাষা শিক্ষণ** (Teaching of Language) ঃ শিক্ষাৰ মাধ্যম সম্পর্কত কোৱা হয় যে উপযুক্ত কিতাপৰ অভাৱত পৰিস্থিতিসাপেক্ষে ইংৰাজী ভাষাকেই মাধ্যম হিচাবে গ্রহণ কৰিব লাগিব। ঘোষণাপত্রত কোৱা হয় যে জনসাধাৰণৰ সার্বজনীন শিক্ষা সম্ভৱ হ'ব কেৱল ভাৰতীয় ভাষাসমূহৰ জৰিয়তে। লগতে পশ্চিমীয়া সাহিত্য আৰু বিজ্ঞানৰ জ্ঞান

আহৰণ সম্ভৱ হ'ব কেৱল ইংৰাজী ভাষাৰ জৰিয়তে। অর্থাৎ এইটো ক'বলৈ যোৱা হৈছে যে ইংৰাজী ভাষাৰ সমান্তৰালকৈ দেশীয় ভাষাসমূহো শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাটো উচিত হ'ব। লগতে এইটোও পর্যবেক্ষণ কৰা হৈছিল যে সময়ত ভাৰতীয় ভাষাসমূহৰ জৰিয়তে পশ্চিমীয়া জ্ঞান আৰু বিজ্ঞানৰ শিক্ষাদান কৰিবপৰা যাব।

- **স্ত্রী-শিক্ষা সম্বন্ধে** (Education of Women) ঃ ঘোষণাপত্রত লক্ষ্য কৰা হয় যে ছোৱালীসকলক শিক্ষা দিবৰ বাবে ভাৰতীয়সকলৰ মনত ইচ্ছা তথা আগ্রহৰ বৃদ্ধি হৈছিল। এইক্ষেত্রত গৱর্ণৰ জেনেৰেলে লোৱা ব্যৱস্থাতো আন্তৰিক সমর্থন জনোৱা হয় আৰু স্ত্রী-শিক্ষাৰ বাবে চৰকাৰী সহায়ক অনুদান প্রদানৰো পৰামর্শ দিয়া হয়। যিসকল লোকে স্ত্রী শিক্ষাৰ বিকাশত ভূমিকা গ্রহণ কৰিছে তেওঁলোককো উৎসাহ যোগোৱা হয়। প্রতিবেদনত কোৱা হয় যে ভাৰতত স্ত্রী-শিক্ষাৰ প্রতি দিয়া গুৰুত্ব কেতিয়াও মাত্রাধিক কথা হ'ব নোৱাৰে।
- **শিক্ষকৰ প্রশিক্ষণ** (Training of Teachers) ঃ শিক্ষকসকলৰ প্রশিক্ষণৰ বাবেও গঠনমূলক পৰামর্শ আগবঢ়োৱা হয়। সেইসময়ত শিক্ষক-প্রশিক্ষণৰ কোনো ব্যৱস্থা নাছিল বাবে উপযুক্ত শিক্ষকৰ সংখ্যাও নগন্য আছিল। সেইবাবে প্রতিখন প্রদেশতে একোখন শিক্ষক-প্রশিক্ষণ অনুষ্ঠান পাতিবলৈ পৰামর্শ দিয়ে লগতে এই অনুষ্ঠানবোৰ ইংলেণ্ডৰ শিক্ষক প্রশিক্ষণ অনুষ্ঠানৰ আর্হিত স্থাপন কৰিবলৈ নির্দেশ দিয়ে। প্রশিক্ষণকালত শিক্ষকসকলক বৃত্তি দিয়াৰ আৱশ্যকতাৰ বিষয়েও উল্লেখ কৰা হয়। ইয়াৰোপৰি অভিযান্ত্রিক, আইন, চিকিৎসা ইত্যাদি বৃত্তিগত বিষয়সমূহতো প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ সৃষ্টি কৰিবলৈও উডৰ ঘোষণাপত্রত পৰামর্শ আগবঢ়োৱা হয়।
- **বৃত্তিমুখী শিক্ষা** (Professional Education) ঃ বৃত্তিমুখী শিক্ষানুষ্ঠান স্থাপনৰ যোগেদি শিক্ষার্থীসকলক বৃত্তিমূলক শিক্ষা দিয়াৰ মত পোষণ কৰিছিল উডৰ ঘোষণাপত্রই। এনে ব্যৱস্থাৰ দ্বাৰাই হয়তো তেওঁলোকে ভাৰতীয় লোকক উপলব্ধি কৰাব বিচাৰিছিল যে বৃটিছ শাসন ব্যৱস্থা প্রগতিশীল, অথবা জনসাধাৰণৰ মনত অসন্তোষৰ সৃষ্টি কৰিব খোজা নিবনুৱা সমস্যাক ইয়াৰ দ্বাৰাই নিয়ন্ত্রণ কৰিব বিচাৰিছিল।

  দেশৰ বৃত্তিমূলক শিক্ষাৰ প্রয়োজনীয়তাৰ প্রতি প্রতিবেদনে আমাৰ দৃষ্টি আকর্ষণ কৰে। এইক্ষেত্রত পৰামর্শ দি কোৱা হয় যে এই শিক্ষা সহজে পাবপৰাকৈ শিল্পকেন্দ্র আদিৰ সান্নিধ্যত বৃত্তিমূলক স্কুল-কলেজ আদি স্থাপন কৰিব লাগে।
- **সমগ্র ভাৰতত ক্রমাগত শিক্ষাৰ জালিকর্ম প্রবর্তন** (Introduction of network of graded schools all over India) ঃ ঘোষণাপত্রই শিক্ষাৰ সকলো স্তৰৰ লগত সমন্বয় সাধনৰ বাবে ক্রমাগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইধৰণৰ শিক্ষা ব্যৱস্থাৰ এটা স্তৰত থাকিব বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্রাপ্ত মহাবিদ্যালয়সমূহ। তাৰ তলৰ স্তৰত থাকিব হাইস্কুলসমূহ য'ত ইংৰাজী অথবা আধুনিক ভাৰতীয় ভাষাসমূহৰ জৰিয়তে শিক্ষাদান কৰা হ'ব আৰু একেবাৰে তলৰ স্তৰত থাকিব

দেশীয় প্ৰাথমিক বিদ্যালয়বোৰ। দেশীয় প্ৰাথমিক বিদ্যালয় সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰি কয় যে ভাৰত চৰকাৰে উত্তৰ-পশ্চিম প্ৰদেশত থমাছনে গ্ৰহণ কৰা পৰিকল্পনাকে যিমান দূৰ সম্ভৱ হয় গ্ৰহণ কৰিব লাগে। লগতে বিভিন্ন স্তৰৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ সম্ভাৱনাপূৰ্ণ ছাত্ৰসকলৰ বাবে বৃত্তিদানৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে উচ্চ শিক্ষা ল'বলৈ সক্ষম হয়।



জানি থোৱা ভাল

l উডৰ ঘোষণাপত্ৰখনৰ প্ৰধান উদ্দেশ্য হ'ল ভাৰতীয় মানুহক শিক্ষা দি এদল অসামৰিক সেৱাৰ বাবে কৰ্মচাৰী সৃষ্টি কৰা।

l ঘোষণাপত্ৰত এইটোওঁ বিচৰা হৈছিল যে ভাৰতীয়সকলক পশ্চিমীয়া সংস্কৃতিৰ বিষয় লৈ পশ্চিমীয়া জ্ঞান আৰু খবৰ শিকোৱা হওঁক।

l প্ৰথমবাৰৰ বাবে উডৰ ঘোষণাপত্ৰত বংগদেশ, মাদ্ৰাজ, বোম্বে, পঞ্জাব আৰু উত্তৰ পশ্চিম প্ৰদেশত একোটাকৈ শিক্ষা বিভাগ সৃষ্টি কৰাৰ পৰামৰ্শ দিছিল।

l ঘোষণাপত্ৰখনত পৰামৰ্শ দিয়া হৈছিল যে চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় স্থাপন কৰি গণ শিক্ষাৰে উন্নতি সাধন কৰা হওঁক।

l উডৰ ঘোষণাপত্ৰত লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত ভাৰতবৰ্ষৰ প্ৰেচিডেন্সি চহৰ কলিকতা, বোম্বে আৰু মাদ্ৰাজৰ প্ৰত্যেকতে এখনকৈ মুঠ তিনিখন বিশ্ববিদ্যালয় স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল।

l উডৰ ঘোষণাপত্ৰত সহায়ক অনুদান আগবঢ়োৱাৰ পৰামৰ্শ দিছিল।

l উডৰ ঘোষণাপত্ৰত ইংৰাজী অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল আৰু তাৰ লগে লগে ভাৰতীয় ভাষাসমূহ আৰু আৰবিক, পাৰ্চিয়ান আৰু সংস্কৃত ভাষাৰ অধ্যয়নৰ পোষকতা কৰিছিল।

l উডৰ ঘোষণাপত্ৰই মহিলাসকলৰ শিক্ষাৰ সমৰ্থন কৰিছিল।

l ঘোষণাপত্ৰই শিক্ষক প্ৰশিক্ষণৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰিছিল আৰু শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ পৰামৰ্শ দিছিল। শিক্ষকসকলৰ কৰ্মৰত অৱস্থা আৰু দৰমহাৰ উন্নতি সাধনৰ পৰামৰ্শ দিছিল।

l উডৰ ঘোষণাপত্ৰই বৃত্তিমুখী শিক্ষাক উৎসাহ প্ৰদান কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উডৰ ঘোষণাপত্ৰৰ প্ৰধান উদ্দেশ্যসমূহ কি কি আছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ উডৰ ঘোষণাপত্ৰৰ পাঁচটা প্ৰধান পৰামৰ্শ উল্লেখ কৰক।

.....

.....

৭.৫ উডৰ ঘোষণাপত্ৰৰ মূল্যায়ণ

এতিয়ালৈ আমি ১৮৫৪ চনৰ ঘোষণাপত্ৰখনৰ পৰামৰ্শসমূহৰ সৈতে অৱগত হ'লো। আমি পৰ্যবেক্ষণ কৰিছো যে ঘোষণাপত্ৰখনে কিছুমান অতিশয় জৰুৰী আৰু মূল্যৱান পৰামৰ্শ ভাৰতবৰ্ষৰ শিক্ষাৰ বিকাশৰ ভৱিষ্যত ধাৰাৰ বাবে আগবঢ়াইছে। পৰামৰ্শবোৰে বৰ্তমান ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰি নতুন দিশৰ নিৰ্ণয় কৰিছে। ঘোষণাপত্ৰখনে বহুবোৰ গুৰুত্বপূৰ্ণ দিশৰ সমাধান আগবঢ়াইছে। তাৰ ভিতৰত শিক্ষানুষ্ঠানৰ পৰ্যায়কৰণ, শিক্ষাদানৰ মাধ্যম, ভৱিষ্যতৰ শৈক্ষিক বিকাশৰ বাবে নতুন আঁচনিৰ প্ৰস্তাৱ আৰু ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত দীঘলীয়া পৰিণতিৰ উন্মেষ ঘটাইছে। তথাপি ইয়াৰ দোষ-ত্ৰুটি নথকা বুলি ক'ব নোৱাৰি। তলত আমি ঘোষণাপত্ৰখনৰ সুবিধা আৰু অসুবিধাসমূহৰ মূল্যায়ণ আগবঢ়ালো।

৭.৫.১ উডৰ ঘোষণাপত্ৰৰ সুবিধাসমূহ

ঘোষণাপত্ৰখনৰ সুবিধাসমূহ তলত দিয়া ধৰণেৰে আলোচনা কৰিব পৰা যায়—

- উডৰ ঘোষণাপত্ৰখনে ভাৰতীয় শিক্ষা ব্যৱস্থাত এটা নতুন যুগৰ সূচনা কৰে আৰু অভাৱ-অভিযোগসমূহৰ প্ৰতি প্ৰথমবাৰৰ বাবে দৃষ্টি আকৰ্ষণ কৰে আৰু দায়িত্বশীল কৰি তোলে। ফলত শিক্ষাৰ দিশত চৰকাৰে তেওঁলোকৰ এক সুস্পষ্ট কাৰ্যব্যৱস্থা গ্ৰহণৰ আঁচনি লাভ কৰে।
- ইংলেণ্ডৰ শিক্ষাৰ কেতবোৰ উন্নত প্ৰশাসনীয় ব্যৱস্থা এই প্ৰতিবেদনখনে ভাৰতলৈ কঢ়িয়াই আনে। ইয়াৰ ফলত ভাৰতীয় শিক্ষা আধুনিকীকৰণৰ প্ৰক্ৰিয়া আমাৰ দেশত আৰম্ভ হ'বলৈ ধৰে।
- ভাৰতৰ শিক্ষানুষ্ঠানবোৰক চৰকাৰী অৰ্থ-সাহায্য দিয়াৰ পৰামৰ্শই দেশৰ শিক্ষা ব্যৱস্থাৰ দ্ৰুত উন্নতি সাধন কৰি তোলে। ইয়াৰ ফলত অধিক শিক্ষানুষ্ঠান গঢ়ি উঠে আৰু সেইসমূহত ছাত্ৰসংখ্যা বৃদ্ধি পাবলৈ ধৰে।
- প্ৰাথমিক শিক্ষাৰ দেশীয় অনুষ্ঠানবোৰে এই প্ৰতিবেদনৰ পৰামৰ্শত এক আশাৰ ৰেঙণি দেখিবলৈ পায়। এইবিধ স্কুলকো শিক্ষাৰ পৰ্যায়কৰণৰ তৃতীয় পৰ্যায়ত অন্তৰ্ভুক্ত কৰা হোৱা বাবে চৰকাৰী স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।
- শিক্ষাৰ ধৰ্ম নিৰপেক্ষতা নীতি গ্ৰহণৰ ভিত্তিত চৰকাৰী অৰ্থ-সাহায্য দিয়া ব্যৱস্থা গ্ৰহণ কৰা হয়। ফলত ভাৰতীয় শিক্ষাত জাতি-ধৰ্ম-বৰ্ণ-বৈষম্যৰ ভেদভাব গুচাই উদাৰ নীতি গ্ৰহণৰ বাবে অনুপ্ৰাণিত কৰা হয়।

- প্রতিবেদনখনে দেশত এনে এটা মনোভাব গঢ় দি তুলিবলৈ বিচাৰে যে প্রাচ্য-পাশ্চাত্যৰ মাজত সমন্বয় আৰু বুজাপৰা ভাবৰ প্রয়োজন।
- এই প্রতিবেদনে প্রতিপন্ন কৰে যে মেকলেৰ নিম্ন পৰিশ্রাৱন শিক্ষানীতি আছিল ভ্রান্তিমূলক। ইয়াৰ পৰিবর্তে ভাৰতীয় জনসাধাৰণৰ জনশিক্ষাৰহে প্রয়োজন আৰু এনে ব্যৱস্থাইহে তেওঁলোকৰ আশা-আকাংখ্যা পূৰণ কৰিব পাৰে।
- দেশৰ পাঁচখন ৰাজ্যত শিক্ষা বিভাগ স্থাপন আৰু শিক্ষাধিকাৰৰ নিযুক্তিৰ ব্যৱস্থাই শিক্ষা প্রশাসন যন্ত্র নতুনকৈ গঢ় দি তোলে।
- এই দেশৰ বাবে অপৰিচিত শিক্ষক প্রশিক্ষণৰ এক নতুন ব্যৱস্থা গঢ় দি তোলা হয়। ইয়াৰ ফলত ভাৰতীয় শিক্ষাত এক বিজ্ঞানসন্মত দৃষ্টিভংগী গ্রহণ কৰা আৰু শিক্ষাৰ গুণমান উন্নত কৰি তোলাটো সম্ভৱপৰ হৈ উঠে।
- প্রতিবেদনৰ পৰামর্শক্রমেই ভাৰততে উচ্চ শিক্ষাৰ এক নতুন অধ্যায় ৰচিত হয়। প্রথমবাৰৰ বাবে তিনিখন আধুনিক বিশ্ববিদ্যালয় বম্বে, মাদ্রাজ আৰু কলিকতাত ১৮৫৭ চনত স্থাপিত হৈ উঠি পশ্চিমৰ জ্ঞান-বিজ্ঞানৰ দুৱাৰ মুকলি কৰা হয়।
- এই প্রতিবেদনে ভাৰতীয় শিক্ষাক অধিক প্রয়োগিক আৰু উপযোগিতামূলক কৰি তুলিবলৈ সক্ষম হয়। শিক্ষিত ভাৰতীয়সকলে ইয়াৰ ফলত শিক্ষা কর্ম সংস্থাপনৰ উপায়স্বৰূপে গ্রহণ কৰিবলৈ শিকে।
- ভাৰতীয় শিক্ষাৰ সকলো দিশ সামৰি লোৱা এক ব্যাপক শিক্ষা প্রতিবেদন ভৱিষ্যতৰ শিক্ষাৰ বাবেও পথ প্রদর্শকস্বৰূপ আছিল।



জানি থোৱা ভাল

উডৰ ঘোষণাপত্রখন ইয়াৰ সুবিধাসমূহৰ বাবে ঐতিহাসিক দলিল হিচাপে পৰিগণিত হৈছে। সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- প্রথমবাৰৰ বাবে ভাৰত চৰকাৰে এটা সুপৰিকল্পিত শিক্ষা ব্যৱস্থাৰ কথা গভীৰভাৱে উপলব্ধি কৰিছিল।
- ই এটা শিক্ষা বিভাগ সৃষ্টি কৰি ইয়াৰ মূৰব্বী হিচাপে শিক্ষাধিকাৰ নিযুক্তি দিয়াৰ পৰামর্শ আগবঢ়াইছিল।
- ই জনসাধাৰণৰ মাজত শিক্ষা সম্প্রসাৰণৰ বাবে চৰকাৰী আৰু থলুৱা পুৰণা পদ্ধতিৰ বিদ্যালয় স্থাপনৰ বাবে পৰামর্শ আগবঢ়াইছিল।
- ঘোষণাপত্রখনে ভাৰতবর্ষত তিনিখন বিশ্ববিদ্যালয় স্থাপনৰ পৰামর্শ আগবঢ়াইছিল।
- ঘোষণাপত্রখনে বৃত্তিমুখী শিক্ষা আৰু শিক্ষকসকলৰ প্রশিক্ষণৰ ব্যৱস্থা কৰাৰ বাবেও পৰামর্শ আগবঢ়াইছিল।

● উডৰ ঘোষণাপত্ৰত ইংৰাজী শিক্ষণ আৰু ভাৰতীয় আঞ্চলিক ভাষা অধ্যয়নৰ লগতে আৰবিক, পাৰচিয়ান আৰু সংস্কৃত আদিৰ দৰে ধ্ৰুপদী ভাষাবোৰৰ অধ্যয়নৰ বাবেও পৰামৰ্শ আগবঢ়াইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ উডৰ ঘোষণাপত্ৰখনৰ সুবিধাবোৰ কি কি আছিল?

.....

.....

৭.৫.২ উডৰ ঘোষণাপত্ৰৰ অসুবিধাসমূহ

উডৰ ঘোষণাপত্ৰখনৰ অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- উডৰ প্ৰতিবেদনৰ পৰামৰ্শক্ৰমে ভাৰতীয় শিক্ষা ব্যৱস্থা ইংৰাজ শাসনৰ তললৈ যায়। ফলত ইতিপূৰ্বে শিক্ষানুষ্ঠানবোৰে নিজ নিজ শিক্ষা পৰিচালনাৰ ক্ষেত্ৰত পাই অহা স্বাধীনতা আৰু স্বতন্ত্ৰতা হেৰুৱাবলগা হয়।
- দেশৰ শিক্ষা বিভাগ স্থাপিত হৈ শিক্ষা-প্ৰশাসনৰ ব্যৱস্থা চৰকাৰী নীতি-নিয়মৰ অধীন হোৱা বাবে সকলো কাৰ্য ৰঙা ফিটাৰ মেৰপাকত সোমাই পৰে। ফলত শিক্ষাৰ সকলো কথা আৰু কামত লেহেম গতিৰ সৃষ্টি হয়।
- ভাৰতত স্থাপিত হোৱা তিনিখন বিশ্ববিদ্যালয়ে পশ্চিমীয়া সভ্যতা-সংস্কৃতি আৰু ভাব-অনুভূতি এই দেশলৈ আমদানি কৰে। ইয়াৰ ফলত ভাৰতীয় লোকৰ মনোভাব, চিন্তাধাৰা আদিত এক অসুস্থ প্ৰভাৱ পৰিবলৈ ধৰে।
- ভাৰতীয় লোকৰ মাজত ইংৰাজী শিক্ষাৰে শিক্ষিত আৰু সৰ্বসাধাৰণৰ লগত মিলিব নোৱাৰা এক বিশেষ শ্ৰেণী লোকৰ সৃষ্টি হয়। এওঁলোক হ'ল শিক্ষিত আৰু গাঁও এৰি নগৰমুখী হোৱা লোক।
- পশ্চিমীয়া শিক্ষা আৰু ভাবধাৰাই ভাৰতীয়সকলৰ ক্ৰিয়া আচৰণত এক কৃত্ৰিমতাৰ সৃষ্টি কৰে। তেওঁলোকে ভাবিবলৈ ধৰে যে পশ্চিমীয়া দেশৰ সকলো কথাই আদৰণীয় আৰু প্ৰাচ্যৰ সকলো কথাই ঘৃনণীয়।
- পশ্চিমীয়া শিক্ষা আদৰ্শৰ অহেতুক আকৰ্ষণে ভাৰতীয় ধৰ্ম-সংস্কৃতি আৰু আধ্যাত্মিক জীৱনত বিশেষ ক্ষতি সাধন কৰে। ফলত দেশীয় শিক্ষা ব্যৱস্থা কেৱল এক সীমিত শ্ৰেণী লোকৰ মাজত আৱদ্ধ হৈ পৰে।
- এই শিক্ষা প্ৰতিবেদনে ভাৰতীয় শিক্ষাৰ মাধ্যম ইংৰাজী ভাষা কৰি তোলাৰ নীতি গ্ৰহণ কৰে। ফলত দেশীয় ভাষাসমূহৰ শিক্ষা বিকাশত বাধাৰ সৃষ্টি হয়। আনহাতে ইংৰাজী ভাষাৰ স্থিতি আৰু ইয়াৰ বিস্তৃতি ব্যাপক কৰি তোলা হয়।
- উডৰ প্ৰতিবেদনে নিম্ন পৰিশ্ৰাৱন নীতিৰ বিপৰীতে জনসাধাৰণৰ শিক্ষা নীতি

গ্রহণ কৰে যদিও প্রাথমিক শিক্ষা সার্বজনীন কৰি তোলাৰ কথা কোৱা নাই। শিশুক প্রাথমিক শিক্ষা দিয়াটো যে ৰাজ্যিক চৰকাৰৰ দায়িত্ব সেইকথা কোৱাৰপৰাও বিৰত থাকে।

- প্রতিবেদনখনে ভাৰতীয় মানুহৰ মন চাকৰিমুখী আৰু নগৰমুখী কৰি তোলে। তাৰফলত শিক্ষিত লোকসকল গাঁৱত থাকিবলৈ নিবিচৰা হয়। গাঁও আৰু নগৰৰ মাজৰ ব্যৱধান অধিক বৃদ্ধি কৰি তোলা হয়।
- ভাৰতীয় জনজীৱনৰ আদর্শবাদ আৰু আধ্যাত্মিকতাবাদৰ ওপৰতো বিৰূপ প্রভাৱ পৰে। ভাৰতীয় সমাজৰ নৈতিক মূল্যবোধৰ ওপৰত বস্তুবাদী ভাবধাৰাই অধিক প্রভাৱ পেলাবলৈ ধৰাত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।
- প্রতিবেদনখনে দেশত বৃত্তীয় শিক্ষাৰ বাবেও পৰামর্শ দিয়া নাছিল। ফলত ইংৰাজ চৰকাৰৰ তলত কাম কৰা কেতবোৰ কেৰাণী মহৰীৰ পদৰ বাবে উপযুক্ত লোকৰহে সৃষ্টি কৰি তোলা হ'ল।
- স্ত্রী-শিক্ষা আৰু মুছলমানসকলৰ শিক্ষাৰ উন্নতিৰ কথাও কোৱা হয় যদিও তাৰ কোনো কার্যকৰী ব্যৱস্থা কৰা নহ'ল। সেয়েহে সমালোচনাৰ দৃষ্টিৰে মন্তব্য কৰা হয় যে তেনেবোৰ পৰামর্শৰ উদ্দেশ্য আছিল কেৱল ভাৰতৰ সংখ্যালঘুসকলৰ সমর্থন লাভ কৰাটোহে।

সামৰণিত পর্যবেক্ষণ কৰিবপৰা গৈছে যে উডৰ ঘোষণাপত্রৰ ভাৰতবর্ষৰ শিক্ষাৰ বুৰঞ্জীত এটি বিশেষ গুৰুত্ব আছে। এই ঘোষণাপত্রখনৰ অনুমোদনক্রমে বোম্বাই, মাদ্রাজ আৰু কলিকতাত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন হ'ল। প্রত্যেকখন প্রদেশতে শিক্ষাবিভাগ স্থাপন কৰি একোজন শিক্ষাধিকাৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে। শিক্ষকৰ প্রশিক্ষণৰ ব্যৱস্থা আৰু স্ত্রী শিক্ষাৰ প্রচলনৰ ব্যৱস্থা কৰিলে। সহায়ক অনুদান দিয়াৰ ব্যৱস্থা কৰি প্রাথমিক, মাধ্যমিক আৰু মহাবিদ্যালয়সমূহৰ মাজত এটা সমন্বয় গঢ়ি তুলি দেশীয় স্কুলবোৰৰো উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰিলে। এই ঘোষণাপত্রই যিমানখিনি দিশত নির্দ্দেশনা দি শিক্ষাৰ উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰিলে আন কোনো প্রতিবেদনত একেধৰণৰ গুৰুত্ব আৰোপ কৰা হোৱা নাই। সেয়েহে এই ঘোষণাপত্রখনক ভাৰতীয় শিক্ষাৰ বিশেষ চনদ বা 'মেগনাকার্টা' বুলি কোৱা হয়।

বিভিন্ন সমালোচকসকলৰ এদল সমালোচকে উডৰ নির্দেশনামাক 'মেগনাকার্টা' বুলি অভিহিত কৰিছিল যদিও আনহাতে কিছুমান সমালোচকে এইটো গ্রহণযোগ্য নহয় বুলি মন্তব্য কৰিলে। এদল সমালোচকৰ মতে উডৰ প্রতিবেদনখনৰ কোনো ঐতিহাসিক মূল্য নাই আৰু ইয়াৰ কেইবাটাও দোষ-ত্রুটি দেখা যায়। ঘোষণাপত্রখনত দেশীয় স্কুলসমূহৰ উন্নতি সাধন কৰাৰ কথা উল্লেখ কৰিছিল যদিও এইক্ষেত্রত কোনেও মনোযোগ নিদিয়াত অনুষ্ঠানসমূহ ক্রমান্বয়ে বিলুপ্ত হ'বলৈ ধৰিলে

আৰু পিচপৰা ঠাইবোৰতো কোনো বিদ্যালয় স্থাপন নহ'ল। আন এটা দোষ হৈছে শিক্ষাৰ মাধ্যমৰূপে মাতৃভাষাক প্ৰয়োগ কৰাৰ কথা ঘোষণাপত্ৰখনত কোৱা হৈছিল যদিও বহু বছৰলৈকে মাতৃভাষা আমাৰ দেশত অৱহেলিত হৈ ৰ'ল আৰু পিছত তাক কাৰ্যকৰী কৰাৰ কোনো ব্যৱস্থা হাতত লোৱা নহ'ল। এই প্ৰতিবেদনে প্ৰাথমিক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ নকৰাত প্ৰাথমিক শিক্ষাৰ প্ৰতি মানুহৰ লাহে লাহে অৱহেলাৰ ভাব সৃষ্টি হ'বলৈ ধৰিলে। উচ্চ শিক্ষাৰ বাবেওঁ বিশ্ববিদ্যালয় স্থাপন কৰাৰ নিৰ্দেশ দিছিল যদিও এই বিশ্ববিদ্যালয়সমূহ লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন কৰিবলৈ যিমানখিনি ধনৰ প্ৰয়োজন সেই পৰিমাণে ভাৰতবৰ্ষৰ নিচিনা দৰিদ্ৰ দেশত সম্ভৱ নহয়। এই নিৰ্দেশনামাই শিক্ষাৰ উন্নতি সাধনৰ বাবে বিভিন্ন নিৰ্দেশ জাৰি কৰিছিল যদিও পিছত এইটোৱে পৰিলক্ষিত হ'ল যে ইংৰাজসকলে নিজৰ সাম্ৰাজ্য বিস্তাৰ আৰু বেপাৰ-বাণিজ্য সুচাৰুৰূপে চলাবৰ বাবে কিছু সংখ্যক সুদক্ষ কৰ্মচাৰীহে বিচাৰিছিল। এই প্ৰতিবেদনখনৰপৰা শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন বেমেজালিও ঘটিছিল আৰু ইয়াৰ ফলত ভাৰতীয় শিক্ষাৰ সম্প্ৰসাৰণ লাহে লাহে কমিবলৈ ধৰিলে।

উডৰ প্ৰতিবেদনখন সমালোচনা কৰি চালে মন্তব্য দিব পাৰি যে এই প্ৰতিবেদনখনে ভাৰতবৰ্ষৰ আধুনিক শিক্ষাৰ আধাৰশিলা স্থাপন কৰিলে আৰু ভাৰতীয় মানুহক আধুনিক সভ্যতাৰ পোহৰলৈ লৈ গ'ল। ভাৰতবৰ্ষৰ সাহিত্য, বিজ্ঞান, সংস্কৃতি, ৰাজনীতি, বাণিজ্য আদিত ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল।



জানি থোৱা ভাল

উডৰ ঘোষণাপত্ৰৰ অসুবিধাসমূহ—

l উডৰ ঘোষণাপত্ৰখনে শিক্ষা ব্যৱস্থাৰ সুন্দৰভাৱে পৰিচালনা কৰিব নোৱাৰিলে।

l গণ শিক্ষা ব্যৱস্থাৰ সত্যতা প্ৰতিফলিত নহ'ল।

l সহায়ক অনুদান ব্যৱস্থা কোষৰ অভাৱ আৰু অৰ্থ মুকলি কৰি দিয়াৰ অনিয়মৰ বাবে ঠিকভাৱে কাৰ্যকৰী নহ'ল।

l ঘোষণাপত্ৰখনত পশ্চিমীয়া জ্ঞান আৰু সংস্কৃতিৰ উন্নতি সাধনৰ ক্ষেত্ৰত অধিক মনোযোগ দিয়া হৈছিল।

l শিক্ষা বিভাগ স্থাপনে শিক্ষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ উন্নত স্তৰলৈ নিব নোৱাৰিলে আৰু বিশ্ববিদ্যালয়সমূহৰ শিক্ষাই ভাৰতীয় অৱস্থাৰ লগত সম্বন্ধ স্থাপন কৰিব নোৱাৰিলে।

l ঘোষণাপত্ৰখনে প্ৰয়োজন অনুসৰি বৃত্তিমুখী শিক্ষাৰ উন্নতি সাধন কৰিব নোৱাৰিলে তাৰ ফলত এই দিশটো অনিৰ্দিষ্ট সময়লৈ বন্ধ হৈ থাকিল।

l স্ত্ৰী শিক্ষাক অবিৰতভাৱে অৱহেলা কৰা হ'ল।

l ঘোষণাপত্রখনে এদল কেৰাণী, হিচাপ ৰক্ষক উৎপাদন কৰিলে কিন্তু শিক্ষার্থীসকলৰ মাজত নেতৃত্বদানৰ গুণাৱলী আৰু চৰিত্র বিকাশৰ ধাৰণাৰ উদয় নকৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উডৰ ঘোষণাপত্রৰ চাৰিটা প্রধান অসুবিধা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৫ ঃ ভাৰতবর্ষৰ শিক্ষাৰ ওপৰত উডৰ ঘোষণাপত্রৰ প্রভাৱ কেনেধৰণৰ আছিল?

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৫৩ চনত চার্টাৰ আইনখন নবীকৰণ কৰাৰ সময়ত উপলব্ধি কৰা হৈছিল যে ভাৰতবর্ষৰ বাবে এটা পদ্ধতিগত শিক্ষা ব্যৱস্থাৰ প্রয়োজন আছিল। তাৰফলতেই উডৰ ঘোষণাপত্রখন প্রস্তুত কৰা হ'ল। শিক্ষা নিয়ন্ত্রণ পৰিষদৰ সভাপতি চাৰ চার্লচ উড শিক্ষা নিয়ন্ত্রণ পৰিষদৰ অধ্যক্ষ আছিল।
- ঘোষণাপত্রখনৰ মূল উদ্দেশ্য আছিল ভাৰতবর্ষৰ মানুহক পশ্চিমীয়া জ্ঞান দিয়াৰ লগতে তেওঁলোকৰ নৈতিক চৰিত্র আৰু বুদ্ধিৰ উন্নতি সাধন কৰা।
- প্রথমবাৰৰ বাবে ঘোষণাপত্রখনে ভাৰতবর্ষৰ পাঁচখন প্রদেশত শিক্ষা বিভাগ স্থাপন কৰাৰ পৰামর্শ আগবঢ়ায়।
- উডৰ ঘোষণাপত্রখনৰ এটা প্রধান পৰামর্শ আছিল জনসাধাৰণৰ মাজলৈ শিক্ষা সম্প্রসাৰণ কৰা আৰু তেওঁলোকৰ মাজত বৃত্তিমুখী দক্ষতা বৃদ্ধি কৰা।
- ঘোষণাপত্রখনত ভাৰতবর্ষৰ তিনিখন প্রেচিডেন্সি চহৰ কলিকতা, বোম্বে আৰু মাদ্রাজত একোখনকৈ বিশ্ববিদ্যালয় স্থাপনৰ পৰামর্শ দিছিল।
- উডৰ ঘোষণাপত্রৰ পৰামর্শমতে সহায়ক অনুদান ব্যৱস্থা প্রবর্তন কৰা হৈছিল।

- ঘোষণাপত্ৰখনে ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ শিক্ষণ আৰু আৰবিক, পাৰচিয়ান আৰু সংস্কৃত আদিৰ দৰে ধ্ৰুপদী ভাষাবোৰৰ অধ্যয়নৰ ব্যৱস্থা কৰাৰ লগতে ইংৰাজীক প্ৰাধান্য দিয়াৰ বাবে উদগনি যোগাইছিল।
- ঘোষণাপত্ৰখনে শিক্ষকৰ গুণাৱলীসমূহৰ উন্নতি সাধন কৰিবলৈ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনত উদগনি যোগাইছিল।
- ওপৰত উল্লেখ কৰা সকলোবোৰ পৰামৰ্শাৱলীৰ বাবে উডৰ ঘোষণাপত্ৰখনক 'ভাৰতীয় শিক্ষাৰ মেগনাকার্টা' হিচাপে আখ্যা দিয়া হয়।
- উডৰ ঘোষণাপত্ৰখনৰ প্ৰচেষ্টা সৰ্বাঙ্গসুন্দৰ আছিল যদিওঁ চৰকাৰে অধিক সংখ্যক পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ সমৰ্থবান নহ'ল।
- ইংৰাজীয়ে শিক্ষাৰ মাধ্যম হিচাপে পৰিগণিত হ'ল আৰু সাধাৰণ মানুহবোৰ শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত হ'ল।
- ১৮৫৭ চনত তিনিখন বিশ্ববিদ্যালয় স্থাপন হোৱাৰ ফলত ভাৰতবৰ্ষত পশ্চিমীয়া জ্ঞান আৰু সংস্কৃতিৰ বিকাশ সাধন হ'ল।
- সঁচা অৰ্থত দেশখনত বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তন কৰা নহ'ল।
- ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ বাবে মূলতঃ ঘোষণাপত্ৰখনৰ পৰামৰ্শসমূহ কাৰ্যকৰী হৈ নুঠিল।



৭.৭ অধিক জানিবলৈ

১) বৰুৱা যতীন ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুকচ ষ্টল, গুৱাহাটী-১

২) বৰদলৈ অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, লয়ার্চ বুকচ ষ্টল*, গুৱাহাটী-১

৩) ডেকা বীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-১

৪) Damal B D & Das B N : *Education in Modern India,* Kalyani Publishers, New Delhi

৫) Barua K C & Sharma M M : *'A New Refresher Course in History of Education in India'*; V. P. Mandir, R R Marg, Agra-3

৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উডৰ ঘোষণাপত্ৰৰ প্ৰধান উদ্দেশ্যসমূহ আছিল—

(ক) ভাৰতীয়সকলক পশ্চিমীয়া জ্ঞান আৰু খবৰৰ লগতে পশ্চিমীয়া সংস্কৃতিৰ জ্ঞান দিয়া।

(খ) অসামৰিক সেৱা আগবঢ়াবপৰা এটা দলৰ সৃষ্টি কৰিবলৈ ভাৰতীয়সকলক শিক্ষিত কৰি তোলা।

(গ) বৌদ্ধিক বিকাশ সাধন আৰু বৃত্তিমুখী কৌশলসমূহ আয়ত্ব কৰি নৈতিক চৰিত্রৰ উন্নতি সাধনৰ ধাৰণা ভাৰতীয় মানুহৰ মাজত বৃদ্ধি কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ উডৰ ঘোষণাপত্রৰ পাঁচটা প্রধান পৰামর্শ আছিল—

(ক) ভাৰতবর্ষৰ পাঁচখন প্রদেশ বঙ্গদেশ, মাদ্রাজ, বোম্বে, পঞ্জাব আৰু উত্তৰ পশ্চিম প্রদেশত একোটাকৈ শিক্ষা বিভাগ স্থাপন কৰা।

(খ) ঘোষণাপত্রখনে প্রাথমিক, মজলীয়া আৰু উচ্চ বিদ্যালয় স্থাপন কৰি গণ শিক্ষাৰ উন্নতি সাধন কৰিবলৈ পৰামর্শ দিছিল।

(গ) ঘোষণাপত্রখনে উচ্চশিক্ষাৰ উন্নতি সাধন কৰিবলৈ কলিকতা, বোম্বে আৰু মাদ্রাজত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ পৰামর্শ দিছিল।

(ঘ) উডৰ ঘোষণাপত্রখনে সহায়ক অনুদানৰ ব্যৱস্থা প্রবর্তন কৰিবলৈ পৰামর্শ দিছিল। যিবিলাক বিদ্যালয়ে ধর্মনিৰপেক্ষ শিক্ষা দিব, চৰকাৰৰ নীতি-নিয়ম মানি চলিব আৰু সময়ে সময়ে হ'বলগীয়া পৰিদর্শন মানি ল'ব তেনেবোৰ বিদ্যালয়ক সহায়ক অনুদান দিয়া হ'ব।

(ঙ) ঘোষণাপত্রখনে পৰামর্শ দিছিল যে চৰকাৰে সদায় মহিলা শিক্ষাৰ সমর্থন কৰা উচিত।

৩ নং প্রশ্নৰ উত্তৰ ঃউডৰ ঘোষণাপত্রৰ সুবিধাবোৰ আছিল—

১। উডৰ ঘোষণাপত্রমতে ভাৰতবর্ষত প্রথমবাৰৰ বাবে প্রকৃতভাৱে আঁচনিকৃত শিক্ষা পদ্ধতি আৰম্ভ কৰা হৈছিল।

২। ই চৰকাৰক সাধাৰণ শিক্ষাৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰাইছিল।

৩। ই ৰাজহুৱা শিক্ষাবিভাগ সৃষ্টি কৰাৰ বাবে আৰু বিভাগৰ মূৰব্বী হিচাপে এগৰাকী সঞ্চালক নিযুক্তিৰ পৰামর্শ দিছিল।

৪। ঘোষণাপত্রখনে কলিকতা, বোম্বে আৰু মাদ্রাজত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰি উচ্চ শিক্ষাৰ উন্নতি সাধন কৰিবলৈ পৰামর্শ দিছিল।

৫। উডৰ ঘোষণাপত্রখনে বৃত্তিমুখী শিক্ষাৰ প্রতিষ্ঠান আৰু শিক্ষক প্রশিক্ষণ প্রতিষ্ঠান স্থাপনৰ বাবেও পৰামর্শ দিছিল।

৬। ঘোষণাপত্রখনে বিদ্যালয়বোৰত গুণগত শিক্ষাৰ উন্নতি সাধন কৰি সহায়ক অনুদানৰ ব্যৱস্থা কৰিবলৈ পৰামর্শ দিছিল।

৭। ই ভাৰতীয় ভাষাসমূহৰ শিক্ষণ দিয়াৰ উপৰি ইংৰাজী শিক্ষণৰ গুৰুত্ব উপলব্ধি কৰিছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উডৰ ঘোষণাপত্ৰখনৰ চাৰিটা প্ৰধান অসুবিধা আছিল—

(ক) ঘোষণাপত্ৰখনে ইংৰাজীক শিক্ষাৰ মাধ্যম হিচাপে উন্নতি কৰাইছিল, পশ্চিমীয়া জ্ঞান আৰু সাংস্কৃতিক উদগনি যোগাইছিল আৰু চৰকাৰী কার্যালয়ত ইংৰাজী জনা মানুহকহে নিযুক্তিত অগ্ৰাধিকাৰ দিছিল।

(খ) সাধাৰণ শিক্ষা অৱহেলিত হৈ ৰৈছিল।

(গ) শিক্ষাই মাত্ৰ এটা কেৰাণীৰ দল আৰু হিচাপৰক্ষককহে উৎপাদন কৰিছিল।

(ঘ) বৃত্তিমুখী শিক্ষা সামগ্ৰীকভাৱে অনুপস্থিত আছিল আৰু মহিলা শিক্ষাক অৱহেলা কৰা হৈছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্নধৰণৰ অসুবিধা থকাৰ পিছতো উডৰ ঘোষণাপত্ৰখনে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ইতিহাসত এটা নতুন যুগৰ সূচনা কৰিছিল। ই কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হেতুকে ইয়াক ভাৰতীয় শিক্ষাৰ 'মেগনাকার্টা' আখ্যা দিয়া হয়। গণশিক্ষা সম্প্ৰসাৰণ ব্যৱস্থা, মহিলাৰ শিক্ষা, বৃত্তিমুখী শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণ আদিৰ দৰে বৰ প্ৰয়োজনীয় প্ৰচেষ্টাৰ উদ্দেশ্য হাতত লোৱা হৈছিল যদিওঁ চৰকাৰে সেইবোৰ কার্যকৰী কৰাৰ ক্ষেত্ৰত সক্ষম নহ'ল। আৰ্থিক অভাৱ আৰু অৱহেলিত দৃষ্টিভংগীৰ বাবে গুৰুত্বপূৰ্ণ পৰামৰ্শসমূহ কার্যকৰী নোহোৱাকৈ ৰৈ গ'ল।

উডৰ ঘোষণাপত্ৰখনৰ পৰামৰ্শসমূহ আৰু উপদেশৰ ফলস্বৰূপে ১৮৫৭ চনত ভাৰতবৰ্ষৰ কলিকতা, বোম্বে আৰু মাদ্ৰাজত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল কিন্তু সেই চনৰে চিপাহী বিদ্ৰোহৰ ফলত ইংৰাজ চৰকাৰ স্তম্ভিত হ'ল আৰু শিক্ষা অৱহেলিত হৈ পৰিল।



৭.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত উদৰ ঘোষণা পত্ৰৰ তাৎপর্য কি আছিল?

প্ৰশ্ন ২ ঃ উদৰ ঘোষণা পত্ৰখনৰ 'ভাৰতীয় শিক্ষাৰ মেগনাকার্টা' বুলি-কিয় কোৱা হৈছিল।

প্ৰশ্ন ৩ ঃ উদৰ ঘোষণা পত্ৰৰ কিছুমান গুণৰ বিষয়ে বর্ণনা কৰক।

প্ৰশ্ন ৪ ঃ উদৰ ঘোষণা পত্ৰৰ কিছুমান দোষৰ বিষয়ে বর্ণনা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত উদৰ ঘোষণা পত্ৰৰ প্ৰভাৱ কেনে আছিল?

খ) ৰচনা ধর্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৮৫৪ চনৰ ঘোষণাপত্ৰখনৰ প্ৰধান পৰামৰ্শসমূহ উল্লেখ কৰক। ঘোষণাপত্ৰখনক

'ভাৰতীয় শিক্ষাৰ মেগনাকার্টা' বুলি ক'বলৈ আপুনি একমতনে?

প্ৰশ্ন ২ ঃ ভাৰতীয় শিক্ষাৰ ওপৰত ১৮৫৪ চনৰ ঘোষণা পত্ৰৰ প্ৰভাৱ কোনবোৰ আছিল? বৰ্তমান শিক্ষা ব্যৱস্থাৰ ওপৰত পৰা ইয়াৰ যিকোনো প্ৰভাব আপুনি বাচি উলিয়াব পাৰিবনে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ উডৰ ঘোষণপত্ৰৰ প্ৰধান উপদেশবোৰ কি কি আছিল? উপদেশবোৰে ভাৰতবৰ্ষৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত কিমানদূৰ সহায় কৰিছে?

প্ৰশ্ন ৪ ঃ "১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰখনে ভাৰতবৰ্ষত শিক্ষা প্ৰশাসন ব্যৱস্থাৰ সুস্থ আৰু ফলপ্ৰসু আধাৰশিলা স্থাপন কৰিলে"— উক্তিটোৰ যথাৰ্থতা নিৰ্ণয় কৰক।

*** ***** ***